ডিচেম্বৰ ২০০১ Rs. 10/-

চান্দমামা


Are you a fan of Garuda, the masked hero with magical powers?
Enjoy the exciting exploits of Garuda!
Garuda
The Invincible
Don't miss the Garuda comics in Chandamama anymore!
Subscribe to Chandamama today!
Chandamama Annual Subscription within India Rs. 120/-
Send your remittances by DD or MO favouring CHANDAMAMA INDIA LIMITED, to
No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097.
E-mail : subscription@chandamama.org

A
ACTIVE
B
BUZZ
BOSS
C
CADET DX
D
DEVIL DX
E
ELEPHANT
F
FISH
G
GIRAFFE
H
HEN
I
INSECT
J
JOKER
K
KIDD DX
L
LI'L ANGEL
LAMBADA
LIMBO
M
MISSILE
MISS INDIA Jr
N
NEST
O
ORANGE
P
PIRANHA
Q
QUEEN Jr
R
ROBO COP
S
SPARKY
SALSA
T
TERMINATOR
V
W
HERO CYCLES
The largest range of kids bikes
HERO CYCLES
THE ABC OF CYCLING
HTA.5979.2001

এই সংখ্যাত আছে বৰ্ষ : ২৮ ডিচেম্বৰ ২০০১ সংখ্যা - ১২

ভাৰত কথা
৪৭

তপস্বীৰ সাঁথৰ (বেতাল কথা)
১৯

যক্ষ পৰ্বত
১১

দেৱী ভাগৱত
৫১

এই মাহৰ বিশেষ আকৰ্ষণ

★ ভাল চোৰ ...৭ ★ যক্ষ পৰ্বত-১০ ...১১ ★ তপস্বীৰ সাঁথৰ (বেতাল কথা) ...১৯ ★ ভাৰতৰ উৎসৱ পাৰ্বণ ...২৪
★ দয়াৰ পুৰস্কাৰ ...২৮ ★ ৰসিক ব্যক্তি--গোপাল ভাড় ...৩২
★ ভাৰতীয় ক্লাচিকেল নৃত্য ...৩৪ ★ ওৰাওঁ জনজাতিৰ লোক কথা ...৩৬ ★ সিজোৱা কণী আৰু সিজোৱা বুতমাহ ...৪২ ★ সংবাদ প্ৰবাহ ...৪৪ ★ ভাৰতৰ বিষয়ে জানি লোৱা ...৪৬
★ ভাৰত কথা ...৪৭ ★ দেৱী ভাগৱত ...৫১
★ ব্যস্ততা ...৫৭ ★ জমিদাৰৰ বয়স...৬০
★ অজেয় গৰুড় ...৬১ ★ ৰাজনৰ্তকীৰ চিত্ৰ ...৬৫
★ ফটো নামকৰণ প্ৰতিযোগিতা ... ৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of Chandmama India Ltd.
to

Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিবীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্‌ট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক
চেন্নাই
ফোন : ০৪৪-২৩৪৭৩৮৪, ২৩৪৭৩৯৯
e-mail : advertisements @chandamama.org
দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ / ৬৫৬৫৫১৩ / ৬৫৬৫৫১৬
মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬ / ২৬৫৩০৫৭

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

Gautam Goswami
5-12-2001

সংস্থাপক
বি.নাগি ৰেড্ডি আৰু চক্ৰপাণি

শান্তি আৰু শুভেচ্ছা

নতুন সহস্ৰাব্দৰ প্ৰথম বছৰটোৰ শেহৰ ফালে যুদ্ধৰ কুচ-কাৱাজ শুনা গৈছে । চেপ্তেম্বৰ মাহৰ সেই বিভীষিকা পূৰ্ণ মঙ্গলবাৰে আমেৰিকাত যি ঘটিছিল তাৰ পৰিণতি স্বৰূপে অক্টোবৰ মাহৰ অন্ধকাৰময় দিনবোৰত আফগনিস্থানত কি ঘটিছে সেইটো সকলোৱে জানে । যদি আমি সংবাদ পত্ৰবোৰত চকু ফুৰাও দেখিবলৈ পাওঁ গোটেই বিশ্ব আজি জীৱ-সন্ত্ৰাসবাদৰ সাম্ভাব্য ভাবুকিৰ সন্মুখীন হৈছে । যদি সঁচাকৈয়ে এইটো ঘটে তেতিয়াহলে বহুতো লোকে ইয়াৰ পৰা হাতসাৰিব নোৱাৰিব ।

যেনেদৰে পৰিয়ালত ঘটা এটা দুঃখজনক ঘটনাই ইয়াৰ সদস্যসকল তথা বন্ধু-বান্ধৱসকলক একত্ৰিত কৰে, তেনেদৰে বিশ্বৰ কেইটামান অঞ্চলত ঘটা অপ্ৰত্যাশিত বিপৰ্য্যয়ে বহুতো দেশ একত্ৰিত হোৱাত সহায় কৰিছে । বিশ্বৰ নেতাসকলৰ মনৰ ক্ষোভে লাহে লাহে এক প্ৰবল বিশ্ব আন্দোলনৰ পথ মুকলি কৰা দেখা গৈছে । সকলোৰে মনত বিশ্বৰ বুকুৰ পৰা সন্ত্ৰাসবাদ উভালি পেলোৱাৰ ইচ্ছা জাগি উঠিছে, যাতে মানুহে শান্তি আৰু সম্প্ৰীতিৰে বাস কৰিব পাৰে ।

আমি কব পাৰো কোনো ধৰ্মই মানুহে মানুহক ঘৃণা কৰিবলৈ নিশিকায় । প্ৰতিটো ধৰ্মৰে মূল মত হৈছে অন্যৰ প্ৰতি প্ৰেম আৰু করুণ । দ্বিতীয়তে, পৃথিবীত বাস কৰা আমি এই প্ৰাণীবোৰ পৃথিবীলৈ মাথোঁ কেইদিনমানৰ বাবেহে আহিছো । ভৱিষ্যত প্ৰজন্মৰ কাৰণে এই পৃথিবীখন এক সুন্দৰ অৱস্থাত এৰি থৈ যোৱাতো আমাৰ প্ৰতিজন লোকৰে এক নৈতিক কৰ্ত্তব্য । গতিকে আমি নিজৰ বাহিৰেও এখন সুন্দৰ বিশ্বৰ কথা চিন্তা কৰাতো এইটোৱে সময় ।

আহা, বৰদিনৰ এই আনন্দৰ দিনত পৃথিবীৰ প্ৰতিটো প্ৰাণীৰে শান্তি আৰু শুভেচ্ছা কামনা কৰি আমি প্ৰাৰ্থনা কৰো ।

সম্পাদক : বিশ্বম

হিৰোজ অফ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

হিৰোজ অফ ইণ্ডিয়া -৩

তুমি ৰামায়ণ আৰু মহাভাৰত ভাল পোৱা, নহয় নে ? ইয়াতে সেই দুখন মহাকাব্যৰ প্ৰধান চৰিত্ৰবোৰৰ ওপৰত প্ৰশ্ন সোধা হৈছে ।

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব ।*

1 সূৰ্য্যৰ পুত্ৰই, আনকি তেওঁৰ বন্ধুবোৰৰ কাৰণে জীৱন দিছিল । তেওঁৰ পৰোপকাৰিতাৰ কথা সকলোৱে জানে । তেওঁ কোন ?

---

2 যেতিয়া তেওঁ মাতৃৰ গৰ্ভত আছিল, তেওঁ বেহুৰ ভিতৰত প্ৰৱেশ কৰাৰ কথা শিকিছিল । তেওঁ সেই বেহুৰ ভিতৰত বহুতো যোদ্ধাৰ লগত সাহসেৰে যুদ্ধ কৰি মৃত্যু বৰণ কৰিছিল । তেওঁ কোন তুমি জানানে ?

---

3 এই বানৰ ৰাজকুমাৰজনক ৰামৰ দূত হিচাবে লঙ্কালৈ পঠোৱা হৈছিল । এই নায়কজন কোন ?

---

4 এই নায়কজনক ইচ্ছা মৃত্যুৰ বৰ দিয়া হৈছিল । তেওঁ শৰশয্যাত থাকি তেওঁৰ মৃত্যুৰ সেই বিশেষ দিনটোৰ বাবে অপেক্ষা কৰিছিল । তেওঁ কোন ?

---

5 এই মহাধনুৰ্ধৰজনে ভায়েকসকলৰ সৈতে এবছৰ অজ্ঞাত বাসত থকাৰ সময়ত নৃত্য শিক্ষকৰ ভেশধৰি আছিল । তেওঁৰ নামটো অনুমান কৰি লবলৈ তোমাক অন্য সূত্ৰ আৰু নালাগিব নিশ্চয় !

প্ৰতিটো প্ৰশ্নৰ তলত থকা খালী ঠাই শুদ্ধ উত্তৰেৰে পূৰ্ণ কৰিবা। এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা স্পোৰ্টচ হিৰো কোনজন আৰু কিয় ভাল লাগে ? মোৰ ভাললগা হিৰোজনৰ বিষয়ে ১০ টা শব্দ লিখা ।

....

....

প্ৰতিযোগীৰ নাম...

বয়স.............................. শ্ৰেণী.................................

ঠিকনা..

পিন.............................. ফোন...................................

প্ৰতিযোগীৰ চহী...

দেউতাক/মাকৰ চহী..

এই পৃষ্ঠাটো ফালি তলৰ ঠিকানালৈ পঠাবা

Heroes of India Quiz-3
Chandamama india limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097,

২০০২ চনৰ ৫ জানুৱাৰীৰ আগতে পোৱাকৈ পঠাবা ।

নিয়মাৱলী :

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে ।

২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰ পৰা ৩ জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হব । বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব । যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হব ।

৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত ।

৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহব ।

৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হব ।

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES



ভাল চোৰ

সৰুৰে পৰা বিদ্যাধৰৰ কবিতাৰ প্ৰতি বিশেষ ৰাপ আছিল । তেওঁ কাব্যবোৰ বিচাৰি আনি সেইবোৰ পঢ়িছিল । কাব্যৰ মুখ্য ভাগবোৰ তেওঁ কন্ঠস্থও কৰি লৈছিল । দহ বছৰ বয়সতে তেওঁ নিজে কবিতা ৰচনা কৰিছিল আৰু সেইবোৰ আবৃত্তি কৰিও শুনাইছিল । এবাৰ তেওঁৰ এজন আত্মীয় তেওঁৰ ঘৰলৈ আহিছিল । বিদ্যাধৰৰ কবিতা তেওঁৰ খুব ভাল লাগিছিল । সেয়ে তেওঁ বিদ্যাধৰৰ মাক পিতাকক কৈছিল, "বিদ্যাধৰক দন্ডকাৰণ্যৰ বাণীনাথৰ ওচৰলৈ পঠাই দিয়ক । ছয় বছৰৰ ভিতৰতে তেওঁ সকলো শাস্ত্ৰতে পাৰ্গত হব পাৰিব । আপোনাৰ পুত্ৰৰ ভৱিষ্যত উজ্জ্বল হব ।"

আত্মীয়জনৰ পৰামৰ্শ বিদ্যাধৰৰ মাক পিতাকৰ মনত ভাল লাগিছিল । তেওঁলোকে বিদ্যাধৰক দন্ডকাৰণ্যলৈ পঠাই দিলে । ছয় বছৰ ধৰি তেওঁ বাণীনাথৰ গুৰুকুলত শিক্ষা গ্ৰহণ কৰিছিল । তেওঁ অতি মনোযোগেৰে অধ্যয়ন কৰিছিল । গুৰু বাণীনাথে তেওঁৰ স্বভাৱ দেখি অতি প্ৰসন্ন হৈছিল । তেওঁৰ মেধা শক্তিক গুৰুৱে ভূয়সী প্ৰশংসা কৰিছিল । এসপ্তাহৰ ভিতৰতে বিদ্যাধৰ ঘৰলৈ উভতি যোৱাৰ কথা । কিন্তু এনেতে এক দুৰ্ঘটনা ঘটিছিল ।

বাণীনাথে শিষ্যসকলক লগত লৈ ফল-ফুল আনিবলৈ বনলৈ গৈছিল । তেওঁলোকে যেতিয়া বনত ফল-মূল আদি বিতাৰি আছিল তেতিয়া তেওঁলোকে কিছুমান ডকাইতে যাত্ৰীসকলক লুট কৰি থকা দেখিবলৈ পাইছিল । বাণী নাথৰ শিষ্যসকলক দেখি ডকাইতবোৰ পলাই গৈছিল । শিষ্যসকলে সিহঁতক খেদি গৈছিল । বিদ্যাধৰেও এটা ডকাইতৰ পিছে পিছে খেদি গৈছিল । ডকাইতটোৱে হঠাতে এডাল গছৰ আঁৰত লুকাই পৰিছিল ।

বিদ্যাধৰেও তাক বিচাৰি গৈ এডাল গছৰ তলত এজন মুনিয়ে ধ্যান মগ্ন হৈ থকা দেখিছিল । বিদ্যাধৰে ভাবিছিল তেওঁ খেদি যোৱা



ডকাইতটোৱে এইদৰে ইয়াতে ভেশ ধৰি আছে। এইবুলি ভাবি বিদ্যাধৰে মুনিক কৈছিল, "মোক ফাকি দিবলৈ চেষ্টা নকৰিবা। তোমাৰ এই বেশ খুলি দিয়াৰ পিছত মই তোমাক চিনি নাপাম বুলি ভাবিছানেকি ?" ইয়াকে কৈ তেওঁ মুনিৰ দাড়িকোছা জোৰে টান মাৰি দিছিল ।

মুনিৰ তপস্যা ভঙ্গ হৈ গৈছিল । তেওঁ চকুমেলি কথাটো জানিব পাৰি কৈছিল, "হে মূৰ্খ, মুনি আৰু ডকাইতৰ মাজত পাৰ্থক্য নজনা তুমি এজন কেনে বিদ্যান লোক ? মোক ডকাইত বুলি ভাবি তুমি ভুল কৰিছা । মই তোমাক শাপ দিলো এবছৰ ধৰি তুমি সদায় একোটো অপৰাধ কৰিবা আৰু চোৰৰ দৰে জীৱন কটাবা । যদি তুমি এনে নকৰা তেতিয়াহলে তুমি যি শিক্ষা লাভ কৰিছা সেইবোৰ পাহৰি যাবা ।"

বিদ্যাধৰে মুনিৰ ভৰিত পৰি ক্ষমা বিচাৰিছিল। তথাপিতো মুনিৰ তেওঁৰ প্ৰতি দয়া ওপজা নাছিল। শেষত বিদ্যাধৰে আশ্ৰমলৈ ঘূৰি আহি গুৰুক আগত সকলোবোৰ কথা ভাঙি-পাতি কৈছিল ।

বাণীনাথে শিষ্যক আশ্বাস দি কৈছিল, "ভাগ্যত যি ঘটিবৰ আছে সেয়া ঘটিবই । যি হৈ গৈছে তাৰ ওপৰত দুখ কৰি মনে মনে বহি থাকিলে একো নহব । যদি এবছৰলৈ তুমি অপৰাধ নকৰা তেতিয়াহলে তোমাৰ শিক্ষা ব্যৰ্থ হৈ যাব । মোৰ কথামতে তুমি কম্বোজ নগৰলৈ যোৱা । তাত অগণন ধনী লোক আছে । এইটো সকলোৱে জনা কথা, ন্যায় পথেৰে কোনেও ইমান ধন-সম্পদ লাভ কৰিব নোৱাৰে । তুমি তেওঁলোকৰ ঘৰত গৈ চুৰি কৰা গৈ ।কিন্তু এই কথা মনত ৰাখিবা কোনো অৱস্থাতে যাতে তুমি ধৰা নপৰা । এই অপৰাধ কৰি তুমি সেই কলা সম্পৰ্কেও জানিব পাৰিবা । সেইটোওতো এটা বিদ্যা । নিজৰ জ্ঞান সম্পৰ্কে বিৱৰণ তাল পাতৰ ওপৰত লিখি ৰাখিবা । ইয়াৰ পৰা ভৱিষ্যতে শাসক আৰু গুপ্তচৰসকলৰ উপকাৰ হব । তেওঁলোকে জানিব পাৰিব চোৰে কেনেকৈ চুৰি কৰে আৰু চোৰৰ মনোভাব কেনে হয় ।"

গুৰুৰ উপদেশ মতে বিদ্যাধৰ কম্বোজ নগৰলৈ গৈছিল । নিজৰ চতুৰতা প্ৰয়োগ কৰি প্ৰতি দিন তেওঁ বেলেগ বেলেগ উপায়েৰে চুৰি কৰিছিল । গোটেই নগৰতে হাঁহাকাৰ লাগি গৈছিল । সৈনিক সকলে অশেষ চেষ্টা কৰিও চোৰ ধৰিব পৰা নাছিল ।

গুৰুৰ পৰামৰ্শমতে বিদ্যাধৰে নিজৰ চুৰিবিদ্যাৰ বিৱৰণ তালপাতত লিখি থৈছিল আৰু সেইবোৰ ভালদৰে সংৰক্ষণ কৰি ৰাখিছিল । বিদ্যাধৰে শ্ৰীকৰ নামৰ এজন মধ্যবিত্ত লোকৰ ঘৰত থাকিবলৈ লৈছিল । তেওঁৰ পাণ্ডিত্যৰ প্ৰতিভা দেখি অকল শ্ৰীকৰৰ পৰিয়ালেই নহয়, ওচৰ-পাজৰৰ লোকও আচৰিত হৈছিল । তেওঁৰ ব্যৱহাৰ ইমান ভাল আছিল সেয়েহে কোনেও তেওঁক সন্দেহ নকৰিছিল । তেওঁ সদায় চুৰি কৰা

দিনবোৰ গণি গৈছিল। এইদৰে সময়বোৰ পাৰ হৈ গৈছিল।

শ্ৰীকৰৰ সোণৰ পুতলাৰ নিচিনা এজনী চৈধ্য বছৰীয়া জীয়েক আছিল। তাই বিদ্যাধৰৰ কবিতাত মুগ্ধ হৈছিল। বিদ্যাধৰৰ কবিতাৰ আবৃত্তি শুনি তাই নিজকে পাহৰি গৈছিল। এদিন তাই বিদ্যাধৰক গোটেই দিনটো নেদেখি তেওঁক বিচাৰি গৈ তেওঁ থকা ঘৰটোত সোমাই গৈছিল। তাতে তাই কিছুমান তালপাত দেখিবলৈ পাইছিল। সেইবোৰ পঢ়ি তাই জানিব পাৰিছিল ৰাজ্যত চুৰিকাৰ্য্য কৰা এই অঘাইটং চোৰটো আৰু কোনো নহয় স্বয়ং বিদ্যাধৰেই। তাই আচৰিত হোৱাৰ লগতে মনত আঘাতো পালে। তাই তালপাতবোৰ লৈ সেই কোঠাৰ পৰা যাবলৈ ধৰোতে বিদ্যাধৰ আহি সেইখিনি পাইছিল। তাত কি ঘটিছিল সেই বিষয় জানিবলৈ তেওঁৰ পলম নলাগিল।

"এই নগৰত মই কালিলৈকেহে থাকিম। তেতিয়ালৈকে আৰু অন্য কোনো ব্যক্তিয়ে মোৰ বিষয়ে জনাতো মই নিবিচাৰো। তুমি মোৰ বিষয়ে জানিব পাৰিছা, মই তোমাক জীয়াই নাৰাখো। মই যে তোমাক হত্যা কৰিছো এই কথা কোনোও জানিব নোৱাৰিব।" বিদ্যাধৰে কৈছিল।

শ্ৰীকৰৰ জীয়েকে ভয়তে থৰ-থৰকৈ কঁপি কঁপি কৈছিল "কালিলৈ তুমি কি কৰিবা তুমি ইয়াতে লিখি ৰাখিছা। সেই কথা মই পঢ়িছো। তথাপিতো তোমাৰ বিষয়ে মই কাৰো আগত নকওঁ। মোক নামাৰিবা!"

বিদ্যাধৰে তাইৰ কথা বিশ্বাস কৰি তাইক যাবলৈ দিছিল। কিন্তু তাই কথা নাৰাখি সকলো কথা পিতাকৰ আগত কৈ দিছিল। শ্ৰীকৰে নগৰ পালকৰ ওচৰলৈ গৈ এই বিষয়ে অভিযোগ কৰিছিল। পিছদিনা বিদ্যাধৰে চুৰি কৰি থাকোতে প্ৰহৰীয়ে এই বিষয়ে আগতে জানিব পাৰি

বিদ্যাধৰক বন্দী কৰি জেলত সোমাই থৈছিল।

এই বাতৰিয়ে নগৰ তোলপাল লগাই দিছিল। নগৰপালকে মুকলি সভা পাতিছিল। তেতিয়া বিদ্যাধৰে নিজৰ সকলো কথা কৈছিল। সকলো কথা শুনাৰ পাছত নগৰপালকে কৈছিল, "তোমাৰ কাহিনী মোৰ বিশ্বাস হোৱা নাই। তথাপি তুমি কোৱা বাণীনাথৰ ওচৰলৈ দূত পঠাই আচল কথাটো জানি আহিবলৈ দিম। মোৰ কিছুমান সন্দেহ তুমি দূৰ কৰিব লাগিব। তুমি পণ্ডিত ব্যক্তি। তুমি কেনেকৈ বিশ্বাস কৰিলা যে গুৰুৱে বৰ দিয়া মাত্ৰকে তোমাৰ অপৰাধ নোহোৱা হৈ যাব, মানুহে এই বিষয়ে জানিব নোৱাৰিব। এতিয়া অপৰাধৰ শেষ দিনাখন তুমি ধৰা পৰি গলা আৰু গুৰুৱে দিয়া বৰ নিষ্ফল হৈ গ'ল।

মই নিজৰ অপৰাধাৰ কথা লুকাব বিচৰা নাই। সেয়েহে প্ৰতিটো চুৰি কাৰ্য্যৰ বিৱৰণ লিখি ৰাখিছো। মই অৱস্থাবান ব্যক্তিৰ ঘৰতহে চুৰ কৰিছো। সৰু লোকৰ কোনো অন্যায় কৰা নাই। চুৰ কৰি পোৱা সকলো ধন মই ৰাখি থৈছো।

শাপৰ ভয়তহে মই এই কাম কৰিছিলো । গতিকে শাপগ্ৰস্ত সময় পাৰ হৈ যোৱাৰ পিছত সেইবোৰ ওভতাই দিম । মোৰ বিশ্বাস, এনে কৰিলে মোৰ অপৰাধৰ প্ৰায়শ্চিত হ'ব ।" বিদ্যাধৰে কৈছিল ।

তেতিয়া নগৰপালকে কৈছিল, "তোমাৰ যদি শাপৰ প্ৰতি সঁচাকৈয়ে ভয় থাকিলহেতেন তেতিয়াহলে তুমি বিদ্যাধৰৰ জীয়েকক হত্যা কৰিলাহেতেন । তুমি তেনে কাম কৰা নাই, তোমাৰ ওপৰত মোৰ সন্দেহ আছে, সেয়েহে তুমি কোৱা কথা মই বিশ্বাস কৰিব পৰা নাই ।"

বিদ্যাধৰে হাতযোৰ কৰি কৈছিল, "মহাশয় অনুগ্ৰহ কৰি মোৰ কথা মনোযোগেৰে শুনক । ঘূৰাই দিব পৰা বস্তুহে মই চুৰ কৰিছিলো । শ্ৰীকৰৰ জীয়েকৰ জীৱন ললে তেওঁৰ জীৱন ঘূৰাই দিব পৰা শক্তি বা সামৰ্থ্য মোৰ নাই । সেই কাৰণে মই তেওঁক নামাৰি মাথো ধমক হে দিছিলো । তেওঁক হত্যা নকৰা বাবে মোৰ গোটেই বছৰৰ পৰিশ্ৰম অথলে গ'ল । শাপৰ কাৰণে মই অশিক্ষিত হৈ ৰম, এই কথা জানিও মই সেই কাম কৰা নাই ।"

"তোমাৰ কথা মোৰ আচৰিত যেন লাগিছে।" নগৰপালকে কৈছিল ।

"তেতিয়াহলে মোৰ কথা শুনক । চোৰৰ ভিতৰতো ভাল চোৰ আছে । কিছুমানে অৱস্থাৰ দাস হৈ চুৰি কৰে । সম্ভৱ হলে কোনো এদিন চুৰি সামগ্ৰী ওভতাই দিয়াৰ ইচ্ছা তাৰ মনত থাকে। যি ওভতাই দিব নোৱাৰে তাক স্পৰ্শও নকৰে । মুনিৰ শাপত অভিশপ্ত মই এজন ভাল চোৰ । কিছুমানে দুখীয়া অৱস্থাৰ বাবে চুৰি কৰে। উপায়হীন হৈ তেওঁলোকে নিজৰ পেট প্ৰবৰ্ত্তন কৰিবলৈ চুৰি কৰে । তেওঁলোকৰ মনৰ পৰিবৰ্তন আনিবলৈকে মোৰ এই কাহিনী তেওঁলোকৰ উপকাৰত আহিব ।" বিদ্যাধৰে কৈছিল ।

বিদ্যাধৰৰ কথা শুনি তাত উপস্থিত থকা সকলো লোকে হাততালি বজাইছিল । নগৰ পালকে বিদ্যাধৰক অকল ৰেহাই দিয়া নাছিল, লগতে সন্মানো যাছিছিল ।

বিদ্যাধৰে চুৰি কাৰ্য্যৰ যি বিৱৰণ লিখি ৰাখিছিল তাৰ দ্বাৰা শাসক আৰু গুপ্তচৰৰ কামত বহুত সুবিধা হৈছিল । সেইবোৰ পঢ়ি তেওঁলোকে চুৰি কাৰ্য্যত বাধা দিব পাৰিছিল । ৰাজ্যত এতিয়া চোৰৰ সংখ্যা নথকাৰ দৰেই । কেতিয়াবা কৰাবাত চুৰি হলেও কোনেও কিন্তু কেতিয়াও কাকো হত্যা কৰা নাই ।



যক্ষ পৰ্বত

10

(বীৰপুৰৰ ৰজাৰ আদেশ মতে সেনাপতিয়ে অশ্বাৰোহী আৰু কিছুমান সৈনিক লৈ গ'ল । তেওঁ পৰ্বতত থকা স্বৰ্ণাচাৰী আৰু সমৰবাহুৰ অনুচৰ সকলক আত্মসমৰ্পন কৰিবলৈ কলে । কিন্তু সমৰবাহুৰ অনুচৰ সকলে আত্মসমৰ্পন নকৰি বীৰপুৰৰ সৈন্যসকলৰ ওপৰত বৰ্শা নিক্ষেপ কৰিবলৈ ধৰিলে । তাৰে এপাত বৰ্শাই গৈ সেনাপতিৰ কান্ধ ফুটাই দিয়াত তেওঁ আহত হ'ল ।) ইয়াৰ পিছত --

বৰ্শাপাত কান্ধেৰে সোমাই যোৱাত সেনাপতিয়ে এটা চিঞৰ মাৰি ঘোঁৰাৰ পৰা পৰি গ'ল । তেওঁৰ লগে লগে তেওঁৰ কান্ধত বিন্ধা বৰ্শাপাতো তলত পৰি গ'ল । সৈনিক কেইজনমানে তেওঁক দূৰলৈ লৈ গৈ শুশ্ৰুষা কৰিবলৈ ধৰিলে ।

সমৰবাহুৰ অনুচৰসকলক প্ৰশংসা কৰি স্বৰ্ণাচাৰীয়ে কলে, "প্ৰথম বাৰতে আমি শত্ৰুসকলক উচিত শিক্ষা দিলো । যদিও আমাৰ সংখ্যা সৰ্বমুঠ চৌবিবশ জন, তথাপি শত্ৰুয়ে বুজিব পাৰিছে আমাৰ বীৰত্বৰ কথা । তেওঁলোকে কিজানি ভাবিছে আমি ইয়াত বহুত মানুহ আছো ।"

এই কথা শুনি সমৰবাহুৰ অনুচৰ এজনে কলে, "মহামন্ত্ৰী, শত্ৰুসকলে সাহস কৰি যদি পাহাৰৰ ওপৰত উঠিবলৈ চেষ্টা কৰিলে হয় আমাৰ ইয়াতে থকা জন্তুঘলীসকলে সিহঁতক আগবাঢ়িবলৈ নিদিলে হয় । সিহঁত আহিলেই বাঘ আৰু সিংহই সিহঁতৰ ওপৰত জঁপিয়াই পৰি শত্ৰুক ছেদেলি-ভেদেলি কৰি দিব ।"

ইয়াৰ পিছত আন দুজন অনুচৰে কলে, "মহামন্ত্ৰী, আদেশ কৰক । আমি সকলোৱে লগ হৈ সিহঁতৰ ওপৰত আক্ৰমণ চলাওঁ আৰু যঠীৰে সিহঁতক চিকাৰ কৰো । সিহঁতক পৰাস্ত কৰি আমাৰ অধীন কৰি লওঁ ।"

স্বৰ্ণাচাৰীয়ে অনুচৰসকলক বুজাই কলে,



"আমাতকৈ শত্ৰুৰ সংখ্যা দহগুণ বেচি । সেই কাৰণে তাৰাতাৰী কৰা উচিত নহব । আমাৰ সকলোবোৰ উট পাহাৰৰ সিটো পাৰে সুৰক্ষিত ঠাইত ৰখা হৈছেনে ?"

"সকলোবোৰ উট একে ঠাইতে সুৰক্ষিত অৱস্থাত ৰখা হৈছে । আমাৰ দুজন অনুচৰে পহৰা দি আছে । শত্ৰু যদি ইয়াত আমি তাত । নহয় নে বাৰু ?" সমৰবাহুৰ অনুচৰ এজনে কলে ।

তেওঁৰ কথা শুনি স্বৰ্ণাচাৰীয়ে হাঁহিমাৰি কলে, "আমি এইটো ভবা ঠিক নহব যে যুদ্ধ শেষ হৈছে ।" এইবুলি কৈ তেওঁ বীৰপুৰৰ অশ্বাৰোহী সৈন্যসকলৰ ফালে দেখুৱালে ।

তেওঁলোকে তাৰপৰা দেখিবলৈ পালে দুজন সৈনিকে আহত সেনাপতিক ঘোঁৰাৰ ওপৰত বহুৱাই দিছে । তেওঁলোকে ইয়াকো বুজিব পাৰিলে বীৰপুৰৰ সৈন্যসকলে পাহাৰৰ ওপৰলৈ উঠিবলৈ ভাল পথ বিচাৰি আছে ।

স্বৰ্ণাচাৰীয়ে সমৰবাহুৰ অনুচৰসকলক সাৱধান কৰি দি কলে, শত্ৰুৰ ওপৰত বৰ্শা আৰু যাঠী নিক্ষেপ কৰিবলৈ তেওঁলোক যেন সাজু থাকে । তাৰপাছত তেওঁ এজন অনুচৰক লগত লৈ জঙ্ঘলী লোক সকল আৰু বাঘ তথা সিংহৰ পিঁজৰা থকা ঠাইলৈ গ'ল । সিংহৰ এটা পিঁজৰা গুহাৰ দুৱাৰ মুখত আছিল । আন এটা গুহাৰ মুখত বাঘৰ পিঁজৰা আছিল । সেই পিঁজৰাৰ ওপৰত দুজন দুজন জঙ্ঘলী লোক বহি আছিল ।

স্বৰ্ণাচাৰীক দেখিয়ে জঙ্ঘলীসকলৰ চৰ্দাৰজনে কলে, "বীৰপুৰৰ সৈন্যসকলে পাহাৰ বগাই যেতিয়াই ওচৰলৈ আহিব, তেতিয়াই পিঁজৰাৰ দুৱাৰ খুলি দিয়া হব আৰু আমাৰ লোকসকলে গুহাৰ ওপৰ ভাগলৈ গুচি যাব । ভোকাতুৰ বাঘ আৰু সিংহ শত্ৰুৰ ওপৰত জঁপিয়াই পৰিব আৰু সিহঁতক খাই পেলাব ।"

তাৰ এই ব্যৱস্থাৰ কথা শুনি স্বৰ্ণাচাৰীৰ মনত ভাল লাগিল । তেওঁ অনুচৰজনক লগত লৈ উলতি আহিল আৰু পাহাৰৰ তললৈ নিৰিক্ষণ কৰিবলৈ ধৰিলে ।

বীৰপুৰৰ সেনাপতিৰ আদেশ পাই সৈন্যসকলে খোজকাঢ়ি পাহাৰত উঠিবলৈ ধৰিলে । তাৰে কেইজনমানৰ হাতত ধনু-শৰো আছে ।

সমৰবাহুৰ অনুচৰসকলে যেতিয়া বৰ্শা আৰু যাঠী নিক্ষেপ কৰিছিল তেতিয়া তেওঁলোকে তাতে ৰখি লৈ শৰ মাৰিছিল । এনেতে কিছুমান অশ্বাৰোহী সৈনিক পিছফালৰ পৰা পাহাৰত উঠিবলৈ ধৰিলে ।

স্বৰ্ণাচাৰীয়ে বিপদৰ সংকেত পালে । তেওঁ সমৰবাহুৰ অনুচৰসকলক সাহস দি কলে, "বীৰসকল, তোমালোকৰ কিছুমানে ডাঙৰ ডাঙৰ পাথৰবোৰ থেলি তললৈ পেলাই দিয়া। কিছুমানে শত্ৰুৰ ওপৰত বৰ্শা আৰু যাঠী নিক্ষেপ

কৰা । অবিৰামভাবে এই কাম কৰি যোৱা ।”

সমৰবাহুৰ অনুচৰসকলে ডাঙৰ ডাঙৰ পাথৰবোৰ পাহাৰ বগাই অহা বীৰপুৰৰ সৈনিক সকলৰ ফালে থেলি পেলাই দিবলৈ ধৰিলে । কিন্তু বেচিভাগ পাথৰেই অন্য এঢলিয়া ঠাইৰে বাগৰি যাবলৈ ধৰিলে ।

ইয়াকে দেখি বীৰপুৰৰ সৈনিক সকলে অতি উৎসাহেৰে আগবাঢ়িবলৈ ধৰিলে । তেওঁলোকৰ পিছে পিছে আহি থকা অশ্বাৰোহী সৈন্যসকলৰ হাতত খোলা তৰোৱাল আছিল। সিহঁতে বীৰপুৰৰ ৰজাৰ জয়ধ্বনি কৰি আহি আছিল ।

এনেতে হঠাৎ সিংহ আৰু বাঘৰ গৰ্জন শুনিবলৈ পোৱা গ'ল । সিংহ আৰু বাঘ পিঁজৰাৰ পৰা ওলাই আহি বীৰপুৰৰ সৈন্যসকলৰ ওপৰত জঁপিয়াই পৰিল । এই আকস্মিক আক্ৰমণ প্ৰতিহত কৰিবলৈ তেওঁলোক সাজু নাছিল । সিহঁতৰ ভিতৰতে উখল মাখল লাগিল । পিছফালৰ পৰা আহি থকা ঘোঁৰাবোৰে ভয়তে ইফালে সিফালে দৌৰিবলৈ ধৰিলে । কিছুমান ঘোঁৰাইতো পিচলি গৈ আৰোহীৰে সৈতে তলত গৈ বাগৰি পৰিল। এতিয়া সিংহ আৰু বাঘৰ সন্মুখত কোনো নথকাত জন্তু কেইটা ওচৰৰ হাবিলৈ গুচি গ'ল।

যি ঘটি গ'ল তাতে স্বৰ্ণাচাৰী অতি সন্তুষ্ট হ'ল । তেওঁ অনুচৰসকলক কলে, “এই আহত আৰু মৃত সৈনিকসকলৰ বাহিৰেও আৰু বহুতো সৈন্য পাহাৰৰ তলত আছে । যদি সিহঁতে পুনৰ আক্ৰমণ কৰে সিহঁতৰ সন্মুখীন হোৱাৰ শক্তি আমাৰ নাই । পাহাৰৰ তলত আমাৰ যিবোৰ উট আছে তাতে উঠি হাবিৰ মাজলৈ পলাই যোৱাই আমাৰ পক্ষে শ্ৰেয় হব । তাত হয়তো আমি ক্ষত্ৰিয় যুৱক দুজন আৰু সমৰবাহুকো লগ পাব পাৰো । এতিয়াই

আমি পাহাৰৰ যিটোফালে উটবোৰ আছে সেই ফালে যাওঁ ব'লা ।” এইবুলি কৈ স্বৰ্ণাচাৰী আগবাঢ়ি গ'ল আৰু বাকী অনুচৰসকলে তেওঁৰ পিছ ললে ।

কিন্তু তেওঁলোক গৈ যেতিয়া নিৰ্দ্ধাৰিত স্থানত গৈ উপস্থিত হ'ল আৰু তাৰপৰা উটত উঠি হাবিৰ ফালে আগবাঢ়িবলৈ ধৰিলে তেতিয়া তেওঁলোকে দেখিবলৈ পালে চল্লিশ-পঞ্চাশজন অশ্বাৰোহী সৈনিকে তৰোৱাল আৰু যঠী লৈ তেওঁলোকৰ ফালে আগবাঢ়ি আহি আছে ।

এই দৃশ্য দেখিয়েই স্বৰ্ণাচাৰীয়ে তৰোৱাল দাঙি লৈ অনুচৰসকলক কলে, “বীৰসকল, মোৰ লগে লগে আহি থাকা । আজি দুৰ্গাদেৱীৰ আগত শত্ৰুক বলি দিম । সমৰবাহু মহাৰাজ কি, জয় ।” এইবুলি কৈ তেওঁ সকলোৰে আগত গ'ল । এই সময়তে বীৰপুৰৰ অশ্বাৰোহীসকলেও “বীৰসিংহ মহাৰাজ কি,

জয়” বুলি জয়ধবনি কঁৰি তীৰ গতিত আগুৱাই আহি সমৰবাহুৰ অনুচৰসকলৰ ওপৰত জঁপিয়াই পৰিল ।

স্বৰ্ণাচাৰীয়েও মৰণত শৰণ দি সিহঁতৰ সম্মুখীন হবলৈ আগবাঢ়ি গ'ল । তাকে দেখি বাকীবোৰ অনুচৰেও উৎসাহিত হৈ শত্ৰুৰ লগত যুদ্ধ কৰিবলৈ ধৰিলে । দুয়ো পক্ষৰ সৈন্যসকলৰ মাজত তয়াময়া যুদ্ধ লাগিল ।

এইদৰে পাঁচমিনিট সময় যুদ্ধ চলিল, এই সময়তে কিছুমান সমৰবাহুৰ অনুচৰ আৰু কিছুমান বীৰসিংহৰ সৈনিক আহত হ'ল । স্বৰ্ণাচাৰীয়ে নিজৰ লোকসকলক সাৱধান কৰি দি যি দহ পোন্ধৰজন অনুচৰ ভালে আছিল তেওঁলোকক লগত লৈ শত্ৰু সৈন্যৰ মাজেৰেই হাবিৰ ফালে পলাই গ'ল ।

সেই সময়তে আহত সেনাপতি সেই ঠাই আহি পালে । পলাই যোৱা স্বৰ্ণাচাৰী আৰু তেওঁৰ অনুচৰবোৰক দেখি সেনাপাতিয়ে কলে, “তেওঁলোকৰ সংখ্যানো কিমান আছিল। তোমালোকে কিয় তেওঁলোকক পলাই যাবলৈ দিলা । এইটো আমাৰ ঘোৰ অপমান । ইয়ে আমাৰ শক্তিহীনতা আৰু অসামৰ্থতাই প্ৰকাশ কৰিলে । মই যিজন দলপতিক পঠাইছিলো তেওঁ কলৈ গ'ল ? জীয়াই আছে নে মৃত্যু হ'ল ? এইবুলি তেওঁ জোৰে জোৰে চিঞৰিবলৈ ধৰিলে ।

এই চিঞৰ শুনি দলপতিয়ে সেনাপতিৰ সম্মুখত আহি উপস্থিত হ'ল । তেওঁৰ ফালে এবাৰ পোন্দোৱাকৈ চাই সেনাপতিয়ে কলে, “তেওঁলোকতো আমাতকৈ বেচি শক্তিশালী নাছিল । কেনেকৈ তেওঁলোকে মহাযোদ্ধা বীৰপুৰৰ সৈনিক সকলৰ মাজৰ পৰা হাবিলৈ পলাই গল ? যাওঁতে আমাৰ কিছুমান সৈন্যকো মাৰি থৈ গ'ল । এইটো কিমান লাজৰ কথা । তোমালোকে ডোবাৰ পানীত ডুবি মৰা উচিত। মহাৰাজে যদি এই কথা জানিব পাৰে আমাক ফাঁচি দিব ।”

দলপতিয়ে কঁপা কঁপা মাতেৰে কলে, “সেনাপতি মহাশয়, তেওঁ কোনো সাধাৰণ লোক নহয় । দেখাতহে সাধাৰণ আৰু শক্তিহীন যেন লাগে, কিন্তু তেওঁ খুব চতুৰ আৰু বুদ্ধিমান। তেওঁৰ অনুচৰবোৰে তেওঁক মহামন্ত্ৰীবুলি



সম্বোধন কৰিছে । তেওঁৰ চতুৰতা আৰু পৰাক্ৰম দেখি অনুমান হয় তেওঁ মহাভাৰতৰ যোদ্ধা ।”

দলপতিৰ কথা কোৱা শেষ হোৱাৰ আগতে সেনাপতিয়ে গৰজি উঠিল, “বন্ধ কৰা তোমাৰ কবিতা । এতিয়াই পাঁচজন সৈনিকক লগত লৈ হাবিৰ ফালে ৰাওনা হোৱা । তেওঁলোক ক'ত লুকাই আছে বিচাৰি উলিয়া । ইফালে মই পাহাৰী দুৰ্গটো নিজৰ অধীন কৰি লৈ তাত বীৰপুৰৰ পতাকা উৰুৱাম । তাৰ পাছত সৈন্য সকলক লগত লৈ হাবিৰ মাজলৈ যাম । তৎক্ষণাত মোৰ আদেশ পালন কৰা ।”

দলপতি তাৰ পৰা লগে লগে ৰাওনা হ'ল। কিন্তু স্বৰ্ণাচাৰী ইতিমধ্যে বহু দূৰ পাইছিল গৈ । বাটতে তেওঁলোকে এটা সৰোবৰ দেখিবলৈ পালে । স্বৰ্ণাচাৰী আৰু অনুচৰসকল সেই সৰোবৰৰ পাৰত ৰল । তাত তেওঁলোকে পানী খালে আৰু উটকো পানী খুৱালে । তাৰ পিছত বিশ্ৰাম লালে ।

এইদৰে আধাঘন্টা পাৰ হৈ গ'ল । সমৰবাহুৰ দুটা অনুচৰে খাবলৈ ফল বিচাৰিবলৈ ধৰিলে । তেওঁলোকে ভালুকৰ পোচাক পিন্ধা মানুহ কেইজনমান সৰোবৰৰ ফালে আহি থকা দেখিবলৈ পালে । দৌৰি দৌৰি আহি অনুচৰ দুজনে স্বৰ্ণাচাৰীক এই খবৰটো দিলে।

“সিহঁতক ইয়াতে দেখিছা ভালেই হৈছে । সিহঁতৰ মানুহেই আমাৰ সমৰবাহু মহাৰাজক বন্দী কৰি লৈ গৈছিল ।” স্বৰ্ণাচাৰীয়ে কলে । ইতিমধ্যে ভালুকৰ পোচাক পিন্ধা লোকসকল সৰোবৰৰ ওচৰ আহি পালে । তেওঁলোকৰ এজনে বিচৰণ কৰি থকা উটবোৰ দেখি কলে “মা বৃকেশ্বৰী, এতিয়া তুমিয়ে আমাৰ ভৰসা।” এইবুলি কৈ বাকীবোৰকো উটবোৰৰ ফালে দেখুৱাই দিলে ।

অলপ পাছতে স্বৰ্ণাচাৰী আৰু অনুচৰবোৰে গছৰ মাজৰ পৰাই “সমৰবাহু মহাৰাজ কি জয়” বুলি কৈ হাতত যঠী লৈ ওলাই আহি সিহঁতৰ ফালে আগবাঢ়ি গ'ল । তেওঁলোকক সেই অৱস্থাত দেখিবলৈ পাই ভালুকৰ মানুহবোৰে হতাশ হৈ কবলৈ ধৰিলে, “মা বৃকেশ্বৰী, এইয়া তুমি কি কৰিলা । আমি এতিয়া নিগমে মৰিলো।” তাৰ পাছত সিহঁত দৌৰি পলাই গ'ল।

পলাই যোৱা ভালুকৰ পোচাক পিন্ধা মানুহবোৰে বাটতে খৰ্গ, জীৱদন্ত্ৰ, সমৰবাহু আৰু গুৰু ভালুকক দেখিবলৈ পালে । সিহঁতে স্বৰ্ণাচাৰীৰ বিষয়ে তেওঁলোকক কলে ।

“স্বৰ্ণাচাৰীয়েতো দুৰ্গ নিৰ্মাণৰ কামত লাগি আছিল । কেনেকৈ এইখিনি আহি পালে ? কোনো বিপদত পৰি ইয়ালৈ পলাই অহা নাইতো ?” জীৱদন্ত্ৰই সংশয় প্ৰকাশ কৰি কলে।

“স্বৰ্ণাচাৰী অতি ৰাজভক্ত । হয়তো

ভালুকৰ পোচাক পিন্ধা মানুহবোৰৰ হাতৰ পৰা মোক ৰক্ষা কৰিবলৈকে ওলাই আহি এইখিনি পাইছে।" সমৰবাহুৱে সন্তুষ্ট হৈ কলে।

তেওঁলোকে কথা কৈ কৈ আহি সৰোবৰৰ ওচৰ পালে। তেওঁলোকক দেখি স্বৰ্ণাচাৰীৰ মনটো ভাল লাগিল। দৌৰি দৌৰি আহি তেওঁলোকক কলে, "সমৰবাহু মহাৰাজ, ক্ষত্ৰিয় যোদ্ধাদ্বয়, মোৰ নমস্কাৰ লব।" এইবুলি হাতযোৰ কৰি প্ৰণাম কৰিলে।

"স্বৰ্ণাচাৰী, অনুমান হৈছে, তোমালোকে দুৰ্গ নিৰ্মাণৰ কাম সম্পূৰ্ণ নকৰাকৈয়ে অৰণ্যত ভ্ৰমণ কৰিবলৈ ওলাই আহিছা।" জীৱদন্তই কলে।

"হে ক্ষত্ৰিয় যোদ্ধা, সেই দুৰ্গটো শত্ৰুয়ে অধিকাৰ কৰি লৈছে। মই আৰু সমৰবাহুৰ অনুচৰসকলে তাক ৰক্ষা কৰিবলৈ যথাসাধ্য চেষ্টা কৰিছিলো। তাৰ বাবে বহুতো অনুচৰৰ মৃত্যুও হৈছে।" স্বৰ্ণাচাৰীয়ে মনৰ দুখ প্ৰকাশ কৰি কলে।

"এতিয়া কিমান অনুচৰ জীয়াই আছে?" খৰ্গবৰ্মাই সুধিলে। "মোৰ সৈতে ষোল্লজন আছো। আমাৰ উটবোৰো ইয়াতে আছে।" স্বৰ্ণাচাৰীয়ে কলে।

"কি কৈছা? শত্ৰুৱে দুৰ্গ আক্ৰমণ কৰিছে? তেওঁলোকে দুৰ্গ নিজৰ অধীন কৰি লৈছে? সেই শত্ৰু কোন?" সমৰবাহুৱে দাঁত কৰছি গোঁফত আঙুলি বুলাই বুলাই কৰ্কশ স্বৰে সুধিলে।

তেতিয়া স্বৰ্ণাচাৰীয়ে গোটেই ঘটনা বিবৰি কলে।

গোটেই বৃত্তান্ত শুনাৰ পিছত সমৰবাহুৱে দীঘলকৈ নিশ্বাস টানি কলে, "তাৰমনে দুৰ্গ অধীন কৰি লোৱাৰ লগে লগে আমি যিবোৰ ধন গোটাই থৈছিলো সেইবোৰো শত্ৰুৱে নিজৰ কৰি লেছে। বীৰপুৰৰ মহাৰাজ এতিয়া আৰু ক্ষমাৰ যোগ্য হৈ থকা নাই। তেওঁক শেষ কৰিবই লাগিব। খৰ্গ, জীৱদন্ত, আপোনালোকৰ সহায় অবিহনে মোৰ লক্ষ্য পূৰণ নহব।"

জীৱদন্তই অলপ সময় ভাবি লৈ কলে, "সমৰবাহু, তুমিতো তোমাৰ নিজৰ ৰাজ্য হেৰুৱা নাই। তেতিয়াহলে প্ৰতিশোধ লোৱাৰ কথাই নুঠে। মোৰ উপদেশ হ'ল তুমি এই অৰণ্যৰ যিকোনো এটা অংশত তোমাৰ অনুচৰবোৰৰ সৈতে বসতি কৰি থাকা আৰু শস্য উৎপাদন কৰি আৰামেৰে জীৱনটো কটোৱা। এনে কৰিলে তুমি সকলো চিন্তাৰপৰা মুক্ত হৈ থাকিব পাৰিবা।"

সমৰবাহুৱে ইয়াৰ কোনো উত্তৰ নিদি তলমূৰ কৰি থাকিল। তেতিয়া স্বৰ্ণাচাৰীয়ে হস্তক্ষেপ কৰি কলে, "হে দুই বীৰ যোদ্ধা, মোৰ এটা অনুৰোধ আছে। এওঁৰ নামৰ পৰাই অনুমান হয়, এওঁ ক্ষত্ৰিয় বংশৰ লোক। এনে

এজন মহাৰাজৰ অধীনত মন্ত্ৰী হৈ থকাৰ মোৰ প্ৰবল ইচ্ছা । মোৰ সম্পূৰ্ণ বিশ্বাস আছে, আপোনালোকৰ সহায় পালে ই সম্ভব হব পাৰে।

বীৰপুৰৰ ৰজাক পাহাৰী ৰাজ্যৰ পৰা খেদি পাঠই । ওচৰ-পাজৰৰ গাওঁবোৰ লগলগাই এখন সুন্দৰ ৰজ্য গঠন কৰিব পৰা যায় । আৰু এইটো সম্ভব হব পাৰে, কেৱল আপোনা-লোকৰ সহায় পালে ।

জীৱদন্তই খৰ্গবৰ্মাৰ ফালে চাই কলে, "খৰ্গ, এওঁলোকক এইখিনি সহায় কৰাই ভাল হব ।" তাৰপিছত সমৰবাহু আৰু স্বৰ্ণাচাৰীৰ ফালে মুখ কৰি কলে, "প্ৰথমতে আমি বীৰপুৰৰ সৈন্য বল জানি লব লাগিব । তেওঁলোকৰ তুলনাত সংখ্যাত আমি বহুত কম । সেয়েহে সম্মুখ সমৰত আমি জয়লাভ কৰা সম্ভব নহব । ইয়াৰ বাবে উপায় উলিয়াব লাগিব । ইয়াৰ বাবে আৱশ্যক হব সেই সৈন্যসকলক গুৰু ভালুকৰ গৰ্তলৈ লৈ আহিব লাগিব ।

"এইটো কেনেকৈ সম্ভব হব বীৰ জীৱদন্ত?" নিজৰ অসহায়তা প্ৰকাশ কৰি স্বৰ্ণাচাৰীয়ে সুধিলে ।

"ইয়াৰ এটা পথ আছে । গুৰু ভালুকৰ শিষ্যসকলৰ মাজৰ দুজন বা তিনিজন শিষ্য বীৰপুৰৰ সেনাপতিৰ ওচৰলৈ গৈ কব যে, আমি এই গৰ্তত লুকাই আছো । তেওঁলোকে আমাক মাৰিবলৈ গৰ্তত প্ৰৱেশ কৰিব । এইবুলি কৈ জীৱদন্ত হঠাতে ৰৈ গ'ল, তাৰপাছত গুৰু ভালুকৰ ফালে চাই কলে, "গুৰু ভালুক, তোমাৰ শিষ্যই যি কোনো অৱস্থাতে তোমাৰ কথা নুশুনাকৈ নাথাকে। এইটো সঁচা হয় নে নহয় কোৱা ? তেওঁলোক গুৰুদ্ৰোহীসকলৰ ভিতৰত নাইতো ? এই প্ৰশ্ন শুনি গুৰু ভালুকে কলে, "মহাশয় যদি মই আদেশ দিও তেওঁলোকে পাহাৰৰ ওপৰৰ পৰাও জাঁপ মাৰিবলৈ প্ৰস্তুত। ইয়াত কোনো ডাঙৰ পৰ্বত নাই, সেয়েহে মই আদেশ কৰিলো ইয়াৰ ভিতৰৰে যি কোনো এজন শিষ্যই এই গছডালত উঠি ওপৰৰ পৰা জাঁপ মাৰি পৰিব লাগে ।"

জীৱদন্তই নালাগে নালাগে বুলি কৈছিল, এনেতে ভালুকৰ শিষ্য এজনে দৌৰি গৈ গছত উঠিল, তাৰপৰা বগা বগাই একেবাৰে ওপৰৰ ডাললৈ উঠি গৈ কবলৈ ধৰিলে, "গুৰু ভালুক, মোৰ অন্তিম নমস্কাৰ লব ।" এইবুলি কৈয়ে তেওঁ তললৈ জাঁপ মাৰিলে ।

ক্ৰমশঃ



ORISSA
The soul of India

তোমালোকৰ বাবে কুইজ

কোণাৰক

December
1-5, 2001
Konark Festival

উৰিষ্যাত থকা মন্দিৰবোৰৰ ভিতৰত কোণাৰকৰ সূৰ্য মন্দিৰটো এটা অতি গুৰুত্বপূৰ্ণ মন্দিৰ । ১৩ শ শতিকাত নিৰ্মাণ কৰা এই মন্দিৰটো স্থাপত্য বিদ্যাৰ এক বিস্ময় হিচাবে জনাযায় । দৰাচলতে এই মন্দিৰটোৰ নামেৰেই কোণাৰক চহৰখনৰ নামকৰণ কৰা হৈছে-'কোণ আৰ্ক' মানে হ'ল 'সূৰ্য্যৰ কোণ'।

এই মন্দিৰটোৰ এক বিশেষ বৈশিষ্ট্য হৈছে ইয়াৰ আকৃতি । এইটো সূৰ্য্যৰ এখন প্ৰকান্ড ৰথৰ আকৃতিত তৈয়াৰ কৰা হৈছে । ইয়াতে বাৰ যোৰ চকা আছে আৰু সাতটা ঘোঁৰাই ইয়াক টানি থকা যেন দেখি । চকাবোৰে বছৰৰ বাৰটা মাহক বুজাইছে আৰু ঘোঁৰাবোৰে সপ্তাহৰ সাত দিনক বুজাইছে । বাঙ্গোপসাগৰৰ পৰা মন্দিটোৰ ফালে চালে বিভিন্ন কোণৰ পৰা ইয়াত সূৰ্য্যৰ ৰশ্মি প্ৰতিফলন হোৱা যেন দেখি ।

এই মন্দিৰটোক ক'লা পেগোদা হিচাবেও জনা যায় । মন্দিৰৰ প্ৰধান চূড়াটো, যিটো ৭০ মিটাৰ উচ্চতাৰ আছিল, সেইটো ভাঙি পৰিছে, কিন্তু নৃত্য গৃহ আৰু প্ৰেক্ষাগৃহটো নভঙাকৈ আছে । গোটেই মন্দিৰটোতে ধুনীয়া চিত্ৰ খোদিত কৰা আছে । ইউনেচকোৱে ওৱাৰ্ল্ড হেৰিটেজ চাইটৰ স্বীকৃতি দিয়া ভাৰতৰ স্মৃতিসৌধবোৰৰ ভিতৰত এইটোও এটা ।

সূৰ্য্য মন্দিৰৰ মিউজিয়ামটো কোণাৰকৰ এক বিশেষ আকৰ্ষণ । ইয়াতে মন্দিৰৰ ধ্বংস হোৱা অংশৰ ভাস্কৰ্য্য কিছুমান সংগ্ৰহ কৰি ৰখা হৈছে ।

তোমালোকৰ বাবে কুইজ

১৪ বছৰৰ তলৰ শিশুৰ বাবে

প্ৰতিযোগিতা-৪

১. সূৰ্য্য মন্দিৰৰ পৰা কিছু দূৰত এটা বিখ্যাত মন্দিৰ আছে । এইটো কুশভদ্ৰা নদী আৰু সাগৰৰ সঙ্গমস্থলত নিৰ্মাণ কৰা হৈছে । কি মন্দিৰ ?

----

২. উৰিষ্যাৰ এটা উপকূলৰ নাম কোৱা, যিটো এসময়ত সমুদ্ৰ বন্দৰ আছিল ।

----

৩. উৰিষ্যাৰ কোনটো বান্ধে এচিয়াৰ বৃহত্তম কৃত্ৰিম হ্ৰদটোৰ সৃষ্টি কৰিছে ।

প্ৰশ্নৰ তলত দিয়া খালি ঠাইত উত্তৰবোৰ স্পষ্টকৈ লিখিবা । তলত দিয়া কুপণখন ভৰ্ত্তি কৰি এই ঠিকনাত পঠোৱা -

Orissa Tourism Quiz Contest
Chandamama India Limited
No.82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097

নাম : ....
বয়স : ....
ঠিকনা : ....
: ....
পিন.................ফোন.................

ORISSA TOURISM

Winners picked by Orissa Tourism in each contest will be eligible for **3-days, 2-night** stay at any of the **OTDC Panthanivas**, upto a maximum of four members of a family. Only original forms will be entertained. The competition is not open to CIL and Orissa Tourism family members. Orissa Tourism, Paryatan Bhaven, Bhubaneswar-751 014. Ph: (0674) 432177, Fax : (0674) 430887, e-mail : ortour@sancharnet.in. Website : Orissa-tourism.com

তপস্বীৰ সাঁথৰ

বিজুলী ঢেৰেকনিত নিশাৰ অন্ধকাৰ আকাশখণ চমকি উঠিছিল । ধাৰাষাৰে বৰষুণ পৰি আছিল । ৰাতিৰ অন্ধকাৰত চাৰিওফালে ভূত প্ৰেতৰ চিঞৰ শুনা গৈছিল । চাৰিওফালে হাড় মূৰবোৰ সিচৰতি হৈ পৰি আছিল । দৃঢ় প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্যই তাৰ মাজেৰে খোজকাঢ়ি গৈ পুনৰ সেই গছজোপাৰ ওচৰ পালে হৈ । গছৰপৰা মৰাশটো নমাই আনি কান্ধত পেলাই ললে । তাৰপাছত মৌন গৈ শ্মশানৰ ফালে আগবাঢ়িবলৈ ধৰিলে । তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে -

আৱশ্যক হৈছিল । কাকনো মন্ত্ৰী পাতিব এই লৈ তেওঁ বহুদিন ধৰি চিন্তা কৰি আছিল । তেওঁ এনে এজনক মন্ত্ৰী পাতিব বিচাৰিছিল, যিজন জ্ঞানী, বুদ্ধিমান আৰু বিবেচক হব । অৱশেষত ৰজাই ভাবি-চিন্তি ঠিক কৰিছিল যে মণিভদ্ৰ নামৰ জ্ঞানী আৰু বুদ্ধিমান সভাসদ জনেই এই কামৰ বাবে উপযুক্ত হব। কিন্তু ৰজাই তেওঁক মন্ত্ৰী পতাৰ আগতে ৰাণীয়ে বিশ্ববন্ধু নামৰ আন এজন সম্ভ্ৰান্ত ব্যক্তিক মন্ত্ৰীপাতিব লাগে বুলি ৰজাক কৈছিল। তেওঁ আছিল ৰাণীৰ খুৰাক ।

"মোৰ খুৰা বিশ্ববন্ধু জ্ঞান বুদ্ধিত মণিভ্ৰতকৈ কোনো গুণে কম নহয় । ইয়াৰ বাহিৰেও তেওঁ এজন জেষ্ঠ্য আৰু অভিজ্ঞ লোক । মই ভাবো তেওঁ আপোনাৰ এজন ভাল উপদেষ্টা হব । তেওঁকে মন্ত্ৰী নাপাতে কিয় ?" ৰাণীয়ে অনুৰোধ কৰি কৈছিল ।

"তুমি কোৱাৰ নিচিনা তেওঁ যদি সঁচাকৈয়ে এজন সুদক্ষ ব্যক্তি হয় মোৰ কোনো আপত্তি নাই, কিন্তু চূড়ান্ত সিদ্ধান্ত লোৱাৰ আগতে আমি তেওঁলোকক পৰীক্ষা কৰি চোৱাতো উচিত হব ।" ৰজাই ৰাণীক কৈছিল ।

এই পৰীক্ষা লোৱাৰ বাবে অতি সোনকালেই ৰজাই সুযোগ পাইছিল । সেই ৰাজ্যত এটা ধনী সদাগৰ আছিল । তেওঁৰ এজনী ধুনীয়া মৰম লগা ছোৱালী আছিল । সেই ছোৱালীজনীৰ তিনিজন বিবাহ প্ৰাৰ্থী আছিল। তিনিওজন যুৱকেই সকলো ক্ষেত্ৰতে সদাগৰৰ কন্যাক বিবাহ কৰোৱাৰ উপযুক্ত আছিল । তেওঁৰ কন্যাৰ বাবে কোনজন যুৱকনো অতি উপযুক্ত হব সদাগৰে

"ৰাজন, মিছাতে কিয় তুমি কষ্ট কৰি আছা ? তুমি জানাই ইয়াত ফলৱতী হব নোৱাৰিবা । কোনে তোমাক এই ভয়ানক কামবোৰ কৰিবলৈ কৈছে ? এইজন সেই আচৰিত ধৰণৰ তপস্বীজন নে যিয়ে সাধাৰণ ধৰণে কথা নকয়, সাঁথৰেৰেহে কয় ? এনে ধৰণৰ মানুহবোৰৰ মনত কি আছে সেইটো বুজা সঁচাকৈয়ে কঠিন কাম । মোৰ এই কথাটো বিতং ভাবে বুজাবলৈ মই তোমাক কাহিনী এটা কম । পথৰ ভাগৰ দূৰ কৰিবলৈ মনোযোগেৰে মোৰ এইকহিনী শুনি যোৱা। এইবুলি কৈ বেতালে কাহিনী কবলৈ আৰম্ভ কৰিলে :

এসময়ত মাৰ্তন্ড দেৱ নামৰ এজন ৰজা আছিল । তেওঁ বৰ জ্ঞানী আৰু দক্ষ শাসনকৰ্ত্তা আছিল । তেওঁৰ এজন নতুন মন্ত্ৰীৰ

কোনো সিদ্ধান্ত লব পৰা নাছিল । সেয়েহে তেওঁ তিনিওজন যুৱককে পাহাৰ এখনত বাস কৰি থকা তপস্বী এজনৰ ওচৰলৈ পঠাইছিল। সেই তপস্বীজনক সদাগৰে ভালদৰে জানিছিল আৰু তেওঁৰ ওপৰত গভীৰ বিশ্বাস আছিল ।

তপস্বীজনে কোনো কথা নোকোৱাকৈয়ে তিনিওজন যুৱকৰ ফালে ভালদৰে নিৰিক্ষণ কৰি চালে । তাৰ পিছত তেওঁ কাকো একো নোকোৱাকৈ এজন যুৱকৰ হাতত এটা পাত্ৰ ভৰ্ত্তি কৰি মাটি দিলে, দ্বিতীয়জন যুবকক এটা পাত্ৰ ভৰ্ত্তি কৰি পানী দিলে আৰু তৃতীয়জন যুৱকক এটা পাত্ৰ ভৰ্ত্তি কৰি পাণী দিলে আৰু তৃতীয়জনক শস্য ভৰ্ত্তি পাত্ৰ এটা দিলে ।



তপস্বীয়ে ইয়াৰ দ্বাৰা কি বুজাব বিচাৰিছে সদাগৰে একো বুজিব নোৱাৰিলে । তেওঁ ভাবিলে এই সাঁথৰ ভাঙিবলৈ তেওঁতকৈ বেচি মস্তিষ্ক থকা লোক হব লাগিব । সেয়ে তেওঁ তিনিওজন যুৱককে ৰাজসভালৈ লৈ গ'ল আৰু তপস্বীৰ কাৰ্য্যৰ অৰ্থ বুজাই দিবলৈ ৰজাক অনুৰোধ জনালে ।

তেতিয়া ৰজাই তিনি যুৱককে তপস্বীৰ কাৰ্য্য সম্পৰ্কে কি ভাবিছে তাকে কবলৈ কলে।

প্ৰথমজন যুৱকে কলে, "মহাৰাজ, তপস্বীয়ে মোক মাটিৰে পূৰ্ণ পাত্ৰ এটা দিছিলে। মাটি নোহোৱাকৈ পানী বা শস্য একোৱে হব নোৱাৰে । মাটিয়ে সকলোৰে মূল । সেয়েহে, মই ভাবো তপস্বীয়ে সদাগৰৰ কন্যাৰ বাবে মোকে উপযুক্ত বুলি বিবেচনা কৰিছে ।"

দ্বিতীয়জন যুৱকে কলে, "মই ভাবো, পানী অবিহনে মাটি আৰু শস্য একোৱে ব্যৱহাৰ নহয় । সকলোৱে পানীৰ ওপৰতে নিৰ্ভৰশীল । সেয়েহে তপস্বীয়ে মোক এই মহামূল্যবান বস্তু বিধ দি মোকেই উপযুক্ত বুলি বিবেচনা কৰিছে ।"

তৃতীয়জন যুৱকে সম্পূৰ্ণ অন্য ভাবে বুজালে । তেওঁ কলে, "মাটি আৰু পানী শস্য জন্ম হোৱাৰ এটা আধাৰ হে । প্ৰধান কথা হ'ল শস্যহে । ইয়াক উৎপাদন কৰিবলৈ মানুহে দেহে-কেহে কাম কৰে । সেই শস্যই তপস্বীয়ে মোক দিছে । তাৰমানে তপস্বীয়ে ইয়াকে বুজাব বিচাৰিছে, মইহে সদাগৰৰ কন্যাক বিয়া কৰোৱাৰ উপযুক্ত ।"

তিনিও যুৱকৰে কথা শুনি ৰজা খুব চিন্তাত পৰিছিল । তেওঁৰ মতে তিনিওজন যুৱকৰে কথাত যুক্তি আছে । শেষত ৰজাৰ



মনত এটা বুদ্ধি খেলালে, মন্ত্ৰী পদৰ বাবে যি দুজন ব্যক্তি আছে তেওঁলোকৰ জ্ঞান আৰু বুদ্ধিৰ পৰীক্ষা লোৱাৰ এইটোৱে উপযুক্ত সুযোগ ।

ভাগ্যক্ৰমে, মণিভদ্ৰ আৰু বিশ্ববন্ধু সেই সময়ত ৰাজসভাতে উপস্থিত আছিল ।

ৰজাই বিশ্ববন্ধুৰ ফালে চাই সুধিলে, "তোমাৰ মতামত কি ?"

মই ভাবো এই তিনিটাৰ ভিতৰত পানীয়েই হ'ল সকলোতকৈ গুৰুত্বপূৰ্ণ বস্তু । মাটি আৰু শস্য এই দুয়াৰে বাবে পানীৰ আৱশ্যক । পানী নোহোৱাকৈ কোনো বস্তু জীয়াই থাকিব নোৱাৰে ।" বিশ্ববন্ধুয়ে নিজৰ মতামত প্ৰকাশ কৰি কৈছিল ।

তেতিয়া ৰজাই মণিভদ্ৰৰ ফালে চাই সুধিলে, "এই বিষয়ে তোমাৰ মতামত কি?"

"মহাৰাজ, মই মতামত দিয়াৰ আগতে বস্তুকেইবিধ ভালদৰে পৰীক্ষা কৰি চাব লাগিব ।" মণিভদ্ৰই ৰজাক কৈছিল । তাৰপাছত তেওঁ পানীখিনি খাই চালে, মাটিখিনি শুঙি চালে আৰু শস্যখিনিৰ ওপৰেৰে হাতখন বুলাই চালে ।

এই খিনি কৰি উঠি মণিভদ্ৰই কৈছিল, "মহাৰাজ, তপস্বীয়ে যিজনৰ হাতত মাটিৰ পাত্ৰটো দিছিল তেওঁক উপযুক্ত বুলি বিবেচনা কৰিছিল ।"

কিন্তু ইয়েও ৰজাৰ সমস্যা সমাধান কৰিব নোৱাৰিলে । ইয়াৰ ভিতৰত কোনটো শুদ্ধ আছিল ? ৰজাৰ অনুৰোধ মৰ্মে পিছদিনাখন তপস্বী নিজেই ৰাজসভাত উপস্থিত হৈছিল। তপস্বীয়ে এটা হাঁহি মাৰি কৈছিল, আচল ৰত্ন অতি বিৰল । হে মহাৰাজ ! আপোনাৰ ৰাজসভাতে সেই ৰত্ন এটা আছে । গতিকে আপোনাৰ নিজৰ আৰু ৰাজ্যৰ হিতৰ বাবে তেওঁক বাচি উলিয়াওক !"

ৰজা মাৰ্ত্তণ্ডদেৱে তেওঁৰ ফালে এবাৰ চাই কথাটো বুজিব পাৰিছিল । তাৰপাছত ৰজাই হাস্যবদনে মন্ত্ৰীৰ নাম ঘোষণা কৰিছিল ।

বেতালে কাহিনী সমাপ্ত কৰি ৰজা বিক্ৰমাদিত্যৰ ফালে চাইছিল । "হে ৰাজন ! তপস্বীয়ে সদায় সাঁথৰেৰে কথা বতৰা কয় ! ৰজাই বাৰু কাক মন্ত্ৰী হিচাবে নিৰ্বাচিত কৰিছিল আৰু কিয় কৰিছিল ? তপস্বীয়ে ৰজাক সাঁথৰেৰে কি বুজাব খুজিছিল ! তুমি ইয়াৰ উত্তৰ জানিও যদি মৌন হৈ থাকা তেতিয়াহলে তোমাৰ মূৰটো টুকুৰা টুকুৰ হৈ যাব ।"

তেতিয়া ৰজা বিক্ৰমাদিত্যই কৈছিল, "ৰজা মাৰ্ত্তণ্ডদেৱ নিজেই এজন জ্ঞানী লোক

আছিল । প্ৰথমে যেতিয়া তপস্বীয়ে কাকনো উপযুক্ত বুলি বিবেচনা কৰিছে বুলি ৰজাই যুৱক তিনিজনক সুধিছিল, তেওঁলোকে আত্মপক্ষ সমৰ্থন কৰি দিয়া মন্তব্য শুনি ৰজাই দোমোজাত পৰিছিল । ইয়াৰ পিছত ৰজাই অতি বিবেচনাৰে সৈতে মন্ত্ৰীৰবাবে থকা প্ৰাৰ্থী দুজনলৈ এই বিষয়টো নিস্পত্তিৰ বাবে পঠাইছিল । ইয়াৰ দ্বাৰা প্ৰাৰ্থীদুজনৰো বিচাৰ বুদ্ধিৰ পৰিচয় পোৱা যাব । যেতিয়া তেওঁলোকে দিয়া মতামত কোনটোনো শুদ্ধ হব এই সিদ্ধান্ত কৰিব পৰা নাছিল, ৰজাই তেতিয়া তপস্বীজনকে ৰাজসভালৈ মাতি পঠাইছিল ।

তেওঁৰ বিশ্বাস আছিল, তপস্বীজনে যিজনকে সদাগৰৰ জীয়েকৰ বাবে উপযুক্ত পাত্ৰ বুলি কব তাৰ দ্বাৰা মন্ত্ৰীৰ বাবে উপযুক্ত প্ৰাৰ্থীজনকো নিৰ্বাচিত কৰিব পৰা যাব । তপস্বীয়ে তেওঁৰ সেই স্বভাৱ সুলভ সাঁথৰেৰেই কথাখিনি কৈছিল । কিন্তু এইবাৰ ৰজাই তপস্বীৰ কথা বুজিব পাৰিছিল । যেতিয়া তপস্বীয়ে ভাল ৰত্নৰ কথা কৈছিল তেতিয়া ৰজাই বুজিব পাৰিছিল তেওঁ মণিভদ্ৰৰ কথাই কৈছে, কিয়নো তেওঁৰ নামৰ অৰ্থই হ'ল ভাল ৰত্ন । সেয়েহে ৰজাই মণিভদ্ৰকে তেওঁৰ মন্ত্ৰী পাতিছিল ।

ৰাজসভাত উপস্থিত থকা সকলোৰে যুৱক তিনিজন আৰু তেওঁলোকে হাতত লোৱা পাত্ৰকেইটৰ ফালে চাই আছিল । কিন্তু পাত্ৰকেইটাত থকা বস্তুখিনি মণিভদ্ৰৰ বাহিৰে কোনেও পৰীক্ষা কৰি ছোৱা নাছিল । ওপৰে ওপৰে চালে দেখা যায়. তিনিওবিধ বস্তুৰে সমান আৱশ্যকতা আছে, যেনেদৰে তিনিওজন যুৱকে দেখাত সমানে উপযুক্ত । কিন্তু যেতিয়া মণিভদ্ৰই ভালদৰে পৰীক্ষা কৰি চাইছিল তেতিয়া তেওঁ দেখিছিল পানী আৰু শস্যখিনি সিমান ভাল নাছিল । পানীখিনি আছিল দূষিত আৰু শস্যখিনিত বহুতো পতান আছিল ।

আনহাতে মাটিখিনি আছিল পৰিষ্কাৰ আৰু সুগন্ধ যুক্ত । সেইটোকে প্ৰমাণ হিচাবে লৈ মণিভদ্ৰই আত্মবিশ্বাসেৰে সৈতে মন্তব্য কৰিছিল । গতিকে তেওঁক মন্ত্ৰীপতাতো ৰজাৰ সঠিক সিদ্ধান্তই আছিল ।"

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতালে শটোৰে সৈতে অদৃশ্য হৈ গ'ল আৰু গছৰ ডালত গৈ ওলমি থাকিল ।

ভাৰতৰ
উৎসৱ পাৰ্বণ

বৰদিন

ডিচেম্বৰ মাহ আহিলেই 'জিঙ্গল বেল...' গীতৰ মধুৰ সুৰ বতাহত ভাহি আহে । ডিচেম্বৰ মাহত হোৱা খৃষ্টমাচৰ কথা ভাবিলেই সান্তা ক্লজ, উপহাৰ, ৰেনডিয়েৰ, শ্লেজ গাড়ী আৰু কেকৰ কথা মনলৈ আহে ।

২৫ ডিচেম্বৰৰ দিনটো গোটেই বিশ্বজুৰি এক বিশেষ দিন । সেইদিনা খৃষ্টান ধৰ্মৰ পবৰ্ত্তক যীশুখৃষ্টৰ জন্ম দিনটো বৰদিন উৎসৱ হিচাবে পালন কৰা হয় ।

বৰদ্দিন হৈছে মঙ্গল কামনা কৰা এটা উৎসৱ । এইটো আনন্দ উৎসৱৰ সময় । ভাৰতবৰ্ষত সকলোবোৰ খৃষ্টান মানুহে তেওঁলোকৰ আঞ্চলিক ৰীতি-নীতি আৰু পৰম্পৰা অনুসৰি এই উৎসৱ পালন কৰে।

উৎসৱৰ সময়ত ঘৰবোৰ আলোকেৰে সজ্জিত কৰা হয় । মানুহৰ ঘৰত আৰু দোকানবোৰত তৰা, বেলুন আৰু ৰংচঙীয়া ফেষ্টুনেৰে খৃষ্টমাচ ট্ৰি সজাই ৰখা হয় । কিছুমানে আকৌ পুতলাৰে যীশুখৃষ্টৰ জন্মৰ দৃশ্যটো প্ৰদৰ্শন কৰি দেখুৱাই ।

প্ৰতি ঘৰৰ সম্মুখতে এটা ডাঙৰ ৰংচঙীয়া তৰা ওলমাই ৰখা হয় । গাওঁ আৰু সৰু চহৰবোৰত কোনটো ঘৰৰ তৰা আতাইতকৈ ওখত আছে এই লৈ প্ৰতিযোগিতা পতা হয়। ভাৰতৰ দক্ষিণ অঞ্চলত, তাৰ মানুহে ফলা বাঁহৰ দ্বাৰা লেম্পশ্বেড তৈয়াৰ কৰি তাত বাল্ব লগাই দিয়ে আৰু সেইবোৰ ঘৰৰ পদূলিত ওলমাই ৰাখে ।

বৰদিনৰ আৰম্ভনিতে কেৰল গায়ক-সকলে প্ৰতি ঘৰে ঘৰে গৈ কেৰল গীত গায় ফুৰে ।

বৰদিনৰ আগদিনাখন মাজ নিশা সমূহীয়া প্ৰাৰ্থনা কৰে । প্ৰাৰ্থনাৰ পিছত মানুহবোৰে বন্ধু বান্ধৱ বা আত্মীয়ৰ ঘৰলৈ গৈ উপহাৰ বিতৰণ কৰে । তাৰ পাছত দুপৰীয়া সমূহীয়া ভোজ ভাতেৰে এই উৎসৱ পালন সম্পূৰ্ণ কৰে । সুস্বাদু খৃষ্টমাচ কেক নাথাকিলে বৰদিন উৎসৱ পালন অসম্পূৰ্ণ হৈ ৰয় । পৰম্পৰাগতভাবে এই কেক বিভিন্ন ফল আৰু অন্যান্য সামগ্ৰীৰে ঘৰতে তৈয়াৰ কৰা হয় ।

খৃষ্টমাচ ট্ৰি এডাল বনোৱা

আঃ হাঃ ! বছৰৰ আতাইতকৈ পবিত্ৰ আৰু আনন্দৰ দিনটো আহি পালে । এইটো সময় মনে প্ৰাণে, হাঁহি আনন্দেৰে উৎসৱ পালনৰ সময় । এই বৰদিনৰ উৎসৱত তুমি নিজে তৈয়াৰ কৰা এডাল খৃষ্টমাচ ট্ৰিৰে তোমাৰ ঘৰটো সজাব পাৰা । এইডাল তৈয়াৰ কৰিবলৈ তোমাক এখন কেচি আৰু এটা আঠাৰ বটল লগিব । ইয়াতে দিয়া নিৰ্দেশনা মনোযোগেৰে পঢ়িবা ।

১. এই পৃষ্ঠাটো কাৰ্ড বোৰ্ড এখনত আঠা মাৰি লোৱা আৰু ছবিবোৰ বেলেগ বেলেগ কৈ কাটি উলিয়া য
২. Aগছডালৰ তলফালটো আৰু Bগছডালৰ ওপৰফালটো মাজেৰে ফালি দিয়া ।
৩. Aগছৰ কাট আউটটো A গছৰ কাট আউটৰ মাজত সোমাই দিয়া ।
৪. গছৰডালৰ ওপৰত এটা তৰা লগাই দিয়া ।
৫. তোমাৰ ইচ্ছামতে গছডালত কেণ্ডি ষ্টিক আৰু ৰঙীন বলবোৰ লগাই দিয়া । সেইবোৰ লগাই দিবলৈ আঠা ব্যৱহাৰ কৰিবা ।

কি বঢ়িয়া ! সেইডালেই ৰংচঙীয়া খৃষ্টমাচ ট্ৰি নহয় নে ? এতিয়া সেইডাল তোমাৰ ড্ৰইংৰুমৰ শ্বকেছত সোমাই থোৱা ।

ঈদ-উল-ফিটৰ



'ঈদ মুবাৰক' -এই শব্দ দুটা সাধাৰণতে ঈদ-উল-ফিটৰ উপলক্ষ্যে শুভেচ্ছা জনোৱাৰ ক্ষেত্ৰত শুনা যায় । মুছলমান সকলৰ উৎসৱবোৰৰ ভিতৰত ৰমজানৰ ঈদেই হ'ল সকলোতকৈ বৈশিষ্ট্যপূৰ্ণ । এই উৎসৱ মুছলমানৰ ৰমজান মাহৰ শেষৰ ফালে হয় । পবিত্ৰ ৰমজান মাহত নতুন জোন দেখাৰ পিছত ঈদ পালন কৰা হয় । এই বছৰত ১৭ ডিচেম্বৰৰ দিনাখন ঈদ পালন কৰা হব ।

এই গোটেই মাহটোতে মুছলমানসকলে দিনত উপবাসে থাকে । তেওঁলোকে সূৰ্য্য উঠাৰ আগতে খাই লয় আৰু সূৰ্য্য অস্ত যোৱাৰ পিচত উপবাস ভাঙে । তেওঁলোকে দিনত একোকে নাখায়, আনকি পানীও নাখায় ।

আঙীৰ দিনাখন বন্ধু-বান্ধৱ আত্মীয় স্বজনে ইজনে সিজনক শুভেচ্ছা জনায় । গোটেই সম্প্ৰদায়ে সেইদিনা একেলগে নামাজ পঢ়ে । যিহেতু সেইদিনা নামাজ পঢ়াৰ সংখ্যা বেচি, সেয়েহে মুকলি ঠাইত তেওঁলোকে একেলগে নামাজ পঢ়ে ।

কাজীয়ে ঈদৰ প্ৰাৰ্থনা পৰিচালনা কৰে । প্ৰাৰ্থনাৰ শেষত তেওঁ ধৰ্মোপদেশ মূলক বক্তৃতা দিয়ে । ভোজ ভাত খোৱা আৰু বন্ধু বান্ধবৰ ঘৰলৈ যোৱা সেই দিনাৰ দিনটোৰ এটা প্ৰধান কাম ।

ঈদ উপলক্ষ্যে সেইদিনা মুছলমানসকলে দুখীয়া লোকক ভিক্ষা দিয়ে । সাধাৰণতে ফিটৰ বা ভিক্ষা হিচাবে শস্য, খেজুৰ অথবা আঙ্গুৰ দিয়া হয় । প্ৰত্যেক মুছলমানে প্ৰাৰ্থনা কৰিবলৈ যোৱাৰ আগতে ভিক্ষা দিয়ে ।

মুছলমানৰ চিয়া সম্প্ৰদায়ে ৰামজান মাহৰ একৈশ আৰু বাইশ তাৰিখে শোক দিবস পালন কৰে । তেওঁলোকে প্ৰফেট মহম্মদৰ জোৱায়েক আলিৰ মৃত্যু উপলক্ষ্যে শোক প্ৰকাশ কৰে ।

মুছলমানসকলে বিশ্বাস কৰে, এই মাহটোতে পবিত্ৰ কোৰাণ বেহেস্তৰ পৰা নামি আহিছিল । এইটো কোৱা হয় যে, এই পবিত্ৰ মাহৰ শেষৰ দহ দিনৰ অযুগ্ম নিশাবোৰত কোৰাণৰ কথা প্ৰকাশ কৰা হৈছিল ।

এই দিনবোৰ লাইলুট-উল-কাদাৰ, 'শক্তিৰ ৰাতি' হিচাবে পালন কৰা হয় । এইটোও বিশ্বাস কৰা হয় যে, কেৱল আল্লা আৰু প্ৰফেটেহে পবিত্ৰ কোৰাণ ব্যক্ত কৰণৰ সঠিক দিন আৰু সময়ৰ কথা জানিছিল ।

কার্তিকই

তামিলনাডুত পোহৰৰ উৎসৱ কাৰ্তিকই পালন কৰা হয় । এই উৎসৱ তামিল কাৰ্তিকই মাহত অনুষ্ঠিত হয় । সেই সময়ত উত্তৰ ভাৰতত কাৰ্তিক মাহ পৰে আৰু অসমত পৰে কাতি মাহ । এই বছৰত এই উৎসৱটো ৩০ নৱেম্বৰত পৰিছে । এই উৎসৱ তিনিদিন ধৰি পালন কৰা হয় ।

এই উৎসৱ পঞ্চভূতৰ গৰাকী ভগবান শিৱৰ আৰাধনাৰ বাবে পালন কৰা হয় । শিৱই তামিলনাডুৰ পাঁচখন ঠাইত পাঁচটা অৱস্থাত নিজে উদ্ভব হৈছিল ।

তিৰুভান্নমালাইৰ অৰুণাচল মন্দিৰত শিৱই পঞ্চভূতৰ এটা ভূত, অগ্নিৰূপে প্ৰকট হৈছে । প্ৰতিবছৰে কাৰ্তিকই মাহত যেতিয়া ভৰণি নক্ষত্ৰ ওলায়, সেই সময়ত এই মন্দিৰ চহৰৰ পাহাৰৰ ওপৰত চাকি জ্বলোৱা হয় ।

এই উৎসৱক বৰ্ষা কালৰ সমাপ্তিৰ চিন বুলিও কোৱা হয় ।

কাৰ্তিকই মাহৰ প্ৰথম দিনৰ পৰা তিৰোতাসকলে পদূলিত সৰু মাটিৰ চাকি জ্বলায় । প্ৰধান উৎসৱৰ দিনা, যিদিনা তিৰুভান্নামালাইৰ পাহাৰৰ চূড়াত মূখ্য চাকিগছি জ্বলোৱা হয়, সেইদিনা তামিলনাডুৰ প্ৰতি ঘৰে ঘৰে বিশেষ পূজা কৰা হয় । মানুহবোৰে গোটেই ঘৰতে আৰু পদূলিমূৰত শাৰী শাৰীকে সৰু মাটিৰ চাকি জ্বলায় ।

উৎসৱৰ দিনা ৰাতিপুৱা প্ৰতি ঘৰে ঘৰে চাউলৰ গুড়ি, তালৰ গুড় আৰু ঘিউৰে সৰু সৰু চাকি তৈয়াৰ কৰে । সেই চাকিবোৰ পৰিয়ালে প্ৰতিদিন পূজা কৰা থাপনাত জ্বলোৱা হয় আৰু শিৱৰ স্তুতিগীত গাই পৰম্পৰাগত ভাবে শিৱক পূজা কৰা হয় । সেইদিনাখন ল'ৰা ছোৱালীবোৰে ফটকা মাৰি ৰংধেমালি কৰে ।

দয়াৰ পুৰস্কাৰ

বহুদিন আগতে মহাৰাষ্ট্ৰৰ খেড়গাওঁ নামৰ এখন সৰু গাঁৱত সন্দীপ নামৰ এজন অন্ধ ল'ৰা আছিল। ল'ৰাজন বৰ নম্ৰ আছিল। পিতাকৰ বাহিৰে তাক সকলোৱে ভাল পাইছিল। "তোক খুৱাই-বুৱাই ডাঙৰ কৰাৰ লাভ কি, কনা ল'ৰা কৰবাৰ।" পিতাকে গালিপাৰি তাক কৈছিল। "তই কি কাম কৰিব পাৰ ? তই ঘৰৰ পৰা ওলাই গৈ বাট ঘাটে খুজি মাগি খালে মই বেচি ভাল পাম।" এইবুলি কৈ পিতাকে তাক সৰুতে ঘৰৰ পৰা বাহিৰ কৰি দিছিল।

গতিতে সন্দীপে এই বিশাল পৃথিৱীত নিজৰ জীৱনৰ পথ বিচাৰি ঘৰৰ পৰা ওলাই গৈছিল। তাৰ লগত মাত্ৰ গৈছিল মতি নামৰ তাৰ বিশ্বাসী কুকুৰটো। সন্দীপ আৰু কুকুৰটো, দুয়ো দুয়োকে খুব ভাল পাইছিল। এইদৰে পাঁচ বছৰ পাৰ হৈ গৈছিল। সন্দীপ আৰু কুকুৰটোৱে ঘৰৰ পৰা বহুদূৰ আহি পাইছিল। সিহঁতে ৰাস্তাত গান গাই গাই জীৱন ধাৰণৰ বাবে পইচা সংগ্ৰহ কৰিছিল।

এদিন গোটেই দিনটো গৰমত ঘূৰি ঘূৰি সন্ধিয়া সময়ত মতি আৰু সন্দীপে মন্দিৰৰ চিৰি এটাত শুই আছিল। সন্দীপৰ ইমান ভাগৰ লাগিছিল আনকি মাগি পোৱা আহাৰখিনিও তাৰ খোৱা ইচ্ছা যোৱা নাছিল। "মতি, আমি অলপ জিৰণী লও আহা। এইদৰে ঘূৰি ঘূৰি মোৰ খুব ভাগৰ লাগিছে। মই যিদৰে বিচাৰো সেইদৰে পোৱা হলে জীৱনটোৱে বেলেগ হলহেতেন।" সন্দীপে খুব দুখেৰে কৈছিল। মতিয়ে তাৰ গৰাকীৰ দুখ বুজিব পাৰি তাৰফালে সহানুভূতিৰে চাই আছিল। সন্দীপে কুকুৰটোক সাবতি ধৰি শুই আছিল।

টোপনিতে সন্দীপে এটা আচৰিত সপোন দেখিলে। এজনী ধুনীয়া পৰী তেওঁৰ ওচৰলৈ আহি কৈছিল, "সন্দীপ, সন্দীপ, তুমি মোক দেখা পাইছানে ?" সেই কণমানি ল'ৰাটোৱে টোপনিতে এটা দীঘল হুমুনিয়াহ কাঢ়ি কৈছিল, "হে কণমানি পৰী, মই তোমাক কেনেকৈ দেখিম, মই যে অন্ধ ?"

পৰীয়ে তেতিয়া এটা মিচিকিয়া হাঁহি মাৰি কৈছিল, সন্দীপ, তুমি দুখ নকৰিবা। মই চেষ্টা কৰি চাও বাৰু তোমাক কিবা সহায় কৰিব পাৰোনে। তুমি একোটা ভাল কাম কৰিলে প্ৰতিবাৰতে তোমাৰ চকুলৈ অলপ পোহৰ আহিব আৰু তুমি

অলপ দেখা পাবা । কিন্তু মনত ৰাখিবা, তুমি যদি কিবা বেয়া কাম কৰা প্ৰতিবাৰে তোমাৰ চকুৰ উজ্জলতা কমি যাব আৰু আগতকৈও তুমি বেচিকৈ দেখা নোপোৱা হবা ।”

এইবুলি কৈ পৰীজনী অদৃশ্য হৈ গৈছিল আৰু সন্দীপেও হঠাতে সাৰ পাই উঠি বহিছিল । তাৰ মনটো খুব ভাল লাগিছিল আৰু মতিকো আগতকৈ বেচি আনন্দিত যেন দেখা গৈছিল । “মতি, আহা আমি কিবা খাওঁ আহা।”

পিছদিনা ৰাতিপুৱাটো আছিল সন্দীপৰ বাবে এক উজ্জল দিন । ইয়ে যেন তাৰ বাবে এক নতুন বাতৰি বহন কৰি আনিছিল । সপোনত দেখা পৰীজনীৰ কথা মনত পৰাত তাৰ মনত এক আশাৰ সঞ্চাৰ হৈছিল । মই এই ধুনীয়া পৃথিবীখন দেখা পাম,’ সন্দীপে মনতে ভাবিছিল ! সিহঁত-দুয়ো আকৌ যাত্ৰা আৰম্ভ কৰিছিল । বাটতে সিহঁতে ভিক্ষা কৰি থকা কণা বুঢ়া এটাৰ ওচৰেৰে পাৰ হৈ গৈছিল । “এই দুখীয়া অন্ধ বুঢ়াক অলপ সহায় কৰা ।” অন্ধ বুঢ়াটোৱে এইবুলি চিঞৰি আছিল ।

“মইয়ো এজন দুৰ্ভগীয়া অন্ধ ।” সন্দীপে সহানুভূতিৰে সৈতে উত্তৰ দিছিল ।

তুমি অন্ততঃ মোৰ দৰে খোৰা আৰু বুঢ়া নহয় । মোতকৈ তোমাৰ বয়স বহুত কম ।” অন্ধ বুঢ়াজনে কৈছিল । এই কথা শুনি সন্দীপে মোনাৰ পৰা তৎক্ষণাত এটা এটকাৰ মুদ্ৰা উলিয়াই বুঢ়াজনক দিছিল । তেতিয়া বুঢ়াই তাক আশীৰ্বাদ দিছিল । সন্দীপে হঠাতে তাৰ চকুত এক উজ্জল জ্যোতিয়ে চাটমাৰি ধৰা যেন অনুভব কৰিছিল । সি তৎক্ষণাত চকুদুটা জপাই দিছিল আৰু যেতিয়া চকুমেলি চাইছিল সি অলপ পোহৰ পোহৰ যেন অনুভব কৰিছিল ।

“মতি, সপোনৰ কথাটো সঁচাকৈ ফলিয়ালে ! মই এটা ভাল কাম কৰা বাবে মই এতিয়া অলপ দেখা পোৱা যেন লাগিছে ।” সন্দীপে আনন্দতে চিঞৰি উঠিছিল । মতিয়েও তাৰ চাৰিওফালে ঘূৰি ঘূৰি ভুকিব ধৰিছিল ।

সেইদিনা ৰাতি সিহঁত দুয়ো এজনী মগনীয়া বুঢ়ী লগ পাইছিল । তাই খোৱা বস্তু মাগি আছিল। তাইৰ প্ৰতি দয়া উপজি সন্দীপে সিহঁতে খাবলৈ অনা ৰুটিৰ টুকুৰা এটা বুঢ়ীক দিছিল । বুঢ়ীয়েও সন্দীপক আশিৰ্বাদ দিছিল । হঠাতে সন্দীপৰ চকুদুটা পোহৰেৰে চাটমাৰি ধৰা যেন আকৌ অনুভব কৰিছিল । সি আনন্দতে চিঞৰি উঠিছিল। “আজি ৰাতি জোনটোয়ে পোহৰ দিছেনে ? সন্দীপে বুঢ়ীক সুধিছিল । বুঢ়ীয়ে যেতিয়া কৈছিল আজি পূৰ্ণিমাৰ ৰাতি বুলি, সি আনন্দৰ হাঁহি এটা মাৰিছিল । মই জোনটো দেখা পোৱা যেন লাগিছে ।” সি নিজকে নিজে কৈছিল ।

পিছদিনা ৰাতিপুৱা সন্দীপ আৰু মতিয়ে



কৰিলো । কুকুৰাজনী যিহেতু আমাৰ নহয় আমি বেচিব নালাগিছিল । আহা, আমি সেইটো ঘূৰাই আনো ।" সন্দীপে খুব দুখ কৰি কৈছিল । তাৰপিছত সিহঁতে কুকুৰাজনী ধৰি অনা ঠাইখনলৈ গৈছিল । তালৈ সিহঁতে গৈ এজন মানুহক সুধিছিল কাৰোবাৰ কুকুৰা এজনী হেৰাইছে নেকি ।

মানুহজনে কৈছিল, "হয়, মোৰ সৰু ভাইটোৰ কুকুৰা এজনী হেৰাইছে । সি বৰ দুখ কৰি আছে। সি বৰ দুখীয়া মানুহ ....।" মানুহজনে কথাখিনি সম্পূৰ্ণ কৰাৰ আগতে সন্দীপে মোনাৰ পৰা কেইটামান টকা উলিয়াই কৈছিল, "মোৰ কুকুৰটোয়ে ৰাতিপুৱা কুকুৰাএজনী ধৰিছিল । সেইটো বিক্ৰী কৰি মই এই টকাখিনি পাইছিলো । দয়াকৰি এইখিনি আপোনাৰ ভায়েকক দিব ।" এইবুলি কৈ সি যাবলৈ ওলাইছিল । হঠাতে তাৰ চকুদুটা পোহৰে চাটমাৰি ধৰা যেন অনুভৱ কৰিছিল । সন্দীপৰ মুখত এক আনন্দৰ হাঁহি বিৰিঙি উঠিছিল ।

যেতিয়া সাৰপাইছিল সিহঁতৰ খুব ভোক লাগিছিল, কাৰণ আগদিনা ৰাতি সিহঁতে একো খোৱা নাছিল । "মতি আহা আমি আমাৰ আহাৰৰ সন্ধান কৰো আহা । দুয়ো এটা গাঁৱৰ ৰাস্তাৰে গৈ আছিল । হঠাতে এজনী কুকুৰা সিহঁতৰ সম্মুখেৰে পাৰ হৈ যোৱাত মতিয়ে কুকুৰাজনী থাপ মাৰি ধৰিছিল । মতিয়ে কুকুৰাজনী ধৰি অনা বাবে সন্দীপে খুব ভাল পাইছিল । আঃ কি ভাগ্য আমাৰ । মতি, আমি কুকুৰাজনী বজাৰত বিক্ৰি কৰি যি টকা পাম তাৰে আমি আমাৰ খোৱা বস্তু কিনিব পাৰিম ।" এইবুলি সিহঁতে বজাৰলৈ গৈ কুকুৰাজনী বজাৰত বিক্ৰী কৰি সেই টকাৰে খোৱা বস্তু কিনিছিল ।

সন্দীপ আৰু কুকুৰটোৱে খুব আনন্দেৰে খোৱা বস্তুখিনি খাইছিল । কিন্তু সন্দীপে অনুভৱ কৰিছিল, এটুকুৰা ক'লা ডাৱৰে তাৰ চকুদুটা যেন ঢাকি ধৰিছে । "মতি, মতি, মই আকৌ অন্ধকাৰ যেন দেখিছো ।" আমি এটা খুব বেয়া কাম

যোৱা কেইসপ্তাহমানৰ ভিতৰত সন্দীপে কিছুমান ভাল কাম কৰাত তাৰ চকুৰ উজ্জলতা বাঢ়ি গৈছিল । সি এতিয়া দিন ৰাতি ধৰিব পৰা হৈছে আৰু অস্পষ্টভাৱে কিছুমান বস্তু চিনিব পাৰে । এদিনাখন সি কুকুৰটোৰে সৈতে নদীৰ পাৰলৈ গৈছিল । সি কুকুৰটোৰ মূৰত হাত বুলাই বুলাই কৈছিল, "মতি, মই চকুদুটাৰে অলপ দেখা পোৱা হৈছো । তুমিয়ে মোৰ বিপদৰ বন্ধু । তুমি মোক নেৰিবা ।" হঠাতে নদীৰ মাজৰ পৰা এটা চিঞৰ শুনা গৈছিল "মোক ৰক্ষা কৰা, মই পানীত ডুবিলো ।" এজন মানুহে সহায়ৰ বাবে

চিঞৰি উঠিছিল । সন্দীপে কি কৰিব একো ভাবি পোৱা নাছিল । এজন কণা ল'ৰাই পানীত ডুবা মানুহ এটাক কেনেকৈ ৰক্ষা কৰিব ? তৎক্ষণাত তাৰ মতিৰ কথা মনত পৰিছিল । মতিয়ে ভালদৰে সাঁতুৰিব পাৰে । কিন্তু মতিয়েও যদি পানীত ডুবি যায় ? তাৰ মনত সেইটোও চিন্তা হৈছিল । মানুহজনে আকৌ সহায়ৰ বাবে চিঞৰিছিল "মোক ৰক্ষা কৰা ।" এইবাৰ সন্দীপে একো নভবাকৈয়ে কৈছিল, "মতি, যোৱা, মানুহজনক ৰক্ষা কৰা ।" মতিয়ে তৎক্ষণাত পানীত জাপমাৰি পৰিছিল ।

অৱশেষত সি নদীৰ পাৰত মানুহৰ মাত শুনিছিল । সন্দীপে মানুহজনৰ ওচৰলৈ গৈ সুধিছিল, "তুমি ভালে আছা নে ? মোৰ কুকুৰটো ক'ত ?"

"আঃ ! কি কম ! কুকুৰটোয়ে মোক ৰক্ষা কৰিলে, কিন্তু মই কুকুৰটোক ৰক্ষা কৰিব নোৱাৰিলো ।" মানহজনে অতি দুখেৰে কৈছিল ।

এই কথা শুনি সন্দীপে বিলাপ কৰি কৈছিল, "মতি, হে মোৰ বন্ধু ! তুমি নাথাকিলে মই কেনেকৈ চলা ফুৰা কৰিম।"

তেতিয়া মানুহজনে সন্দীপক সাবতি ধৰি কৈছিল, "ডেকা ল'ৰা, দুখ নকৰিবা। তোমাৰ পিতাৰাই তোমাকে আকৌ এটা ভাল কুকুৰ কিনি দিব ।"

"নাই, কেতিয়াও নিদিয়ে!" সন্দীপে কৈছিল।

"মই কণা বাবে পিতাই মোক পাঁচ বছৰ বয়সতে ঘৰৰ পৰা বাহিৰ কৰি দিছে ।"

এই কথা শুনি মানুহজনে এটা হুমুনিয়া কাঢ়িছিল । "তুমি সন্দীপনেকি বাৰু ?" মানুহজনে সুধিছিল ।

সন্দীপে মানুহজনৰ ওচৰলৈ গৈ ভালদৰে চাইছিল । সেইজন তাৰ পিতাক আছিল । শেষত কৰা এই মহাত্বপূৰ্ণ কামটোৰ বাবে সি পিতাকক ভালদৰে দেখা পাইছিল । তাৰ অন্ধত্ব সম্পূৰ্ণভাবে দূৰ হৈছিল । পিতাকে সন্দীপৰ মুখলৈ অনুশোচনা ভৰা দৃষ্টিৰে চাই কৈছিল -- "বাচা, মই খুব দুঃখিত । মোক ক্ষমা কৰিবা । তুমি ঘৰলৈ বলা । তোমাৰ দৃষ্টিশক্তি ঘূৰাই আনিবলৈ মই চেষ্টা কৰিম । সন্দীপে যেতিয়া তেওঁৰ ফালে চাই থকা দেখিছিল তেতিয়া তেওঁ

আচৰিত হৈ সুধিছিল, "এইটো কেনেকৈ সম্ভব হ'ল ?" তেতিয়া সন্দীপে পিতাকৰ আগত গোটেই ঘটনাটোৰ কথা সম্পূৰ্ণভাবে বিবৰি কৈছিল । তাৰপাছত দুয়ো লাহে লাহে ঘৰৰ ফালে আগবাঢ়ি গৈছিল ।

সন্দীপে পিছত মিনি নামৰ কুকুৰ এটা পুহিছিল যদিও সি মতিৰ কথা পাহৰিব পৰা নাছিল । কাৰণ মতিৰ কাৰণেই সি চকুৰ দৃষ্টি ঘূৰাই পাইছিল !

ৰসিক ব্যক্তি --গোপাল ভাড়

গোপাল ভাড় আছিল ৰজা কৃষ্ণচন্দ্ৰৰ ৰাজসভাৰ এজন কৌতুক সভাসদ । এদিনাখন ৰজাই মন মাৰি বহি থকা দেখি ইয়াৰ কাৰণ সোধাত ৰজাই কৈছিল, "গোপাল, নকবা আৰু, নবাবেই ইয়াৰ কাৰণ ।" গোপালে তৎক্ষনাত কৈছিল, "মোকনো নকয় কিয়? কিজানি কিবা সহায় কৰিব পাৰোঁয়ে ।"

"নবাবে মোক পৃথিবীখন এমূৰৰ পৰা আনটো মূৰলৈ জোখাৰ কথা কৈছে, লগতে তৰাবোৰো গণনা কৰাৰ কথা কৈছে ।" ৰজাই কৈছিল। "আপোনাৰ গোপালৰ কাৰণে একোয়ে় অসম্ভব নহয়।" গোপালে ৰজাক কৈছিল । "আপুনি নবাবক একলাখ টকা দিবলৈ কওক আৰু এই কামৰ কাৰণে এবছৰ সময় লাগিব বুলি কওক ।"



ৰজা কৃষ্ণচন্দ্ৰই এই কথাটো নবাবক কৈছিল গৈ । তেতিয়া নবাবে কৈছিল -"এক লাখ টকা বাৰু ঠিক আছে । কিন্তু এই কামটোৰ বাবে কিয় এবছৰ সময় লাগে ?" "চাহেনছাহ, আমি দিনে ৰাতিয়ে পৃথিবীখন জুখিব পাৰিম, কিন্তু তৰাবোৰ ৰাতিহে ওলায়, সেইবোৰ ৰাতিহে গণনা কৰিব লাগিব ।" ৰজাই কৈছিল ।

গোপালে ৰজাৰ মুখত হাঁহি দেখিছিল । "ইয়াতে একলাখ টকা আছে লোৱা । কিন্তু তুমি সঁচাকৈয়ে এবছৰৰ ভিতৰত কামটো কৰিব পাৰিবানে ? ৰজাই গোপালক সুধিছিল । "আপুনি চিন্তা নকৰিব মহাৰাজ, মই এবছৰৰ পিছত উভতি আহিম ।" গোপালে আশ্বাস দি কৈছিল ।



গোপালে এটা বছৰ আনন্দ কৰিয়ে কটাই দিছিল । তেওঁ ৰাজ সভাত উপস্থিত নথকা বাবে সকলো আচৰিত হৈছিল । "অ' সেই কথা ? ৰজাই মোক এটা বিশেষ কাম দিছে । সেইটো শেষ নোহোৱালৈকে মই ৰাজসভাত উপস্থিত থাকিব নালাগে ।" গোপালে কৈছিল ।



এবছৰ শেষ হোৱাত গোপালে ৰজাৰ ওচৰলৈ গৈ কৈছিল, "মহাৰাজ, মোৰ কাম শেষ হৈছে ।" "তুমি পৃথিৱীখন জুখিলানে আৰু তৰাবোৰ গণনা কৰিলানে?" ৰজাই অবিশ্বাস্য ভাবে সুধিছিল । "হয় মহাৰাজ, এতিয়া নবাবৰ ওচৰলৈ যাওঁ বলক ।" গোপালে কৈছিল ।

নবাবৰ ওচৰলৈ তেওঁলোকে এক শোভাযাত্ৰা কৰি গৈছিল । প্ৰথমতে ৰজাৰ পাল্কি, তাৰ পিছে পিছে গোপাল ভাড়ে খোজকাঢ়ি গৈছিল । তাৰ পিছে পিছে দহখন গৰুৰ গাড়ীত দহ গাড়ী সৰু সূতা আৰু দহটা নোমাল ভেড়াছাগলি লৈ গৈছিল ।



"এইজন গোপালভাড়, এওঁৱেই মোৰ হকে কামটো কৰিছে ।" ৰজাই গোপাল ভাড়ক চিনাকি কৰি দি কৈছিল । "ভাল কথা । এতিয়া মোক হিচাপটো দিয়া ।" নবাবে কৈছিল । "কি হিচাপ ?" গোপালে সাধাৰণভাবে সুধিছিল ।" এই গাড়ীবোৰত থকা সূতাবোৰ লগলগালে যিমান দীঘল হব পৃথিবীৰ পৰিধিও সিমান হব আৰু এই ভেড়াকেইটাৰ যিমান নোম আছে আকাশতো তৰা সিমানে আছে ।" গোপালৰ কথা শুনি নবাব আৰু ৰজা কৃষ্ণচন্দ্ৰ অবাক হৈ গৈছিল ।

ভাৰতীয় ক্লাচিকেল নৃত্য

বিস্ময়জনক মণিপুৰী নৃত্য

ৰত্নাৰ নগৰ (মণি-ৰত্ন, পুৰ-নগৰ) মণিপুৰত নৃত্য হ'ল জীৱনৰ এটা পথ। কথিত আছে, বহুদিন আগতে এই ৰাজ্যখনত গন্ধৰ্বসকলে বাস কৰিছিল। মণিপুৰীসকলৰ নৃত্যৰ প্ৰতি ভালপোৱা সম্ভবত তেওঁলোকৰ সেই গন্ধৰ্ব পূৰ্বপুৰুষসকলৰ পৰাই গঢ়ি উঠিছে । উত্তৰ পূব ভাৰতৰ এই ধুনীয়া ৰাজ্যখনৰ নৃত্যশৈলী ৰাজ্যখনৰ দৰেই অতি মনোৰম আৰু লাস্যময়ী ।

মণিপুৰী নৃত্যত চীন-দেশীয় নৃত্যৰ প্ৰভাব থকা দেখা যায় । ৭০০ খৃষ্টাব্দত চীনা সকলে এই উপত্যকাটো আক্ৰমণ কৰিছিল । তাত তেওঁলোকে বসবাস কৰি স্থানীয় লোকৰ লগত বিবাহ পাশত আবদ্ধ হৈ এক নতুন জাতিৰ জন্ম দিছিল । সেয়া হ'ল ইণ্ডো-মঙ্গোলীয় ।

মণিপুৰী নৃত্যশৈলী যদিও অতি পুৰণি, কুৰি শতিকাৰ প্ৰথম ভাগৰ ফালে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰেহে দেশৰ অন্যান্য অঞ্চলৰ মানুহৰ মাজত ইয়াক জনপ্ৰিয় কৰি তুলিছিল । কবিজনাই ১৯২০ চনত মাচ্ছিমপুৰত এই নৃত্য দেখি মণিপুৰী নৃত্যৰ প্ৰতি আকৰ্ষিত হৈছিল । সেয়েহে তেওঁ

শান্তিনিকেতনত প্ৰতিষ্ঠা কৰা সুকুমাৰ কলা বিদ্যালয়ত এই নৃত্যশৈলী শিকাবৰ বাবে তালিকভুক্ত কৰিছিল । লোকনৃত্য, ক্লাচিকেল অথবা আধুনিক যিয়ে নহওক কিয়, মণিপুৰী নৃত্যৰ সকলোবোৰ শৈলীয়ে ধৰ্ম সম্পৰ্কীয় । মণিপুৰৰ আতাইতকৈ জনপ্ৰিয় নৃত্য হ'ল ৰাস নৃত্য । ইয়াত ৰাধা কৃষ্ণৰ প্ৰেমৰ কাহিনী দেখুৱা হয় ।

মণিপুৰী নৃত্য মাথোঁ এজনেই পৰিবেশন কৰাতে সীমাবদ্ধ নহয় । ইয়াৰ ভিতৰত দলীয় নৃত্যও আছে । সেইবোৰ সাধাৰণতে দৌল যাত্ৰাৰ দৰে স্থানীয় উৎসৱবোৰত পৰিবেশন কৰা হয় । এই নৃত্যবোৰত ল'ৰা ছোৱালী উভয়ে অংশ গ্ৰহণ কৰে ।

ৰাখাউল নৃত্যত এদল ল'ৰাই অংশ গ্ৰহণ কৰে । এই নৃত্যত কৃষ্ণ আৰু তেওঁৰ লগৰীয়াসকলৰ কাৰ্য্যকলাপ দেখুৱা হয় । ইয়াৰ ৰংচঙীয়া পোচাক আৰু সুন্দৰ ভঙ্গীমাই নৃত্যটো অধিক মনোমোহা কৰি তোলে । লাই-হাৰাওবা নৃত্যত খাম্বা-থৈবিৰ প্ৰেমৰ চিত্ৰ অভিনয় কৰি দেখুৱা হয় । এইটো লাইলা-মজনু আৰু হীৰ-ৰন্‌ঝাৰ দৰে এটা প্ৰেমৰ কাহিনী ।

মণিপুৰী নৃত্য, বিশেষকৈ পুৰুষে যিবোৰ নৃত্য পৰিবেশন কৰে সেইবোৰ খৰ গতিৰ । ইয়াক থিয় হৈ আৰু কেতিয়াবা বহিও পৰিবেশন কৰে । নৃত্য শিল্পীসকলে খোল অথবা ঢোলৰ চেৱৰ লগত তাল মিলাই পদ সঞ্চালন কৰে ।

নৃত্যবোৰ সাধাৰণতে সুমধুৰ গীতৰ লগত পৰিবেশন কৰা হয় । এই নৃত্যৰ লগত সঙ্গত কৰা বাদ্যবোৰ হ'ল - কৰতাল, খোল আৰু পেনা নামৰ একতাৰাৰ দৰে তাঁৰ থকা এবিধ বাদ্যযন্ত্ৰ । এই নৃত্যত সুৰ, তাল আৰু লয়ৰ ভিন্নতা দেখা যায় । কেতিয়াবা খুব লাহে লাহে আৰু কেতিয়াবা খুব খৰকৈ দেখুৱা হয় আৰু কেতিয়াবা খুব লাহে লাহে আৰম্ভ কৰি একেবাৰে খৰ গতিত শেষ কৰে । মণিপুৰী ল'ৰাবোৰে কেতিয়াবা খোল আৰু কৰতাল লৈও নৃত্য পৰিবেশন কৰে ।

ওঁৰাও জনজাতিৰ লোক কথা

ওৰাওঁসকলৰ গৃহভূমি

ওৰাওঁসকল মধ্য ভাৰতত বসবাস কৰি থকা এক আদিম জনজাতি। এই জনজাতিৰ লোকসকলে বিহাৰ, মধ্যপ্ৰদেশ, চত্তিসগড়, ঝাৰখণ্ড, উৰিষ্যা আৰু মহাৰাষ্ট্ৰৰ বিভিন্ন অঞ্চলত বাস কৰে। কথিত আছে ওৰাওঁসকলে আদিতে দক্ষিণৰ কঙ্কন উপকূলত বাস কৰিছিল। হাজাৰ হাজাৰ বছৰ আগতে তেওঁলোকৰ জনসংখ্যা বাঢ়ি যোৱাত তেওঁলোকে ক্ৰমে উত্তৰৰ ফালে আহে।

ওৰাওঁসকলক দ্ৰাবিড় জাতিৰে এক প্ৰধান অংশ বুলি বিবেচনা কৰা হয়।

বিচাৰক শিয়াল

ওৰাওঁ যুৱক, জীতুয়ে যেতিয়া হাবিৰ মাজৰ অকোৱা পকোৱা বাটেৰে নদীৰ পাৰলৈ বুলি গৈ আছিল তেতিয়া তেওঁ আনন্দতে সুহুৰি মাৰিছিল। তেওঁ নদীটোৰ সিপাৰে বস্তিত থকা শহুৰেকৰ ঘৰলৈ গৈ আছিল। তেওঁ ইতিমধ্যে তেওঁৰ পত্নী কৰ্মী আৰু পুত্ৰক তালৈকে আগতে পঠাইছিল। এতিয়া তেওঁ খুলশালীয়েকৰ সন্তানৰ ছহথি উৎসৱলৈ বুলি অকলে গৈ আছে। তেওঁ খোজকাঢ়ি গৈ থাকোতে ইফালে সিফালে চাই গৈছিল আৰু হঠাতে এটা বৰ ডাঙৰ কাছই লাহে লাহে খোজকাঢ়ি গৈ থকা দেখিবলৈ পাইছিল।



'আঃ.....কি নোদোকা কাছ,' এইবুলি কৈ অলপো পলম নকৰাকৈ তেওঁ কাছটো থাপ মাৰি ধৰিছিল। বহুত চেষ্টা কৰি জীতুয়ে কাছটো তুলি লৈছিল। এইটো এতিয়া ভাল কামতে লাগিব। 'এতিয়া মই আৰু সুদা হাতে যাব নালাগে, এইটোৰে মই উপহাৰ হিচাবে দিব পাৰিম,' জীতুয়ে মনতে ভাবিছিল। তেওঁ অতি সোনকালে গৈ নদীৰ পাৰ পাইছিল। ইয়াতে তেওঁলোকৰ ওৰাওঁ বস্তিটো শেষ হৈছে। এই বস্তিটোৰ চাৰিওফালে ধুনীয়া সৰ্ণ গছ আছে। তেওঁ আগবাঢ়ি যোৱাৰ আগতে সৰ্ণবুঢ়ীক প্ৰণাম কৰিছিল।

যেতিয়া তেওঁ নদীৰ পাৰত গৈ উপস্থিত হৈছিল, নদীটো দেখি তেওঁৰ মূৰৰ আগে জীউ গৈছিল। কাৰণ, নদীটো ফেনে ফোটোকাৰে বাঢ়িছিল। তাৰ পানীবোৰ পাৰলৈকে ওফন্দি উঠিছিল। 'এতিয়া মই নদীৰ সিপাৰলৈ কেনেকৈ যাম,' জীতুয়ে মনতে ভাবিছিল।

নদীটো বেচি গভীৰ নাছিল। সাধাৰণতে মানুহে নদীটো নামিয়ে পাৰ হৈ যায়। সেয়েহে তাত কোনো নাৱৰ ব্যৱস্থা নাছিল। হঠাতে তেওঁৰ মনত এটা বুদ্ধি খেলাইছিল। তেওঁ কঢ়িয়াই অনা কাছটোৰ ফালে এবাৰ চাইছিল। কাছটোৱেও তেওঁৰ ফালে এক ঘৃণাৰ দৃষ্টিৰে চাইছিল।

জীতুয়ে বন্ধুত্বপূৰ্ণভাবে কাছটোক কৈছিল, "হে বন্ধু, তুমি মোক নদীৰ সিটো পাৰলৈ লৈ যাব পাৰিবানে? নদীটোৰ পানী ইমান বাঢ়িছে, সেইটো মই খোজকাঢ়ি পাৰ হব নোৱাৰিম।"

কাছটোৱে জীতুৰ কথাত এক নৰম সুৰ শুনিবলৈ পাইছিল। 'এই মানুহবোৰে কেতিয়া যে ৰং বদলাই! ইহঁতক বিশ্বাস কৰিব নোৱাৰি। যিহওক, মই পলোৱাৰ এক সুযোগ পাইছো! মই তেওঁৰ লগত এটা চুক্তি কৰাই ভাল হব।' কাছটোৱে ভাবিছিল।

তেওঁলোকৰ ভাষা

তেওঁলোকে কুৰুখ নামৰ ভাষাত কথা কয়। কিন্তু বছৰ বছৰ জুৰি তেওঁলোকৰ মাজত আৰ্য্য আৰু দ্ৰাবিড় গোষ্ঠীৰ পৰা অহা বহুতো উপভাষাৰ উদ্ভব হৈছে। আজি কালি তেওঁলোকে সাদ্ৰি নামৰ এটা ভাষাত কথা কয়।

"ঠিক আছে বন্ধু, কিন্তু ইয়াৰ পৰিবৰ্তে তুমি মোৰ আগত প্ৰতিজ্ঞা কৰিব লাগিব।" কাছটোৱে কৈছিল। "তুমি নদীৰ সিটো পাৰ পোৱাৰ লগে লগে মোক এৰি দিব লাগিব।" এইবুলি কৈ কাছটোৱে জীতুৰ ফালে চাই আছিল। নদীটো পাৰ হোৱাৰ আৰু অন্য উপায় নথকাত জীতুয়ে কাছৰ কথাত সন্মত হৈছিল।

"তোমাৰ নিচিনা ক্ষুদ্ৰ প্ৰাণী এটাক মই কি কৰিম বুলি ভাবা," কোনো সন্দেহৰ চিন নৰখাকৈ জীতুয়ে কথাখিনি কৈছিল। "আমি গৈ



ওৰাওঁ মানুহবিলাক

এই জনজাতিৰ মানুহবোৰ মধ্যম ধৰণৰ ওখ, ক'লা বৰণৰ আৰু মূৰটো সৰু। তেওঁলোকৰ নাকটো বহল আৰু শৰীৰ গঠন সবল সুঠাম । মহিলা সকলৰ মুখৰ গঢ় জোঙা আৰু দেহটো লাস্যময়ী বাবে নৃত্য কৰি থকাৰ সময়ত ধুনীয়া দেখি ।

যেতিয়া নদীৰ সিটো পাৰ পাম তুমি তোমাৰ পথে যাবা, মই মোৰ পথে যাম ।"

জীতুৰ উত্তৰত সন্তুষ্ট হৈ কাছটোৱে নদীত নামি গৈ পিঠি পাতি দিছিল আৰু জীতুয়ে কাছৰ পিঠিত উঠি নদীটো পাৰ হৈছিল । অতি সোনকালে নদীটো পাৰ হৈ জীতুয়ে পাৰত ভৰি দিছিল । তাক পাৰত থৈ কাছটোৱে পানীৰ মাজলৈ যোৱাৰ ফালে জীতুয়ে একেথৰে চাই আছিল । 'মই এদিন ইয়াৰ মঙহৰ সোৱাদ লমেই,' জীতুয়ে মনতে থিৰ কৰিছিল ।

শহুৰেকৰ ঘৰলৈ গৈ জীতুৰ ভালেই লাগিছিল । তেওঁলোকৰ উৎসৱ উপলক্ষে ৰন্ধা ভোজত তেওঁৰ ভাললগা আহাৰেই খাবলৈ পাইছিল । লোন, জলকীয়াৰে সৈতে বহুতো ভজা মাছ আছিল আৰু গেলনে গেলনে হাৰীয়া আৰু মহুৱা আছিল । জীতু আৰু আত্মীয় স্বজনে গোটেই নিশা গান গাই আৰু নৃত্য কৰিয়ে কটাইছিল । তেওঁ মন্দাৰ আৰু লোহতি নাগেৰা সুন্দৰকৈ বজাইছিল । নাগৰি মিত্তিৰে স্নান কৰি উঠি কৰ্মী আৰু অন্যান্য তিৰোতাবোৰে অলঙ্কাৰ পিন্ধাত তেওঁলোকক সুন্দৰ দেখা গৈছিল ।

তাৰ পিছদিনাই জীতুহঁত ঘৰলৈ উভতিব খুজিছিল । তেওঁৰ পত্নী আৰু পুত্ৰ আৰু কেইদিনমান তাত থাকিব খোজাত জীতুয়ে অকলেই ঘৰলৈ উভতি আহিছিল । যেতিয়া তেওঁ খোজকাঢ়ি আহি নদীৰ পাৰ পাইছিল, তেওঁ আনন্দতে তেওঁৰ ভাল লগা গীতটো ডাঙৰ ডাঙৰকৈ গাইছিল ।

"গ্ৰীষ্ম কালত হাবিখন পুৰি যায় / তেতিয়া সকলো চৰায়ে হাবি এৰি গুচি যায় ।

আহাৰ মাহত বৰষুণ আহে / গছৰ ডালবোৰ আকৌ ঠন ধৰি উঠে ।

তেতিয়া চৰাইবোৰে আকৌ হাবিখনলৈ উভতি আহে ।"

যেতিয়া তেওঁ আহি নদীৰ পাৰ পাইছিল তেতিয়াও নদীৰ পানী কমা নাছিল । তেতিয়া নদীৰ সোঁত বৰ কোবাল আছিল । সৌভাগ্যবশতঃ জীতুয়ে সেই কাছটোকে দেখা পাইছিল, যিটোৱে তেওঁক নদী পাৰ কৰি দিছিল।

'আঃ ! কি আচৰিত !' তাৰ মনত আনন্দ লাগিছিল । "পৃথিবীখন অতি সৰু, সেয়েহে আমি বাৰে বাৰে লগ হব পাৰিছো, নহয় নে বাৰু ?" জীতুয়ে কাছটোক কৈছিল ।

কাছটোৱে হঠাতে ভয় খাই উঠিছিল, কিন্তু সি পলাই নগৈ কোনেনো মাতিছে তেওঁৰ ফালে ঘূৰি চাইছিল ।

"দৰাচলতে হয়"। কাছটোৱে সৰুকৈ উত্তৰ



দিছিল । "মই আশা কৰো এইবাৰো তুমি মোক নদীটো পাৰ কৰি দিবা," জীতুয়ে কাছটোক কৈছিল । কাছটোৱেও কোনো দ্বিধা নকৰাকৈয়ে জীতুৰ কথাত সন্মত হৈছিল । নদীটো পাৰ হোৱাৰ সময়ত দুয়ো কোনো কথা বতৰা কোৱা নাছিল । যেতিয়া তেওঁলোক গৈ নদীৰ মাজভাগ পাইছিল তেতিয়া কাছটোৱে মৌনতা ভঙ্গ কৰি কৈছিল -

"তুমি কি ভাবি আছা ?" জীতুক সুধিছিল ।

এতিয়াও ওৰাওঁসকলে বিশ্বাস কৰে যে, নদী পাৰ হোৱাৰ সময়ত মিছা কথা কব 'নাপায়, যদি সেই সময়ত কোনোবাই মছা কথা কয় তেতিয়া তেওঁ নদীত ডুবি মৰে । সেয়ে জীতুয়ে সঁচা কথা কব লগা হৈছিল । "মই ভাবি আছিলো মই তোমাক ঘৰলৈ লৈ গৈ খাম । কাৰণ, মই তোমাক এৰি দিম বুলি কথা দিয়া নাছিলো," জীতুয়ে কৈছিল ।

"তুমি সেইদৰে কোৱাতো সচাঁকৈয়ে অতি দুৰ্ভাগ্যজনক । তোমাৰ অভিপ্ৰায়ৰ কথা মই আগতে অনুমান কৰিব পাৰিছিলো । মই কি ভাবিছো তুমি বাৰু জানিব বিচৰা নাইনে ?" কাছটোৱে সুধিছিল ।

"কি ভাবিছা নো ?" জীতুয়ে সুধিছিল ।

"মই তোমাক নদীত ডুবাই দিব খুজিছো । মইতো তোমাক নিৰাপদে সিপাৰত থৈ অহাৰ কথা কোৱা নাছিলো । কৈছিলো নেকি বাৰু ?" কাছটোৱে প্ৰত্যুত্তৰ দিছিল ।

জীতুয়ে ভয় খাই চিঞৰি কৈছিল, "নাই, নাই, সেইটো নকৰিবা ! তোমাক কাবৌ কৰিছো।

"কিয় নকৰিম ? তোমাৰ এইটো প্ৰাপ্য । কাৰণ, তুমি মোৰ অনিষ্ট কৰিব বিচাৰিছিলা ।" কাছটোৱে কৈছিল ।

ঠিক সেই সময়তে জীতুয়ে নদীৰ পাৰত এটা শিয়াল শুই থকা দেখিবলৈ পাইছিল ।

তেওঁলোকৰ জীৱিকা

ওৰাওঁসকল প্ৰধানভাবে কৃষিজীৱী । তেওঁলোকে বেমাৰ আদি ভাল কৰাৰ বিষয়ে বা কাৰোবাৰ অনিষ্ট কৰিবলৈ গাছ-গছনি আৰু জন্তু আদিৰ ব্যৱহাৰৰ বিষয়ে ভালদৰে জানে । চিকাৰ তেওঁলোকৰ অন্য এক প্ৰধান বৃত্তি । কিছুমানলোকে কৃষি আৰু চিকাৰ দুয়োটা বৃত্তিকে কৰে ।

"ঠিক আছে, তাৰ আগতে আমি সেই শিয়ালটোক সুধি চাও আহা, তুমি মোক নদীত ডুবাই দিয়াতো উচিত হব নে নহয়," জীতুৱে কাছটোক কৈছিল । কাছটোৱে তেওঁক পলাবৰ কোনো সুযোগ নিদিয়াকৈ পানীত ডুবাই দিব বুলি



জীতুৱে ভয় খাইছিল ।

"ঠিক আছে বাৰু । তুমি মোক খাব পাৰা নে নোৱাৰা সেইটোও সুধিম ?" কাছটোৱে কৈছিল ।

সিহঁতদুটাই নদীৰ মাজত তৰ্কবিতৰ্ক কৰি থকা শুনিবলৈ পাই শিয়ালটোৱে সিহঁত দুয়োৰে ফালে ঘূৰি চাইছিল ।

"হেৰা জ্ঞানীজন !" জীতু আৰু কাছটোৱে একেলগে শিয়ালটোক মাতিছিল । শিয়ালটোৱে কানদুখন থিয় কৰি দি সিহঁতেনো কি কব বিচাৰিছে তাকে শুনাৰ চেষ্টা কৰিছিল । কিন্তু সি কোনো শব্দই বুজিব পৰা নাছিল । জীতুৱে কলিজা ফাটি যোৱাকৈ চিঞৰিছিল যদিও শিয়ালটোৱে ভাও জুৰি কৈছিল যে সি একো কথা শুনা নাই ।

"মই একো শুনা নাই । অলপ ডাঙৰকৈ কোৱাচোন ।" শিয়ালটোৱে কৈছিল । তেতিয়া কাছটোৱে তেওঁলোকৰ বিবাদৰ কাৰণটোৰ কথা বৰ্ণনা কৰি কৈছিল ।

"নাই, নাই ! ইমান দূৰৰ পৰা কলে একো বুজিব নোৱাৰিম । মোৰ ওচৰলৈ আহি

ওৰাওঁসকলৰ জনবিশ্বাস

অন্য জনজাতিৰ লোকৰ দৰে ওৰাওঁসকলেও ভূত, টোটেম, পূজা পাতাল আৰু অন্ধবিশ্বাস মানি চলে । তাৰে কিছুমান জনবিশ্বাস হ'ল :-

* যদি এজন চিকাৰীয়ে কইনা এজনী ঘৰলৈ লৈ অহা সপোন দেখে তেতিয়া তেওঁ এজনী হৰিণা চিকাৰ কৰিবলৈ সক্ষম হয় । যদি সি এটা জন্তু বধ কৰা সপোন দেখে তেতিয়া তাৰ নিজৰে মৃত্যু হয় ।

* যদি এজন চিকাৰীৰ কাষেৰে এজনী

তিৰোতাই খালি কলহ লৈ যায় সেইটো অতি অমঙ্গলসূচক বুলি ধৰা হয় । কিন্তু যদি কোনোবা তিৰোতাই পানীৰে পূৰ্ণ কলহ এটা লৈ যায় সেইটো শুভ বুলি বিবেচনা কৰা হয় ।

* যদি এডাল শৰে শিয়ালৰ গাত বিন্ধে অথবা যদি কোনো তিৰোতাই শৰডালৰ ওপৰত ভৰি দিয়ে তেতিয়া সেই শৰডাল একো কামৰ নহয় বুলি বিবেচনা কৰা হয় ।

কোৱাচোন তোমালোকৰ কি সমস্যা হৈছে ।” শিয়ালটোৱে কৈছিল । কাছটোৱে বেগাই সাতুৰি আহিছিল আৰু কবলৈ চেষ্টা কৰিছিল । শিয়ালটোৱে কৈছিল আৰু ওচৰলৈ আহি কোৱা। শেষত কাছটোৱে আহি একেবাৰে নদীৰ পাৰ পাইছিল । তেতিয়া জীতুয়ে তেওঁলোকৰ কাজিয়াৰ কথা বুজাই কব বিচাৰিছিল ।

“মূৰ্খ কৰবাৰ, জাঁপমাৰি পাৰত উঠা,” শিয়ালে জীতুক চিঞৰি কৈছিল । জীতুয়ে তেতিয়া জাঁপ মাৰি পাৰত উঠিছিল আৰু নিৰাপদে পাৰ পোৱাত খুব আনন্দিত হৈছিল ।

“তুমি আকৌ কি শুনি আছা, মূৰ্খৰ দৰে ? তোমাক ধৰাৰ আগত তুমি নদীৰ মাজলৈ সাঁতুৰি যোৱা !”

শিয়ালে কাছটোক চিঞৰি কৈছিল । কাছটোৱে তৎক্ষণাত নদীৰ মাজলৈ সাঁতুৰি গৈছিল । জ্ঞানী শিয়ালটোৱে নদীৰ পাৰত আকৌ শুই থাকিল গৈ ।

শব্দকোষ

বস্তি : গ্ৰাম্য চুবুৰী

ছহথি : সন্তান জন্মৰ ষষ্ঠ দিনটো । সেইদিনা সন্তানটোৰ কাষত ভেলুৱা গছৰ পাত ৰখা হয় । ভেলুৱাৰ পাত স্পৰ্শ কৰিলে গা ফুলি উঠে আৰু বিষায় । ওৰাওঁ সকলে বিশ্বাস কৰে যে সৰুতে এই গছ স্পৰ্শ কৰিলে ছিটা দিয়াৰ নিছিনা হয় আৰু সংক্ৰামক ৰোগৰ পৰা ৰক্ষা পৰে ।

সৰ্ণ - শাল গছ ।

সৰ্ণ বুঢ়ীয়া - প্ৰধান দেৱী ।

হাৰিয়া - চাউলেৰে তৈয়াৰ কৰা এবিধ চোকা মদ ।

মহুৱা - মহুৱা গছৰ ফুলৰ পৰা তৈয়াৰ কৰা এবিধ মদ ।

মন্দাৰ - গছৰ টুকুৰা খুলি তৈয়াৰ কৰা এবিধ ঢোল । ইয়াৰ খোলটো মাটিৰেও তৈয়াৰ কৰা হয় ।

লোহতি নাগেৰা - আন এবিধ ঢোলৰ দৰে বাদ্য ।

নাগৰি মিত্তি - এবিধ ক'লা মাটি । ওৰাওঁসকলে ইয়াক চাবোন হিচাবে ব্যৱহাৰ কৰে । ইয়াৰে গা আৰু চুলি ধুব পাৰি ।

সিজোৱা কণী আৰু সিজোৱা বুটমাহ

দুমাহ পাৰ হৈ গ'ল । আজিজে প্ৰতিদিনে আকাশৰ ফালে আশাৰে চাই থাকে । বৰষুণ হব নে বাৰু ? এই প্ৰশ্নটো গাঁৱৰ প্ৰতিজন মানুহৰ মুখতে আছিল । যদি বৰষুণ নহয় কেনেকৈ শস্য হব । বৰুণ দেৱতাও তেওঁলোকৰ প্ৰাৰ্থনা শুনাৰ পক্ষপাতি নাছিল । সূৰ্য্যৰ প্ৰখৰ উত্তাপ বাঢ়ি গৈছিল; মাটিবোৰ নিৰস হৈ গৈছিল আৰু শস্যবোৰ শুকাই মৰহি গৈছিল । গাঁৱৰ সকলো মানুহ নিৰাশ হৈ পৰিছিল ।

সকলোতকৈ বেচি ক্ষতিগ্ৰস্ত হৈছিল বেচেৰা আজিজ । তেওঁৰ যিডৰা মাটি আছিল সেই মাটিড্ৰাও শুকাই ফাট মেলিছিল । তেওঁ ইমানেই নিৰাশ হৈছিল যে তেওঁৰ মাটিডৰা বিক্ৰী কৰি জীৱিকাৰ সন্ধানত ওলাই গৈছিল । তেওঁ তাৰপৰা যোৱাৰ আগতে গাঁৱৰে মিৰছান্দ্ মহাজনৰ পৰা একডজন সিজোৱা কণী বাকীকৈ লৈ গৈছিল । সেই কণীখিনি লৈ বিমৰ্ষভাবে গাঁৱৰ পৰা ওলাই গৈছিল ।

মহাজনে ভাবিছিল, 'বেচেৰাৰ খাবলৈকে একো নাই, হাতত এটা পইচা কড়িও নাই কেনেকৈ সি কণীৰ দাম দিব । গতিকে আজিজৰ পৰা পইচা পোৱাৰ আৰু আশা নাই । কণীকেইটাৰ কাৰণে সি অন্ততঃ দহদিনমান কষ্ট নোপোৱাকৈ জীয়াই থাকিব পাৰিব ।' ইয়াকে ভাবি তেওঁ আজিজৰ পৰা পইচা পোৱাৰ আশা এৰি দিছিল।



কিন্তু দাৰিদ্ৰতাৰ কাৰণে আজিজৰ মৃত্যু হোৱা নাছিল । তেওঁ জীয়াই আছিল । এইদৰে সাত বছৰ পাৰ হৈ গৈছিল । আজিজ যেতিয়া গাঁৱলৈ ঘূৰি আহিছিল মিৰচান্দ আৰু গাঁৱৰ অন্য মানুহে তেওঁৰ ফালে থৰ লাগি চাই আছিল । আজিজে এটা বগা ঘোঁৰত উঠি আহিছিল আৰু তেওঁৰ পিছে পিছে বহুতো ঘোঁৰাৰ গাড়ী শাৰীপাতি আহিছিল ।

আজিজে এখন মোনাত ৰূপৰ মুদ্ৰা এমোনা আৰু আনখন মোনাত সোণৰ মুদ্ৰা এমোনা লৈ আহিছিল । সেই মুদ্ৰাৰে তেওঁ গাঁৱত এটা ধুনীয়া ঘৰ বনাইছিল, কেইএকৰমান খেতিৰ মাটি কিনিছিল আৰু এখন ফলৰ বাগান কিনিছিল । গাঁৱৰ মানুহে যেন নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাছিল । তেওঁ কেনেকৈ ইমান সম্পত্তি কৰিলে ?

মিৰছান্দে কিন্তু তেওঁৰ সিদ্ধ কণী কেইটাৰ কথা পাহৰা নাছিল । এদিন তেওঁ গৈ আজিজৰ ঘৰ ওলাইছিল । ধুনীয়া পোচাক পিন্ধা এজন দাৰোৱানে দুৱাৰ খুলি দিছিল । "মই আজিজক লগ কৰিব খোজো !" মিৰছান্দে কৈছিল ।

দাৰোৱানজনে তেওঁক বাট দেখুৱাই লৈ গৈছিল । আজিজে সম্ভাষণ জনাই তেওঁক বহিবলৈ দিছিল । মিৰছান্দে কিন্তু কোনো প্ৰস্তাৱনা নকৰাকৈয়ে কৈছিল, "আজিজ, তোমাৰ কিজানি মনত আছেই, সাত বছৰ আগতে তুমি যেতিয়া এই গাওঁ এৰি গৈছিলা. সেই সময়ত মই এক ডজন কণী তোমাক বাকী

কৈ দিছিলো, নহয় নে ? তাৰ বাবে তুমি মোক এহেজাৰ সোণৰ মুদ্ৰা দিব লাগিব !"

"এক ডজন কণীৰ বাবে এহেজাৰ সোণৰ মুদ্ৰা ? তুমি ৰগৰ কৰিছা নিশ্চয় !" আজিজে আচৰিত হৈ কৈছিল । তুমি মোক কণীকেইটা বাকীকৈ দিয়া বাবে তোমাৰ ওচৰত মই সঁচাকৈয়ে কৃতজ্ঞ । মই তাৰ উচিত দাম দিবলৈ ৰাজি আছো। কিন্তু এহেজাৰ সোণৰ মুদ্ৰা খুব বেছি দাম হয় ।

"মোক এহেজাৰ সোণৰ মুদ্ৰা লাগিবই, তাতকৈ কম নকৰো ।" মিৰছান্দে দৃঢ়ভাবে কৈছিল।

আজিজে সিমানখিনি দিবলৈ নোখোজাত মিৰছান্দে আদালতত গোচৰ দিম বুলি ভাবুকি দিছিল ।

অৱশেষত মিৰছান্দে কোৱা মতে আজিজৰ বিৰুদ্ধে আদালতত গোচৰ তৰিছিল । আদালতত গোচৰৰ শুনানিৰ দিনাখন আজিজে সময়তে আদালতত উপস্থিত হোৱা নাছিল । আজিজ সময় মতে উপস্থিত নথকা বাবে মিৰছান্দে খঙতে জ্বলি আছিল । শেষত দুঘন্টা পলমকৈ আজিজ গৈ আদালতত হাজিৰ হৈছিল । আজিজক দেখিয়ে মিৰছান্দে খঙতে অগ্নিশৰ্মা হৈ কৈছিল, "ধৰ্মাৱতাৰ, এইজনে সেই মানুহজন যিয়ে মোক প্ৰাপ্যৰ পৰা বঞ্চিত কৰিছে । মই তেওঁক যি ডজন কণী ধাৰলৈ দিছিলো সেই কণীকেইটা যদি মই ৰাখিলোহেতেন তাৰপৰা সুন্দৰ পোৱালি হ'লহেতেন আৰু সেই পোৱালিবোৰ এদিন কুকুৰা হৈ বহুতো কণী পাৰিলেহেতেন আৰু মই কণীৰ ব্যৱসায় কৰিব পাৰিলোহেতেন । তেওঁৰ দুখৰ দিনত সেইকেইটা কণীৰে মই তেওঁক সহায় কৰিছিলো । কিন্তু এতিয়া তেওঁ মই কোৱামতে দাম দিবলৈ অস্বীকাৰ কৰিছে । তাতকৈও ডাঙৰ কথা, আজিৰ এই শুনানিৰ দিনাখনো তেওঁ পলমকৈ আদালতত উপস্থিত হৈছে !"

বিচাৰকেও খঙেৰে আজিজক কৈছিল, "তোমাক আনক ঠগোৱাৰ দোষত দোষী সাব্যস্ত কৰা হৈছে । তাৰোপৰি তুমি আদালতত পলমকৈ

হাজিৰ হৈ আদালতৰ কাৰ্য্যৰ পলম কৰিছা । ইয়াত তোমাৰ কিবা কবলগা আছেনে ?"

"ধৰ্মাৱতাৰ, মোৰ অহাত পলম হোৱা বাবে মোক ক্ষমা কৰিব । আচলতে মই শাক পাচলিৰ বাগানত সিজোৱা বুট ৰুই থকা বাবে আহোতে অলপ পলম হৈছিল ।" আজিজে বিনীতভাবে কৈছিল ।

"সিজোৱা বুট ? তুমি কি কব বিচাৰিছা ? বিচাৰকে সুধিছিল ।

"ধৰ্মাৱতাৰ, মোৰ ৰান্ধনিজনে আজি বুটৰ তৰকাৰী ৰান্ধিছিল । হঠাতে মই ভাবিলো তাৰে কিছুমান যদি ৰুব পৰা যায় তেতিয়াহলে তাৰ পৰা ভালেখিনি বুটমাহ পোৱা যাব ।" আজিজে বিচাৰকৰ আগত কৈছিল ।

"আজিজ, তুমি কি মুৰ্খহে ! ৰন্ধা বুটৰ পৰা কেতিয়াবা বুট গজি উঠে নেকি ? তুমি নাজানা নেকি ?" মিৰছান্দে আজিজক কৈছিল।

"কিয় নগজিব ? !"আজিজে সহজভাবে সুধিছিল । "যদি সিজোৱা কণীৰ পৰা কুকুৰা পোৱালি হব পাৰে তেতিয়াহলে ৰন্ধা তৰকাৰীৰ বুট কিয় গজিব নোৱাৰে ।

আজিজৰ উত্তৰ শুনি মিৰছান্দে অবাক হৈ চাই আছিল । বিচাৰকেও এটা হাঁহি মাৰিছিল । গোচৰত আজিজৰে জয় হৈছিল ।

সংবাদ প্ৰবাহ

বয়সঃ ১২,৫০০,০০০,০০০ বছৰ

এইটোৱে হ'ল বিশ্বব্ৰহ্মাণ্ডৰ বয়স, আৰু এইটো গোটেই বিশ্বৰ বিজ্ঞানীসকলে গ্ৰহণ কৰিছে । তুমি নিশ্চয় জানিব বিচাৰিছা তেওঁলোকে কেনেকৈ এইটো সিদ্ধান্তলৈ আহিল, নহয়নে বাৰু ? বিশ্বব্ৰহ্মাণ্ডৰ বয়স নিৰ্দ্ধাৰণ প্ৰকল্পত কাম কৰা গৱেষকসকলে অতি পুৰণি নক্ষত্ৰত থকা ইউৰেনিয়ামৰ ওপৰত গৱেষণা চলাই এইটো জানিব পাৰিছে । তেওঁলোকে ''ৰেডিঅ'এক্‌টিভ্ কচমো ক্ৰোনোমিত্ৰি'' নামৰ এক নতুন পদ্ধতিৰে এই গৱেষণা চলাইছিল । তেওঁলোকৰ মতে আগৰ পদ্ধতিবোৰতকৈ এই পদ্ধতিটো বেচি নিৰ্ভুল । তেওঁলোকে গৱেষণাৰ বাবে চি.এচ.৩১০৮২-০০১ নক্ষত্ৰটো বাচি লৈছিল । দক্ষিণ আমেৰিকাৰ চিলিৰ পাৰানেলত থকা এক দৈত্যকায় টেলিস্কোপেৰে তেওঁলোকে এইটো অধ্যয়ন কৰিছিল। তাত থকা ইউৰেনিয়ামে গৱেষক সকলক বিশ্বব্ৰহ্মাণ্ডৰ বয়স নিৰ্দ্ধাৰণ কৰাত সহায় কৰিছিল।

মঙ্গল গ্ৰহত জীৱৰ সন্ধান

হাঙ্গেৰিৰ বিজ্ঞানীসকলে দাবী কৰি কৈছে যে মঙ্গল গ্ৰহত জীৱ থকা স্পষ্ট প্ৰমাণ আছে। সেই গ্ৰহটোৰ বিভিন্ন দিশৰ পৰা লোৱা ৬০,০০০ ফটো অধ্যয়ন কৰি তেওঁলোকে এই সিদ্ধান্তত উপনিত হৈছে । তেওঁলোকে মঙ্গল গ্ৰহৰ দক্ষিণ গোলাৰ্দ্ধৰ বৰফাবৃত অঞ্চলত পৃথিবীৰ প্ৰাণীৰ লগত সাদৃশ্য থকা জীৱৰ ভৰিৰ খোজ দেখিবলৈ পাইছে ।

আমেৰিকাৰ “জন্ম”

এইটো সাধাৰণতে বিশ্বাস কৰা হয় যে, খৃষ্টোফাৰ কলম্বাচে ১৪৯২ চনত আমেৰিকাৰ চান চালভাডোৰত গৈ উপস্থিত হৈছিল। কেতিয়া আমেৰিকা নামটো ব্যৱহাৰ কৰা হৈছিল তুমি জানানে ? ১৫০৭ চনত তৈয়াৰ কৰা মেপ এখনত এই নামটো দেখা গৈছিল । ভেনপুচি নামৰ এজন অভিযাত্ৰীয়ে ১৫০১-০২ চনত এই নতুন ঠাইখন ভ্ৰমণ কৰি জানিব পাৰিছিল যে, এইখন এখন বেলেগ মহাদেশ । মাৰ্টিন মুলাৰ নামৰ কাৰ্টোগ্ৰাফাৰ এজনে এই মহাদেশখনক আমেৰিকা বুলি চিহ্নিত কৰিছিল। এই মেপখনৰ অন্য কোনো কপি নাই। আমেৰিকাৰ লাইব্ৰেৰী অফ কংগ্ৰেছে এই মেপখন ইয়াৰ আৰ্কাইভৰ কাৰণে ১০,০০০,০০০ ডলাৰেৰে কিনি ৰাখিছে।



ভাগ্য পৰীক্ষা

জাৰ্মানীৰ ফ্ৰেঙ্কফুৰ্টৰ এগৰাকী ৫০ বছৰ বয়সীয়া নিবনুৱা মহিলাক ৰুটি কিনিবলৈ দিয়া টকাৰে তেওঁ এটা লটাৰীৰ টিকট কিনিছিল । চেপ্তেম্বৰৰ ১ তাৰিখে হোৱা খেলত তেওঁ ১০,০০০,০০০ আমেৰিকান ডলাৰ মূল্যৰ জেকপট পুৰস্কাৰ লাভ কৰিছিল। তেওঁ সাধাৰণতে লটাৰীৰ টিকট নিকিনে । কিন্তু সেইদিনা তেওঁ আৰ্থিক অৱস্থাৰ তাৰণাত পৰি লঘোনে থাকিও নিজৰ ভাগ্য পৰীক্ষা কৰি চাব বিচাৰিছিল । যিসকলে পিছত তেওঁক অনুসৰণ কৰিছিল তেওঁলোকৰ বেচি আৰ্থিক দুৰাৱস্থাহে হৈছিল ।

ভাৰতৰ বিষয়ে জানিলোৱা

প্ৰশ্নাৱলী

এই মাহৰ সংখ্যাত বিভিন্ন ধৰণৰ প্ৰশ্ন দিয়া হৈছে । কিমান প্ৰশ্নৰ উত্তৰ দিব পাৰিবা চিন্তা কৰি ছোৱা ।

১. কোন তাৰিখত ভাৰতৰ এশ কোটি জনসংখ্যা পূৰ্ণ হৈছিল ?

২. বিশ্বৰ উচ্চতম শৃঙ্গটোৰ নাম এভাৰেষ্ট এইটো নেপাল-তিব্বতৰ সীমাত অৱস্থিত । ভাৰতৰ উচ্চতম শৃঙ্গটোৰ নাম কি ?

৩. পঞ্চ নদীৰ পৰা পঞ্জাৱ নামটোৰ উৎপত্তি হৈছে । সেই নদী পাঁচটা কি কি ?

৪. যোৱা বছৰ কোন তিনিখন ৰাজ্য গঠন হৈছিল ? সেই ৰাজ্য তিনিখন আৰু তাৰ ৰাজধানীৰ নাম কোৱা ?

৫. ভাৰতৰ স্বাধীনতাৰ পিছত এখন ৰাজ্যত দুজনী মহিলা মুখ্যমন্ত্ৰী হৈছিল । ৰাজ্যখনৰ নাম কি ? মুখ্যমন্ত্ৰী দুগৰাকী কোন আছিল ? **(উত্তৰ অহা মাহত)**

অক্টোবৰ মাহৰ প্ৰশ্নৰ উত্তৰ

১. ওনম উৎসৱ কেৰেলাত পালন কৰা হয় ৰজা মহাৱলী বছৰত এবাৰ তেওঁৰ ৰজ্য পৰিদৰ্শন কৰিবলৈ অহাৰ সময়ত । বিষ্ণুৰ পঞ্চম অৱতাৰ বামনে তেওঁক পাতাললৈ পঠাইছিল ।

২. দেৱালী, ১৪ নৱেম্বৰৰ দিনাখন ।

৩. বিজয়া দশমী, নৱৰাত্ৰিৰ এদিন পিছত, সেই দিনটো বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ বাবে উৎসৰ্গিত । বঙালীসকলে বসন্ত পঞ্চমীৰ দিনাখন সৰস্বতী পূজা পাতে ।

৪. ৰাখী অথবা ৰক্ষাবন্ধন আৰু ভাতৃদ্বিতীয়া ।

৫. খোৰবাদ-সাল, জৰুথুস্ত্ৰৰ জন্ম দিন ।

৬. ঈদ । ইয়াক মিলাদ-উন-নবী বুলিও কোৱা হয় ।

৭. যীশু খৃষ্টৰ মৃত্যুৰ পিছত তেওঁৰ পুনৰ আবিৰ্ভাব হিচাবে ইস্টাৰ পালন কৰা হয় ।

৮. এক বিশেষ পূৰ্ণিমাৰ ৰাতি বুদ্ধৰ জন্ম হৈছিল; সেই দিনটোতে তেওঁ মহাজ্ঞান লাভ কৰিছিল; সেই বিশেষ দিনটোতে তেওঁ নিৰ্বানো লাভ কৰিছিল ।

৯. পোঙ্গল ।

১০. সবাৰিমালাৰ আয়াপ্পা মন্দিৰ । তাত ভক্তসকলে অলপ সময়ৰ বাবে আকাশত এক জ্যোতি দেখিবলৈ পায় ।

নৱেম্বৰ মাহৰ প্ৰশ্নৰ উত্তৰ

১. ধ্ৰুব - উত্তানপাদ ৰজা

২. মাৰ্কণ্ডেয় - মৃকণ্ডু

৩. প্ৰহ্লাদ - ভগবান বিষ্ণু

৪. নচিকেতা - বজশ্ৰবা

৫. একলব্য - কৌৰ্ৱ আৰু পাণ্ডৱসকল

৬. ভৰত - ৰজা দুষ্যন্ত

ভাৰত কথা

এক মহান সভ্যতাত এভূমুকি

যুগে যুগে সত্যৰ বাবে গৌৰৱময় অনুসন্ধান

২১. সীতাক তুমি যিদৰে নাজানা

কিছুমান বিষয়ক লৈ সন্দীপৰ ৰজনজনাই যোৱা হাঁহি আৰু চামেলীৰ দৃঢ় প্ৰতিবাদ শুনি তেওঁলোকৰ ককাক অধ্যাপক দেৱনাথে আত্মতৃপ্তি লাভ কৰিছিল । সন্দীপে ইমান ডাঙৰকৈ হঁহা তেওঁ আগতে কেতিয়াও শুনা নাই । বাতৰি কাকতখন হাতত লৈ তেওঁ বাৰান্দালৈ ওলাই আহিছিল । প্ৰায় একে সময়তে তেওঁৰ বোৱাৰীয়েক জয়শ্ৰীয়েও ড্ৰইং ৰুমৰ পৰা ওলাই আহি সেইখিনি পাইছিল । "দুষ্ট কৰবাৰ ! তোমালোকৰ গন্দগোলৰ বাবে আনৰো শান্তিত ব্যাঘাত হয় !" তেওঁ ধমকিৰ সুৰত তেওঁৰ পুতেক জীয়েকক কৈছিল । জয়শ্ৰীয়ে ভাবিছিল সিহঁতে ককাকৰ বিশ্ৰামত ব্যঘাত জন্মাইছে । কিন্তু যেতিয়া তেওঁ জানিব পাৰিছিল শহুৰেকে আবেলি বিচনাৰ পৰা উঠি আহি বাতৰি কাকত পঢ়ি আছিল, তেতিয়াহে তেওঁৰ চিন্তা দূৰ হৈছিল ।

"দেউতা, আপোনাৰ চাহ কাপ আপোনাৰ কোঠালৈ লৈ আহো নেকি ?" জয়শ্ৰীয়ে সুধিছিল।

"লৈ আহা, কিন্তু প্ৰথমতে আমি সন্দীপৰ হাঁহিৰ কাৰণটো জনা উচিত নহব জানো ?" অধ্যাপক দেৱনাথে এক অৰ্থপূৰ্ণ দৃষ্টিৰে নাতিয়েকৰ ফালে চাই কথাখিনি কৈছিল ।

"ক, কা, আপুনি যদি শুনিবলৈ পায় বেইজিঙত অনুষ্ঠিত হব লগা অলিম্পিক খেলত মই ভাৰতীয় অলিম্পিক দলৰ দলপতি হিচাবে

বিশ্বাবসু

নিৰ্বাচিত হৈছো, তেতিয়া আপোনাৰ মনত কেনে লাগিব ?”

তেতিয়াহলে মই নিজকে জাতীয় মল্লযোদ্ধা চেম্পিয়ন হিচাবে ঘোষণা কৰি সেই দলত ভাগ লবও পাৰো ।” অধ্যাপক দেৱনাথে হাঁহিমাৰি উত্তৰ দিছিল ।

“তাতকৈ আপুনি চামেলীৰ দলৰ নানা চাহেব হোৱাই ভাল হব । কাৰণ, সিহঁতৰ স্কুলৰ সোণালী জয়ন্তী উপলক্ষে অনুস্থিত হব লগা নাটকত চামেলীয়ে ঝাঁছিৰ ৰাণী লক্ষ্মীবাঈৰ ভাও লৈছে । হায় ভগবান, চামেলীয়ে ঝাঁছিৰ ৰাণীৰ ভাও লৈছে ! সেই অভিমানী আৰু ভয়াতুৰ ছোৱালীজনীয়ে, তাতকৈ তাই যদি সীতাৰ ভাৱত অভিনয় কৰিলে হয় মই তাইক প্ৰশংসা কৰিলো হয় !” সন্দীপে কৈছিল ।

চামেলীয়ে বিখ্যাত ঝাঁছিৰ ৰাণীৰ ভাও দিয়াৰ যোগ্যতা সম্পৰ্কে মই কোনো মতামত দিব নিবিচাৰো । কিন্তু, তুমি জনাৰ বাবে কৈ থও লক্ষ্মীবাঈ অতি ভদ্ৰ, লাজুক আৰু এজনী সৰু ছোৱালীৰ দৰে আছিল । তথাপি, পৰিস্থিতিৰ কবলত পৰি তেওঁৱে সময়ত বৃটিছ জেনেৰেলক ঢোকে ঢোকে পানী খুৱাইছিল, লগতে দেশপ্ৰেম আৰু সাহসৰ পৰিচয় দি গৈছিল । কিন্তু সেইটো এটা বেলেগ বিষয় । আচলতে মই দুখ অনুভব কৰিছো সীতাৰ বিষয়ে তোমাৰ ধাৰণা দেখিহে। কি যুক্তিত তুমি তেওঁক ভয়াতুৰ বুলি কৈছা ?”

জয়শ্ৰীয়ে হাতত চাহৰ ট্ৰেখন লৈ বাৰন্দাত বহি থকা অধ্যাপক দেৱনাথৰ ওচৰেৰে গৈ দেৱনাথৰ কোঠাত সোমালগৈ । তেওঁৰ বাবে চাহ লৈ যোৱা দেখি অধ্যাপকেও বোৱাৰীয়েকৰ পিছে পিছে গৈ কোঠাত সোমাল । তাৰ পিছে পিছে সন্দীপ আৰু চামেলীও গ'ল ।

“দেউতা, দুৰ্ভাগ্যবশতঃ সীতাক এক নিষ্ঠুৰ পৰিস্থিতিত অসহায়া, ভয়াতুৰ আৰু লজকুৰীয়া তিৰোতা হিচাবে দেখুৱা হৈছে ।” জয়শ্ৰীয়ে মন্তব্য কৰি কলে ।

“ঠিক কৈছা, আৰু এইটোৱে সঁচা নহয়নে বাৰু ?” সন্দীপে কলে ।

“আচলতে তোমাৰ এই ধাৰণাটো কিন্তু সত্য নহয় । তুমি ইয়াতে বহা আৰু মই তোমাক কেইটামান প্ৰশ্ন সুধিম । তাৰ পাছত তুমি ইচ্ছামতে তোমাৰ মতত অটলহৈও থাকিব পাৰা অথবা ইয়াক সংশোধন কৰিবও পাৰা । আৰম্ভণিতে কব খোজো, তুমি নিশ্চয় জানাই চৈধ্য বছৰ বনবাসলৈ যাবলৈ ৰাম হে বাধ্য আছিল, সীতা নাছিল ।”

“অৱশ্যে, আমি জানো,” জয়শ্ৰীয়ে কৈছিল। সন্দীপ, চামেলী আৰু জয়শ্ৰীয়ে ইতিমধ্যে চকীত বহি লৈছিল ।

"তেতিয়াহলে সীতাক কোনে বনবাসলৈ যোৱাৰ কথা কৈছিল ? জেষ্ঠ্যসকলে বাৰে বাৰে নাযাবলৈ অনুৰোধ কৰা স্বত্বেও সীতাই বাৰু নিজে সিদ্ধান্ত লোৱা নাছিলনে ?

তেওঁ আকোঁৰগোজ হৈ নিজে বনবাসলৈ যাবলৈ স্থিৰ কৰা নাছিল নে ?"

অধ্যাপকে উত্তৰৰ আশাত অলপ সময় ৰৈছিল । কিন্তু কোনেও একো কোৱা নাছিল । জয়শ্ৰীয়েহে মাথোঁ মূল ৰামায়ণখন পঢ়িছে । সন্দীপ আৰু চামেলীক এই মহাকাব্যখনৰ সংক্ষিপ্ত সংস্কৰণখনহে তেওঁ পঢ়িবলৈ দিছে । তেওঁলোক সকলোৰে ৰামায়ণৰ কাহিনীটোৰ কথা ভালদৰে মনত আছে ।

অধ্যাপক দেৱনাথে কৈ গৈছিল, "বাচাহঁত, তোমালোকে বাৰু কাহিনীৰ ক্ৰমটোৰ কথা মনত পেলোৱাচোন আৰু নিৰপেক্ষভাবে চিন্তা কৰি চোৱাচোন । বনৰ মাজত সেইজনী সীতাই আছিল, যিয়ে সোণৰ হৰিণ বিচাৰিছিল আৰু ৰামক সোণৰ হৰিণ ধৰিবলৈ পঠাইছিল । আকৌ যেতিয়া মৃগৰূপী ৰাক্ষসটোৱে ৰামৰ মাত অনুকৰণ কৰি লক্ষ্মণক মাতিছিল তেতিয়া সীতাই লক্ষ্মণক তালৈ যাবলৈ বাধ্য কৰাইছিল । সীতাই নিজেই তেওঁলোকৰ পৰ্ণকুটীৰত অকলে আছিল। আকৌ ৰাৱণে যেতিয়া বুঢ়া ব্ৰাহ্মণৰ ভেশ ধৰি ভিক্ষা কৰিবলৈ আহিছিল তেতিয়া সীতাই লক্ষ্মণৰ কথা নুশুনি লক্ষ্মণৰেখা পাৰ হৈ ভিক্ষা দিবলৈ গৈছিল আৰু সেই সুযোগতে ৰাৱণে সীতাক হৰণ কৰিছিল । এই সকলোবোৰ ভীৰুৰ কাৰ্য্যনেকি ? তেওঁৰ নিজৰ ইচ্ছাৰ অভাব আছিল নেকি ? বৰঞ্চ, আৱশ্যকীয় সময়ত তেওঁ যিদৰে পৰিস্থিতিৰ সম্মুখীন হৈছিল এইটোয়ে তেওঁৰ আত্মবলৰ কথাকে নুসুচাইনে ?"

"হয়, মই সেই দৃষ্টিভঙ্গিৰে বিষয়টো চোৱা নাছিলো ।" জয়শ্ৰীয়ে এটা হাঁহি মাৰি কথাটো স্বীকাৰ কৰি কৈছিল ।

"অশেষ ধন্যবাদ মা, তুমি যদি বিষয়টো সেই দৃষ্টিভঙ্গিৰে নাচালাহেতেন, তেতিয়াহলে ককাই আমাক দোষ দিব পাৰিলেহেতেন নে ?" সন্দীপে কলে ।

অধ্যাপক দেৱনাথে চকুদুটা আধা মুদা কৰি কিবা ভাবি আছিল, যেন তেওঁৰ মনটোৱে কৰবাত বিচৰণ কৰি ফুৰিছিল ।

"তোমালোকে জানাই, যেতিয়া হনুমানে গৈ সীতাক লঙ্কাৰ অশোক বনত আবিষ্কাৰ কৰিছিল তেতিয়া হনুমানে সীতাক প্ৰস্তাৱ দিছিল যে তেওঁ সীতাক পিঠিত তুলি ৰামৰ ওচৰলৈ লৈ যাব । কিন্তু সাতাই এই প্ৰস্তাৱত মান্তি হোৱা নাছিল । তেওঁ যুক্তিৰে কৈছিল, "ৰাৱণে মোক যিদৰে চুৰি কৰি আনিছে ৰামৰ দূত হৈ তুমিও যদি মোক

মনে মনে ইয়াৰ পৰা লৈ যোৱা তেতিয়াহলে ৰাম আৰু ৰাৱণৰ মাজত প্ৰাৰ্থক্য থাকিল ক'ত ? ৰাম আহি ৰাৱণক পৰাজিত কৰি মোক ইয়াৰ পৰা লৈ যাব লাগিব !" এইটো বাৰু ভীৰুতাৰ চিন নেকি ? তাৰোপৰি তেওঁ হনুমানৰ সুৰক্ষাৰ কথাও চিন্তা কৰিছিল । অৱশেষত, সীতা উদ্ধাৰ হোৱাৰ পিছত সীতাই নিজেই অগ্নি পৰীক্ষাৰ কথা কৈছিল, ৰামে নহয় । এনেকুৱাই আছিল তেওঁৰ ব্যক্তিত্ব, যিটোকে শুদ্ধ বুলি ভাবিছিল তাকে কৰিছিল ।"

কিছু সময় চাৰিওজনে মৌন হৈ আছিল । চামেলীয়ে ককাকৰ হাতৰ পৰা চাহৰ খালী কাপটো লৈ কৈছিল, "ককা, ৰামায়ণৰ কাহিনীৰ শেষত সীতাই কিয় পুনৰবাৰ অগ্নি পৰীক্ষা দিবলৈ সন্মত হোৱা নাছিল, তাৰ পৰিবৰ্তে তেওঁ পাতালত প্ৰৱেশ কৰিছিল ?"

"বাচা, তুমি এটা ভাল প্ৰশ্নই কৰিছা ! তুমি চোৱা, প্ৰথমবাৰ সীতাই নিজেই অগ্নি পৰাক্ষাত অৱতীৰ্ণ হৈছিল, দ্বিতীয়বাৰ অগ্নি পৰীক্ষা দিবলৈ অইন লোকে তেওঁক উপদেশ দিছিল । এই দুয়োটাৰে মাজত পাৰ্থক্য আছে । বিভিন্ন মানুহেৰে পৰিপূৰ্ণ এখন সমাজৰ আগত তেওঁৰ সতীত্বৰ প্ৰমাণ দিবলৈ তেওঁ বাধ্য নাছিল । তেওঁ জানিছিল প্ৰজাসকলে তেওঁক বিচৰা নাই । তোমালোকে মনত কৰিব পাৰিছাই কিজানি, সীতাৰ জন্ম হৈছিল পৃথিবীৰ পৰাই । সেয়েহে তেওঁ আকৌ পৃথিবীৰ বুকুলৈ উভতি যোৱাৰ কথাই ভাবিছিল । দানৱ ৰজা ৰাৱণক বধ কৰিবৰ বাবে ৰামক প্ৰেৰণা দিবলৈকে সীতাৰ জন্ম হৈছিল । সেইমতে সীতাই ৰৱণক বধ কৰাবলৈ সক্ষম হৈছিল । সেইদৰে আজি কোনো এখন ৰাজ্যৰ ভাল শাসন বা অৱস্থাৰ কথা বুজাবলৈ ৰামৰাজ্যকে আদৰ্শ হিচাবে কোৱা হয় । বাচাহঁত, মই এটা কথা তোমালোকক জনাই থওঁ যে, ৰামায়ণৰ শেষ কান্ডটো, যাক আমি উত্তৰা কান্ড বুলি কওঁ সেইটো বাল্মিকীয়ে ৰচনা কৰা নাছিল । মূল ৰামায়ণৰ কাহিনী ৰামে অযোধ্যালৈ উভতি আহি ৰাজ্যভাৰ গ্ৰহণ কৰতে শেষ হৈছে । শেষৰ কান্ডটো কোনো অন্য কবিয়েহে তাত যোগ কৰিছিল ।" অধ্যাপক দেৱনাথে শেষত এইদৰে মন্তব্য দি কৈছিল ।



দেৱী ভাগৱত

শুকে বিয়া নকৰাও বুলি দৃঢ় সংকল্প কৰি কোৱাত ব্যাসে তেওঁক স্বৰচিত দেৱী ভাগৱত শুনালে ।

বিষ্ণুয়ে বটগছৰ পাত এটাত বালক ৰূপ ধৰি আছিল । তেওঁ ভাবিবলৈ ধৰিলে, "মই ইয়াত কিয় বালক ৰূপ ধৰি আছো ? কোনে মোক সৃষ্টি কৰিলে ? এই বিষয়ে মই কেনেকৈ জানিব পাৰিম ? তেওঁৰ এই অৱস্থা দেখি দেৱীৰ হৃদয়ত দয়া উপজিল । দেৱীয়ে তেওঁক এটা শ্লোকৰ আধা শুনাই কলে, "ইয়াতে সকলো আছে"। যদি তুমি এইটো জানিব পাৰা তেতিয়াহলে ধৰি লোৱা তুমি নিজকে বুজিব পাৰিছা ।"

বিষ্ণুয়ে এই আধা শ্লোক শুনিলে হয়, কিন্তু তাৰ অৰ্থ একো বুজি নাপালে ।

তেওঁ সেই আধা শ্লোককে মাতি যাবলৈ ধৰিলে । এনেতে মহাদেৱী বিষ্ণুৰ আগত দেখা দিলে । তেওঁৰ চাৰিওখন হাতত শঙ্খ, চক্ৰ, গদা আদি আছিল । তেওঁ ধুনীয়া স্বৰ্ণবস্ত্ৰ পিন্ধি আহিছিল । তেওঁৰ নিচিনাকৈ শক্তিবোৰেও তেওঁৰ লগত আহিছিল ।

মহাদেৱীক দেখি বিষ্ণু হতভম্ব হৈ ৰল । তেওঁৰ মুখৰ পৰা এটাও কথা নোলাল । তেতিয়া দেৱীয়ে তেওঁক কলে, "মায়াৰ কাৰণে তুমি মোক ভুলি গৈছা । এতিয়া তুমি পৰমাত্মাৰ ৰূপ, মই হলো তত্ব শক্তি । তোমাৰ নাভি কমলৰ পৰা ব্ৰহ্মাৰ জন্ম হব । ৰজোগুণী হৈ তেওঁ জীৱৰ সৃষ্টি কৰিব । সেই সৃষ্টিত তোমাৰ শাসন চলিব। সেই ব্ৰহ্মাদেৱৰ চেলাউৰিৰ মাজৰ পৰা ক্ৰোধৰ কাৰণে ৰুদ্ৰৰ জন্ম হব । জন্মৰ পাছত ৰুদ্ৰই ঘোৰ তপস্যা কৰিব । ফলস্বৰূপে তেওঁ সগুণী হব । প্ৰলয় কালত ব্ৰহ্মাৰ দ্বাৰা সৃষ্টি কৰা সংসাৰ তেওঁ বিনাশ কৰিব । মোৰ সহায়তা লাভ কৰিহে তুমি ব্ৰহ্মাণ্ডখন পালন-পোষন



শুনাৰ পিছত সূতক অনুৰোধ কৰি কলে যে, তেওঁ দেৱী ভাগৱতৰ কথা শুনাব লাগে। তেতিয়া সূতে এইদৰে কাহিনী আৰম্ভ কৰিলে।

কোশল দেশৰ ৰাজধানী আছিল অযোধ্যা নগৰ। ধ্ৰুবসন্ধি নামৰ এজন ৰজাই এই দেশত ৰাজত্ব কৰিছিল। তেওঁৰ মনোৰমা আৰু লীলাৱতী নামৰ দুগৰাকী ৰাণী আছিল। তেওঁলোক দুয়োৰে দুজন পুত্ৰ আছিল। মনোৰমাৰ পুত্ৰৰ নাম আছিল সুদৰ্শন আৰু লীলাৱতীৰ পুত্ৰৰ নাম আছিল শত্ৰুজিত। এবাৰ ধ্ৰুবসন্ধিয়ে চিকাৰলৈ যাওঁতে এটা সিংহই তেওঁক আক্ৰমণ কৰিছিল। সিংহ আৰু ৰজা দুয়োৰে মাজত ঘোৰ যুদ্ধ লাগে আৰু শেষত দুয়োৰে মৃত্যু হয়।

মনোৰমাৰ পিতৃ বীৰসেন কলিঙ্গ দেশৰ ৰজা আছিল। জোৱায়েকৰ মৃত্যুৰ বাতৰি পাই বীৰসেনে জীয়েক আৰু নাতিয়েকক দেখা কৰিবলৈ কোশল দেশলৈ আহিল। সেইদৰে শত্ৰুজিতৰ ককাক যুধাজিত্তও উজ্জয়িনীৰ পৰা সেই দেশলৈ আহে।

এতিয়া সুদৰ্শন নে শত্ৰুজিত ৰজা হব? এই লৈ দুয়োৰে মাকৰ মাজত ভিন্ন ভিন্ন অভিপ্ৰায় আছিল। ইয়াকে লৈ দুয়োৰে মাজত শত্ৰুভাব বাঢ়ি যায়। শেষত কথা ইমানলৈ গল যে যুধাজিত্তই বীৰসেনক বধ কৰিলে।

মনোৰমাই বালক সুদৰ্শনক লগত লৈ ভৰদ্বাজ মুনিৰ আশ্ৰমত গৈ উপস্থিত হ'ল। ভৰদ্বাজে মাক পুতেক দুয়োকে আশ্ৰয় দি শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰিলে। মুনিয়ে সুদৰ্শনক বিদ্যা শিক্ষা দিয়ে। সুদৰ্শন ডাঙৰ হোৱাত মহাদেৱীয়ে এদিন সুদৰ্শনক সপোনত দেখা দি অস্ত্ৰ বিদ্যা প্ৰদান কৰে।

কাশী ৰাজ সুবাহুৰ শশীকলা নামৰ এজনী কন্যা আছিল। তেওঁ অতি সুন্দৰী আছিল।

কৰিব পাৰিবা। সেয়েহে মোৰ তত্ত্ব শক্তিৰ বিষয়ে জানি লোৱা। মই সদায় তোমাৰ বক্ষস্থলতহে থাকিম।" তেতিয়া বিষ্ণুয়ে মহাদেৱীক কলে "মই এটা শ্লোকৰ আধা শুনিলো। আপুনি কওকচোন মই সেইটো কেনেকৈ শুনিলো?"

"মোক তুমি সগুণৰ ৰূপত দেখি আছা। তোমাক যিজনে এই আধা শ্লোক শুনাইছে, তেওঁ হ'ল নিৰ্গুণৰূপী পৰদেৱতা। এয়ে ভাগৱত নামৰ মন্ত্ৰ। ইয়াক পঢ়ি থাকিলে শুভ হয়।" দেৱীয়ে কলে।

বিষ্ণুয়ে সেই মন্ত্ৰৰ বলত হে মধুকৈটভক বধ কৰিব পাৰিছে। তেওঁলোকৰ ভয়ত শৰণাগত হোৱা ব্ৰহ্মাক তেওঁ এই বিষয়ে উপদেশ দিলে। ব্ৰহ্মাই নাৰদক আৰু নাৰদে ব্যাসক ইয়াৰ বিষয়ে উপদেশ দিলে। ব্যাসে শুকক ইয়াৰ উপদেশ দি কলে "মই ইয়াৰ ৰচনা অনেক সংহিতাৰ বিস্তৃত ৰূপৰ পৰা কৰিছো।"

শৌনক আদি মুনিসকলে শুকৰ কথা

এই কথা শুনি সুদৰ্শনে শশীকলাক বিবাহ কৰিব বিচাৰিছিল । সেইদৰে শশীকলাইও সুদৰ্শনক পতি বৰণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলে ।

যথা সময়ত সুবাহুৱে শশীকলাৰ স্বয়ম্বৰৰ কথা ঘোষণা কৰিলে । বহুতো দেশৰ ৰাজকুমাৰ কাশী ৰাজ্যত আহি উপস্থিত হ'ল । কিন্তু শশীকলাই সুদৰ্শনৰ বাহিৰে কাকো পতি বৰণ কৰিব নুখুজিলে ।

ৰাণীয়ে জীয়েকক কলে, "বাচা, তোমাৰ বাবে ইমান ৰাজকুমাৰ আহিছে এনে অৱস্থাত তুমি আঁকোৰগোজ কৈ লাগি থকাতো উচিত নহব । এনে কৰিলে আমাৰহে বিপদ হব । যিবোৰ ৰজা আৰু ৰাজকুমাৰ আহিছে তেওঁলোক আমাৰ শত্ৰু হব । তুমি যদি সুদৰ্শনকে বিবাহ কৰিবলৈ জেদ ধৰি থাকা তেতিয়াহলে যুদ্ধজিতে আমাৰ সকলোকে মাৰি পেলাব । তেওঁ বৰ দুষ্ট আৰু নিদাৰুণ ।"

এইদৰে মাকে শশীকলাক বুজনি দিছিল ।

কিন্তু শশীকলাই সুদৰ্শনৰ বাহিৰে অন্য কোনো লোককে বিবাহ কৰিবলৈ অস্বীকাৰ কৰিলে । তেওঁ পিতাকক স্পষ্টকৈ কলে, "যদি আপুনি এই ৰজাবোৰক ভয় কৰিছে তেতিয়াহলে এটা কাম কৰক । সুদৰ্শন আৰু মোৰ বিয়া পাতি দি আমাক এখন ৰথত তুলি ৰাজ্যৰ সীমাৰ বাহিৰলৈ যাবলৈ দিয়ক । তেতিয়া যদি যুদ্ধ হয়, তেওঁ সকলো শত্ৰুকে বধ কৰিব ।"

"চোৱা বাচা, বহুতকে শত্ৰু কৰি লোৱাতো উচিত নহয় । সকলোৰে বিৰুদ্ধে যুদ্ধ কৰা সহজ কাম নহয় । ধৰিলোৱা, তোমালোকক ৰথত তুলি নি ৰাজ্যৰ চাৰিসীমাৰ ওচৰত থৈ আহিলো, তাত কি নিশ্চয়তা আছে যে তেওঁলোকে তোমালোকক আক্ৰমণ নকৰিব ? সেই অৱস্থাত তোমালোকেই বা কি কৰিব পাৰিবা ? মই এটা উপায় চিন্তা কৰিছো।

সীতাৰ স্বয়ম্বৰৰ কাৰণে যিদৰে এক পৰীক্ষা পাতিছিল সেইদৰে মেয়ো এক পৰীক্ষা পাতিম। সেই পৰীক্ষাত যিয়ে উত্তীৰ্ণ হব তাকে বিবাহ কৰাবা ।" ৰজা সুবাহুৱে জীয়েকক কলে ।

"তেতিয়াহলে সমস্যাৰ সমাধান হবনে ? পৰীক্ষাত যিয়ে জয়লাভ কৰে তেওঁ বিবাহ কৰিলে বাকীবোৰে মনে মনে থাকিবনে ? তেতিয়াও যুদ্ধ হব । মহাদেৱীৰ ওপৰত বিশ্বাস ৰাখি সুদৰ্শনৰ লগত মোৰ বিয়া পাতি দিয়ক।" শশীকলাই কলে । শেষত সুবাহুৱে জীয়েকৰ কথা মানি ললে ।

ৰজাই এক ৰহস্যজনক বিবাহৰ আয়োজন কৰিলে । তেওঁ সুদৰ্শনক মাতি আনি শাস্ত্ৰমতে কন্যাদান কৰিলে । কন্যাৰ লগত তেওঁ দুশ ৰথ, এহেজাৰ ঘোঁৰা আৰু কেইটামান হাতী উপহাৰ স্বৰূপে দিলে । তাৰপিছত সুদৰ্শনৰ মাক মনোৰমাক কলে "এতিয়াৰ পৰা মোৰ কন্যা আপোনাৰ পুত্ৰবধু হ'ল । আপুনি মৰমৰ চকুৰে চাব ।"



অমঙ্গল নহব ।" মনোৰমাই দৃঢ় বিশ্বাসেৰে কলে ।

সুবাহুৱে গোপনে বিয়া পাতি দিয়াৰ পিছত যেতিয়া বৰ কইনাক বিদায় দিব খুজিলে তেতিয়া কিছুমান মানুহে আহি কলে এতিয়া দৰা কইনাক নপঠাব । বাটতে শত্ৰুয়ে ৰাক্ষসৰ নিচিনাকৈ ৰখি আছে ।

ৰজা সুবাহুৱে এনে কিবা ঘটিব বুলি ভাবিছিল, সেয়েহে ৰজাই তেওঁলোকক বিদায় দিবলৈ ইতস্ততঃ কৰিলে । তেতিয়া সুদৰ্শনে কলে, "ৰাজন, আপুনি আমাক পঠাবলৈ সংকোচ নকৰিব । দেৱী যেতিয়া মোৰ লগত আছে, এই ৰজাবোৰে মোৰ চুলি এডালো সৰাব নোৱাৰিব ।"

কাশী ৰজাই সৈন্য-সামন্ত লৈ জোৱায়েকক আগবঢ়াই থবলৈ গ'ল । তেওঁলোক আহিব বুলি বাটতে প্ৰতীক্ষা কৰি থকা ৰজাসকলে দূৰৰ পৰাই তেওঁলোকক দেখি কলে, "চোৱা, ৰথত উঠি সেইজন সুদৰ্শন পত্নীৰে সৈতে আহি আছে। বলা তেওঁক আক্ৰমণ কৰো ।"

সুবাহুৱে শত্ৰু ৰজাসকলক বাধা দিলে । সুদৰ্শনে দেৱীক আৰাধনা কৰিবলৈ ধৰিলে । সেই সময়তে শত্ৰুজিত আৰু যুধাজিত্তই তেওঁৰ ওপৰত জঁপিয়াই পৰিল । তেতিয়া সুবাহুৱে সুধাজিত্তৰ ওপৰত বাণ বৰ্ষণ কৰিবলৈ ধৰিলে। দুয়োৰে মাজত তয়াময়া যুদ্ধ লাগে ।

এনেতে দেৱী জগদম্বাই দিব্য ৰূপ ধৰি অনুচৰসকলক লগত লৈ সিংহৰ ওপৰত উঠি ফুলৰ মালা পিন্ধি দেখা দিলেহি । দেৱীক দেখিবলৈ পাই সুদৰ্শনৰ মন আনন্দত পুলকিত হৈ উঠিল । তেওঁ কাশী ৰাজক দেৱীক দেখুৱাই দি কলে, "এতিয়া আমি ভয় কৰাৰ কোনো আৱশ্যক নাই ।" এইবুলি কৈ তেওঁ ৰথৰ পৰা নামিল আৰু পত্নীৰে সৈতে গৈ দেৱীক প্ৰণাম

তেতিয়া মনোৰমাই কলে, "মহাৰাজ, ৰজাহৈয়ো ৰাজ্যবিহীন মোৰ পুত্ৰৰ লগত আপোনাৰ কন্যাক বিয়া দিলে । আপোনাৰ দৰে মহান লোক অতি বিৰল । এতিয়াৰ পৰা আপোনাৰ কন্যাৰ দায়িত্ব আমাৰ ওপৰত আৰু আমাৰ দায়িত্ব আপোনাৰ ওপৰত ।"

এইকথা শুনি সুবাহুৱে কলে, "আপোনাৰ পুত্ৰক কিয় ৰাজ্যবিহীন বুলি কৈছে? মোৰ ৰাজ্য তেওঁৰ ৰাজ্য নহয় নে ? মোৰ সকলো সেনা তেওঁৰে । জগদম্বা যেতিয়া আমাৰ লগত থাকিব তেতিয়া আমাৰ কিহৰ ভয় ?"

আপুনি কিমান সুন্দৰ কথা কৈছে । আপোনাৰ মঙ্গল হব । আপুনি নিজৰ দেশ শাসন কৰক । জগৎমাতাৰ কৃপা হলে মোৰ পুত্ৰই পিতাকৰ ৰাজ্য ঘূৰাই পাব । ভাগ্য ভালে থাকিলে মাটি চুলেও সোণ হয় । যি কামকে নকৰো কিয় তাৰ ফল ভাল হয় । এতিয়া মোৰ পুত্ৰৰ ভাল দিন আহিছে, তেওঁৰ কোনো

করিলে । ৰজা সুবাহুৰেও দেৱীক প্ৰণাম জনালে।

সিংহক দেখি হাতীয়ে ভয়তে চিঞৰিবলৈ ধৰিলে । সিংহইও হাতীক দেখি গৰজিবলৈ ধৰিলে । হঠাতে জোৰে বতাহ বলিবলৈ ধৰিলে। ৰজাই মনতে ভয় পাই কি কৰিব কি নকৰিব ভাবি থিয় হৈ ৰল ।

তেতিয়া সুদৰ্শনে সেনাপতিক কলে, "মহাদেৱী আমাৰ সহায় । নিঃসংকোচে তুমি শত্ৰুৰ ওপৰত আক্ৰমণ চলোৱা । সৈন্যসকলক আগবাঢ়িবলৈ আদেশ দিয়া ।

কাশী ৰাজৰ সেনা শত্ৰুৰ ওপৰত জঁপিয়াই পৰিল । নিষ্ক্ৰিয় হৈ থিয় হৈ থকা ৰজাসকলক তেতিয়া যুধাজিত্তই কলে, "কোনো তিৰোতাই সিংহৰ ওপৰত উঠি অহা দেখি তোমালোকৰ মতি ভ্ৰষ্ট হ'ল নেকি ? এজন ভীৰুৱে নিজৰ লগত এজনী স্ত্ৰী লৈ আহিছে । ৰজা হৈ ইমান ভয় কিহৰ । আগবাঢ়ি যোৱা । সুদৰ্শনক এতিয়াই মৃত্যুৰ দুৱাৰদলিলৈ পঠিয়াই ৰজাৰ জীয়েকক নিজৰ বশ কৰি লম ।" এইবুলি কৈ নাতিয়েক শত্ৰুজিতক লগত লৈ আগবাঢ়ি গৈ সুদৰ্শনৰ লগত যুদ্ধ কৰিবলৈ ধৰিলে ।

তেতিয়া দেৱীয়ে বিভিন্ন ৰূপ ধাৰণ কৰি সকলো ৰজাকে দৰ্শন দি তেওঁলোকৰ লগত যুদ্ধ কৰিলে । মুহূৰ্ত্তৰ ভিতৰতে যুধাজিত্ত আৰু শত্ৰুজিত বাণৰ আঘাতত ধৰাশায়ী হৈ গ'ল । সুবাহুৱে আনন্দতে দেৱীক আকৌ এবাৰ প্ৰণাম জনাই কলে, "মা, তোমাৰ দৰ্শন পাই মই ধন্য হলো । শাশ্বত ৰূপত তুমি মোৰ হৃদয়তে থাকা। তুমি ইয়াতে থাকি যোৱা । তুমি থাকিলে মোৰ কাৰো আৰু সহায়ৰ আৱশ্যক নহব । কথিত আছে, যেতিয়ালৈকে ভূমিৰ অস্তিত্ব থাকিব তেতিয়ালৈ কাশীও থাকিব । গতিকে তুমি কাশীতে থাকি মোক শত্ৰু ভয়ৰ পৰা মুক্ত



কৰি ৰাখা । মই তোমাৰ পৰা এয়ে কৃপা বিচাৰিছো ।"

মহাদেৱীয়ে ইয়াৰ বাবে সন্মতি জনালে । তাৰপাছত সুদৰ্শনে মহাদেৱীক আৰাধনা কৰি কলে, "মা, এতিয়া মোৰ কৰ্ত্তব্য কি ? মই কলৈ যাওঁ ? মই নিজে অসমৰ্থ হলেও তুমি সহায় কৰিলে মই যিকোনো কঠিন কামেই কৰিবলৈ সাজু আছো । গতিকে মোৰ কৰ্ত্তব্যৰ বিষয়ে জনোৱা আৰু মোক কৃপা কৰিবা ।"

তেতিয়া দেৱীয়ে কলে, 'এতিয়া আৰু কৰিবলৈ নো কি আছে ? তোমাৰ পত্নীক লগত লৈ-অযোধ্যা নগৰলৈ যোৱা । তাত গৈ ৰজা হৈ সুবিচাৰেৰে ৰাজ্য শাসন কৰা গৈ । মই তোমাক ৰক্ষা কৰি থাকিম ।

প্ৰতি অষ্টমী, নৱমী আৰু চতুৰ্দশী তিথিত মোৰ পূজা কৰি থাকিবা । মই শৰৎ কাল ভাল পাওঁ । সেই সময়ত নৱৰাত্ৰি পূজা কৰিবা । মাঘ, চ'ত আৰু আহাৰ মাহত মোৰ উৎসৱ পালন কৰিবা ।" ইয়াকে কৈ দেৱী অদৃশ্য হৈ গ'ল ।

ইয়াকে দেখি এজন এজনকৈ ৰজা আগবাঢ়ি আহি যেনেদৰে দেৱতাসকলে ইন্দ্ৰক প্ৰণাম কৰে সেইদৰে সুদৰ্শনক প্ৰণাম কৰিবলৈ ধৰিলে আৰু অম্বাক স্তুতি কৰিলে। তেওঁলোকে সুদৰ্শনক ৰাজচক্ৰৱৰ্ত্তী ৰজা বুলি মানি ললে।

সুদৰ্শন অযোধ্যা গৈ পোৱাৰ আগতে তাৰ মানুহে খবৰ পাইছিল। সেয়েহে পাত্ৰমন্ত্ৰীসকলে মঙ্গল বাদ্যৰে সৈতে তেওঁক স্বাগতম জনাবলৈ আহি সুদৰ্শন আৰু তেওঁৰ পত্নীক সাৰদ নগৰলৈ লৈ গ'ল।

সুদৰ্শনে তেওঁৰ বিমাতাক দেখা কৰিবলৈ গ'ল, যিয়ে পুত্ৰৰ মৃত্যুৰ বাবে শোক কৰি আছিল। তেওঁ গৈ বিমাতাক কলে, "মা, আপোনাৰ পুত্ৰ আৰু পিতাক মই বধ কৰা নাই। মহাশক্তিয়ে তেওঁলোকক সংহাৰ কৰিছে। গতিকে আপুনি ইয়াৰ বাবে দুখ নকৰিব।

আপুনি মোক নিজৰ পুত্ৰ বুলি ভাবিব। মই সদায় আপোনাৰ সেৱা কৰি থাকিম। মই যেতিয়া বালক আছিলো তেতিয়া আপোনাৰ পিতাই ৰাজ্যৰ লোভত মোক দেশৰ পৰা বাহিৰ কৰি দিছিল। মইতো এইটো নিজৰ দুৰ্ভাগ্য বুলি মানি লৈছিলো। যেতিয়া মোৰ মাতৃয়ে উপায়হীন হৈ মোক হাবিৰ মাজৰ বাটেৰে মোক লৈ গৈ আছিল বাটতে আমাক ডকাইতে লুণ্ঠন কৰিছিল।

তাৰপাছত আমি গঙ্গাৰ পাৰত থকা মুনিৰ আশ্ৰমত গৈ শৰণ লৈছিলো। তেওঁৰ অনুগ্ৰহৰ বলতে মই আজি ৰজা হোৱাৰ সমৰ্থ হৈছো। এতিয়াও মই কাকো হিংসা নকৰো। কোনো লোকৰে প্ৰতি মোৰ শত্ৰু ভাব নাই।"

সুদৰ্শনৰ কথাত লজ্জিত হৈ লীলাৱতীয়ে কলে, "মই এইবোৰ কৰিবলৈ মনা কৰিছিলো, কিন্তু পিতাই মোৰ কথা নুশুনি তোমাৰ সৈতে শত্ৰুতা কৰিলে। তেওঁ অকল নিজেই নমৰি মোৰ পুত্ৰকো বধ কৰালে। তোমাৰ মা মোৰ বাইদেউ হয়। তুমি মোৰ পুত্ৰ সমান। মই কিহৰ বাবে চিন্তা কৰিম ? মই সকলো জানো। তুমি মোৰ পুত্ৰৰ মৃত্যুৰ কাৰক নহয়।"

ইয়াৰ পিছত সুদৰ্শনে মন্ত্ৰীসকলৰ সহযোগত এখন স্বৰ্ণ সিংহাসন নিৰ্মাণ কৰালে। তাতে জগদম্বাৰ মূৰ্ত্তি এটা স্থাপন কৰি প্ৰতিদিন তাত পূজা কৰিবলৈ ধৰিলে। ৰাজ্যাভিষেক হৈ যোৱাৰ পিছত দীৰ্ঘদিন ধৰি তেওঁ সুচাৰুৰূপে ৰাজ্য শাসন কৰি থাকিল।



ব্যস্ততা

ৰাঘৱে সদায় সন্ধিয়া মন্দিৰলৈ গৈছিল আৰু তালৈ অহা ভক্তবোৰক তেওঁ পুৰাণ পঢ়ি শুনাইছিল। কোনোবাই কিবা কথা সুধিলে তেওঁ ভালদৰে বুজাই দিছিল । তেওঁলোকৰ প্ৰশ্নৰ সমিধান দি ৰাঘৱে অত্যন্ত আনন্দ লাভ কৰিছিল। ইয়াৰ বাবে তেওঁ আগতে সাজু হৈ আহিছিল । সন্ধিয়া যিবোৰ পুৰাণৰ অধ্যায় পঢ়াৰ কথা সেইবোৰ তেওঁ দিনত ঘৰতে ভালদৰে অধ্যয়ন কৰি আহিছিল, যাতে শ্ৰোতাসকলে সোধা প্ৰশ্নৰ উত্তৰ তেওঁ সুচাৰুৰূপে দিব পাৰে ।

ৰাঘৱৰ পত্নী সীতাই কপাহৰ শলিতা তৈয়াৰ কৰিছিল । সেইবোৰ বিক্ৰী কৰি তেওঁ যি অলপ পইচা পাইছিল সেই পইচাখিনি চন্দুকত ভৰাই ৰাখিছিল ।

তেওঁলোকৰ তিনিজন পুত্ৰ আছিল । ডাঙৰ পুতেক কৌশিকে কাঠমিস্ত্ৰীৰ কাম কৰিছিল আৰু এই কামত তেওঁ অতি নিপুণ আছিল । তেওঁৰ পত্নী কমলাই গোটেই দিনটো ঘৰৰ কামতে ব্যস্ত আছিল । দ্বিতীয় পুত্ৰ কুমাৰে ৰং দিয়া কাম কৰিছিল । তৃতীয়জন পুত্ৰ নৰহৰিয়ে ঘৰৰ পিছফালে থকা ডাঙৰ বাগানখন চোৱাচিতা কৰিছিল । বাগানত অকল ফলৰ গছেই নাছিল, তাতে শাক পাচলি আৰু ফুলৰ গছো আছিল । তাৰপৰা সদায় ভাল উপাৰ্জনো হৈছিল । নৰহৰিয়ে গোটেই দিন বাগানৰ কামতে ব্যস্ত আছিল ।

গাঁৱৰ ভিতৰতে ৰাঘৱৰ পৰিয়ালটো এটা আদৰ্শ পৰিয়াল । বহুতো লোকে স্বীকাৰ কৰিছিল যে পৰিয়ালৰ প্ৰতিজন লোকৰে যদি তেওঁলোকৰ দৰে কাম কৰাৰ প্ৰবৃত্তি থাকে তেতিয়াহলে মনো শান্তিত থাকিব আৰু ঘৰৰ সদস্যসকলৰ মাজত একতাও থাকিব । কোনো এজনৰে অন্যৰ বিৰুদ্ধে অভিযোগ অনাৰ সুবিধা নাথাকিব ।

ওচৰৰ গাঁৱৰে মাধৱৰ ঘৰখন আকৌ ইয়াৰ

কিশান পুৰোহিত



সম্পূৰ্ণ ওলোটা । সেইখন ঘৰত সদায় শাহু বোৱাৰীৰ মাজত কাজিয়া লাগিছিল, ভায়েকহঁতৰ মাজতো প্ৰায়ে মনোমালিন্য হৈছিল আৰু ইজনে সিজনৰ লগত সামান্য কথা হে কৈছিল । মাধৱে এদিনো শান্তিৰে বহি থাকিব পৰা নাছিল ।

ৰাঘৱ, মাধৱৰ দূৰসম্পৰ্কীয় আত্মীয় । মাধৱে ৰাঘৱৰ পৰিয়ালৰ বিষয়ে বহুত কথা শুনিছিল । তেওঁৰ বিশ্বাসেই হোৱা নাছিল, ইমানবোৰ সদস্যৰে ভৰা এটা পৰিয়াল মিলিজুলি ইমান শান্তিৰে বাস কৰিব পাৰে । ইয়াৰ ৰহস্য জানিবলৈ এদিন মাধৱে তেওঁৰ পত্নী সুলক্ষণাক লৈ ৰাঘৱৰ ঘৰলৈ আহিছিল । ৰাঘৱৰ গোটেই পৰিয়ালে তেওঁলোকক আদৰ অভ্যৰ্থনা জনাইছিল । অতি আনন্দৰ মাজেৰে তেওঁলোকে এদিন কটাইছিল । দ্বিতীয় দিনা ৰাঘৱে যাথাৰীতি তেওঁৰ অধ্যয়নৰ কামত লাগি গৈছিল । তেতিয়া মাধৱে আপত্তি কৰি কৈছিল, "দুদিনৰ বাবে তোমাৰ সৈতে সময় কটাবলৈ ইয়ালৈ আহিছো। মই এই দুদিন তোমাৰ লগতে থাকি তোমাৰ সৈতে কথা বতৰা কৈ নিশ্চিন্ত হৈ তোমাৰ লগত সময় খিনি পাৰ কৰিব বিচাৰো । তুমিতো সদায় অধ্যয়নে কৰি থাকা । এতিয়া সেই কাম বন্ধ কৰি কোৱা, আজি আমি কি কৰিম ?"

এই কথা শুনি ৰাঘৱে হাঁহিমাৰি কৈছিল, "প্ৰাণীৰ ভিতৰত সকলোতকৈ এলেহুৱা প্ৰাণী হ'ল মানুহ । এবাৰ যদি অৱস্থাৰ পৰিবৰ্তন হয়, ধৰি লবা তাৰ পৰিবৰ্তন হলেই । তাক আকৌ ঘূৰাই অনাতো অতি কষ্টসাধ্য কাম । আৱশ্যক হলে আমি কথা বতৰা পাতিব পাৰো । কিন্তু এই সময়ত মই তেনে কোনো আৱশ্যকতা অনুভৱ কৰা নাই । বলা, আমি দুয়ো মিলি পুৰাণ অধ্যয়ন কৰি তাৰ তত্ত্ব কথা জানি লও । ইয়াৰ দ্বাৰা মোৰ মনতো উৎসাহ বাঢ়িব আৰু তোমাৰ দৃষ্টিভঙ্গিৰ লগতো পৰিচিত হব পাৰিম ।"

"তেতিয়াহলে মই তোমাৰ ঘৰলৈ আহি তোমাৰ সময় নষ্ট কৰিছো, তোমাৰ চিন্তা ভাবনাত ব্যাঘাত জন্মাছো । ভৱিষ্যতে তোমাৰ ঘৰলৈ আৰু কেতিয়াও নাহো।" মাধৱে খং কৰি কৈছিল ।

"মোৰ ঘৰত তোমাৰ ভালেই লাগিব । তুমি যে মোৰ কামত বাধা দিছা তোমাৰ এই কথা অনুভৱে নহব । পিছত তুমি জানিব পাৰিবা । বলা এতিয়া আমি পুৰাণ অধ্যয়ন কৰো ।" ৰাঘৱে শান্তভাৱে কথাখিনি কৈছিল । দুয়ো মিলি পুৰাণ অধ্যয়নত লাগি গৈছিল । পুৰাণত যে ইমান গভীৰ তত্ত্ব আছে মাধৱে এতিয়াহে জানিব পাৰিছিল । তেওঁ ৰাঘৱক নতুন ধৰণৰ নানা প্ৰশ্ন সুধিছিল আৰু ৰাঘৱেও সুন্দৰভাৱে তাৰ উত্তৰ দিছিল ।

এতিয়া আৰু আচল কথা জানিবলৈ মাধৱৰ বেচি সময় নালাগিল । তেওঁ ৰাঘৱক কৈছিল,

“আগলৈ যদি কেতিয়াবা তোমাৰ ঘৰলৈ আহো, কেৱল পুৰাণ অধ্যয়ন কৰিবৰ বাবেহে আহিম। মোৰ ঘৰলৈ যেতিয়া তুমি যাবা তেতিয়া পুৰাণ গ্ৰন্থখনো তুমি লগত লৈ যাবা।”

ইফালে মাধৱৰ পত্নী সুলক্ষণাই সীতাক কৈছিল, “এই বুঢ়া বয়সত কপাহৰ শলিতা তৈয়াৰ কৰি নিজকে ইমান কষ্ট দিছা কিয় ? ভৰিৰ ওপৰত ভৰি তুলি থাকি আৰামেৰে জীৱনৰ বাকী দিন কেইটা কটাই দিয়া।”

“যেতিয়া ডেকা আছিলো তেতিয়া ঘৰৰ সকলো কামেই কৰিছিলো। এতিয়াতো আৰামতে বহি আছো। এনেয়ে বহি থকাতকৈ কামত অহা দুই এটা সৰু সুৰা কাম কৰাই ভাল, ইয়াকে ভাবিহে এইবোৰ কৰিছো।” সীতাই কৈছিল।

“এইদৰে বহি বহি শলিতা বনাই থকা বাবেতো তোমাৰ বোৱাৰীয়ে তোমাক মানুহ বুলিয়ে নাভাবে। বহিলে বহিয়ে থাকে। তোমাক দেখিলেও থিয় নহয়। ৰন্ধা-বঢ়াৰ সময়ত, ঘৰ চলোৱাৰ সময়ত তোমাৰ কোনো পৰামৰ্শই নলয়। তোমাক কথা সোধাৰো আৱশ্যক বোধ নকৰে। কি, তোমাক পৰ বুলি নাভাবেতো ? তুমি যে এইখন ঘৰৰ এজন মান্য মহিলা আৰু তোমাক আদৰ যত্ন কৰা তেওঁৰ কৰ্ত্তব্য এই কথা তেওঁ পাহৰিয়ে যায়।” সুলক্ষণাই অঙ্গি-ভঙ্গি দেখুৱাই কথাখিনি কৈছিল।

সীতাই তেতিয়া হাঁহি হাঁহি কৈছিল “প্ৰথমতে মইও এই কথাই ভাবিছিলো। ওচৰ চুবুৰীয়াৰ আগত বোৱাৰীৰ বিৰুদ্ধে অভিযোগ কৰিছিলো। ইয়াৰ দ্বাৰা মোৰ মনৰ শান্তিও নোহোৱা হৈছিল। মই সদায় অশান্ত বোধ কৰিছিলো। বোৱাৰীৰ ওপৰত প্ৰতিশোধ লোৱাৰ বাবে দিনে নিশাই চিন্তা কৰিবলৈ ধৰিছিলো, যাৰ ফলত মোৰ ৰক্তচাপ বৃদ্ধি হৈছিল আৰু মই বেমাৰী হৈ গৈছিলো। তেতিয়া বৈদ্যই মোক পৰামৰ্শ দিছিল যে মই যেন মনে মনে বহি থাকি কিবা কামত ব্যস্ত থাকো। এলেহুৱা হৈ এনেয়ে বহি থাকিলে মানুহৰ মনলৈ নানা বেয়া চিন্তাবোৰ হে আহে। মনত চয়তানে বাহ লয়। নিজকে কোনো ভাল কামত ব্যস্ত ৰাখিলে মনলৈ কোনো বেয়া চিন্তাই আহিব নোৱাৰে।” ঘৰলৈ কেনেকৈ সুখ শান্তি আহে এতিয়াহে সুলক্ষণাই এই বিষয়ে জানিব পাৰিলে।



জমিদাৰৰ বয়স

দ্ৰোণপুৰীৰ ৰজা মণিচন্দ্ৰৰ অকাল মৃত্যুৰ পিছত তেওঁৰে পচিশ বছৰীয়া পুত্ৰ ভূৱনচন্দ্ৰই সিংহাসনত বহি ৰাজ্য শাসন কৰিছিল । ৰাজ্যৰ শাসনকাৰ্য্য চোৱাচিতা কৰাৰ বাবে উপযুক্ত মন্ত্ৰী আছিল, সেয়েহে আজৰি সময় পালে তেওঁ চিকাৰ কৰিবলৈ গৈছিল । বনৰ মাজত চিকাৰ কৰি দহ-পোন্ধৰ দিন পিছত তেওঁ ৰাজধানীলৈ ঘূৰি আহিছিল ।

ৰজা ভূৱনচন্দ্ৰ এবাৰ চিকাৰলৈ যাওঁত বাটতে ৰাতি হৈছিল । তেওঁ সৈনিকসকলক সুধিছিল ইমান ৰাতি এতিয়া ক'ত বিশ্ৰাম লোৱা যায় । এনেতে শেখৰ বৰ্মা নামৰ এজন জমিদাৰ তালৈ আহিছিল । তেওঁৰ ঘৰলৈ গৈ তেওঁৰ আতিথ্য গ্ৰহণ কৰিবলৈ জমিদাৰে ৰজাক মিনতি কৰিছিল ।

সেইদিনা ৰাতি ভোজন কাৰ্য্য সমাপ্ত কৰাৰ পিছত ৰজা আৰু জমিদাৰে কথা পাতি আছিল। কথা প্ৰসঙ্গত ৰজাই শেখৰ বৰ্মাক সুধিছিল, "তোমাৰ বয়স কিমান ?"

"মহাৰাজ, ষাঠিৰ পৰা সত্তৰলৈকে মোৰ বয়স হব ।" শেখৰবৰ্মাই কৈছিল ।

তেওঁৰ উত্তৰ শুনি ৰজা ভুৱনচন্দ্ৰই আচৰিত হৈ কৈছিল, "তোমাৰ বয়স বাঢ়ি গৈ আছে। এই বাঢ়ি যোৱা বয়সক লৈ তুমি সাৱধানে থকা উচিত । কেতিয়াবা এই বিষয়ে বাৰু ভাবি চাইছা নে নাই ?

তেতিয়া শেখৰবৰ্মাই এটা হাঁহি মাৰি কৈছিল, "মহাৰাজ, কিমান একৰ যে মোৰ খেতিৰ মাটি আছে, ঘৰত দুটা ডাঙৰ কাঠৰ বাকচ আছে । সেই দুটা সোণ আৰু ৰূপাৰে পূৰ্ণ হৈ আছে । সেই মাটি সম্পত্তি আৰু ধন-সম্পদকলৈ মই সদায় সাৱধান হৈ থাকো । কাৰণ, সেইবোৰ লুটি নিয়াৰ সম্ভাবনা আছে । কিন্তু, মোৰ বয়স লুটি নিয়াৰ চেষ্টা কোনেনো বাৰু কৰিব ? গতিকে বয়সৰ কথা ভাবি মোৰ সময় নষ্ট কৰিব বিচৰা নাই ।

- **কাশীনাথ**

9

অজেয় গৰুড়

চান্দমামাৰ নিবেদন
চিত্ৰ:পাণি
চন্দ্ৰপুৰীৰ স্বৰ্গীয় প্ৰধানমন্ত্ৰীৰ পুত্ৰ আদিত্যই সেনাপতি নৰেন্দ্ৰদেৱ আৰু তেওঁৰ পুত্ৰ ৰবীন্দ্ৰ দেৱক সকলো ঠাইতে পৰাস্ত কৰিলে, যেতিয়াই তেওঁলোকে মুখা পিন্ধি গৰুড়ক ধৰিবলৈ যায় । ৰজা মহেন্দ্ৰদেৱে আদিত্যক প্ৰধানমন্ত্ৰী কৰিলে । পিতাকে দি যোৱা আদেশ মতে সপ্তম পূৰ্ণিমাৰ ৰাতি তেওঁ গৰুড় পূজা কৰিলে আৰু এক আশ্চৰ্য্যজনক বস্তু দেখিলে । গোটেই পোহৰ হৈ উঠিল আৰু যিখন পাখি মূৰ্ত্তিৰ সম্মুখত ৰখা আছিল উৰিবলৈ ধৰিলে আৰু ক্ৰমে ডাঙৰ হৈ গৈ থাকিল
এই জ্যোতিয়ে আদিত্যৰ ওপৰতো প্ৰভাবপেলালে আৰু আদিত্যই অনুমান কৰিলে তেওঁৰ শৰীৰো পৰিবৰ্তন হব ধৰিছে ।
যেনেদৰে তেওঁৰ শৰীৰ পাখিৰে ঢাক খাই গ'ল ।
তেওঁৰ মূৰত চিলনীৰ দৰে এটা কিৰিটি আছিল । তেওঁৰ চকুদুটা ৰঙা হৈ গ'ল । তেওঁৰ ভৰিদুখন ধাতুৰে ঢাক খাই বহুতো শক্তিশালী হ'ল ।

হে ভগবান ! আপুনি দয়াবান ! মই যেন নিজৰ কৰ্ত্তব্য আৰু মাতৃভূমিৰ প্ৰতি নিষ্ঠাবান হওঁ । কিন্তু হে ভগবান ! মই কেনেকৈ এই ৰূপ ধৰি বাহিৰলৈ যাওঁ ?
হে পুত্ৰ ! তুমিহে এই পৰিবৰ্তন অনুভৱ কৰিব পাৰিবা । অন্য লোকে তোমাক আগৰ ৰূপতে দেখিব । তোমাৰ পূৰ্ব পুৰুষে পূজা কৰি যোৱাৰ ফলস্বৰূপে আজি মোৰ শক্তি তোমাৰ সৈতে মিলি গ'ল ।
যাৰ প্ৰয়োগ তুমি নিজকে আৰু মাতৃভূমিৰ ৰক্ষাৰ বাবে কৰিবা । মোৰ ভগবানেও তোমাক ৰক্ষা কৰিব আৰু তোমাৰ সকলো কাৰ্য্য পূৰণ কৰাত সহায় কৰিব ।
আদিত্য ! মই ইয়াত এইবাবে আহি উপস্থিত হৈছো যাতে কোনেও তোমাৰ অনিষ্ট কৰিব নোৱাৰে । তোমাৰ বাবে মোৰ গৰ্ব হয় পুত্ৰ ! ভগবানে তোমাক নিজৰ শাস্ত্ৰ সম্মত ৰূপত জন্ম দিছে । তোমাৰ জয় হব ।
আদিত্যৰ শৰীৰৰ চাৰিওফালে যি জ্যোতি আছিল সেইবোৰ একত্ৰিত হৈ তেওঁৰ শৰীৰত প্ৰৱেশ কৰিলে । তেওঁ নিজৰ চাৰিওদিশে এক ৰক্ষা কবচ পালে ।

এই সময়ত কোন আহিব পাৰে ?
কোঠাটো পুনৰ এন্ধাৰ হৈ গ'ল । আদিত্যই দুৱাৰত খট্‌খটাই দিয়া শুনিবলৈ পালে ।
অৰুণা ! তুমি ?
মই যেতিয়া গৈ আছিলো এক জ্যোতি দেখি অচেতন হৈ গৈছিলো । যেতিয়া মই ইয়ালৈ আহিলো, আহি দেখো তোমাৰ দেহৰক্ষী দুজন অচেতন হৈ পৰি আছে । তুমি ভালে আছানে আদিত্য ?
মই ভালে আছো । মই তোমাক এটা অনুৰোধ কৰো, আমাৰ দুয়োৰে এই যি অনুভব হৈছে এই কথা যেন কাৰো আগত নোকোৱা । এতিয়া তুমি ইয়ালৈ আহিলা যেতিয়া এইটো ৰামসিংহক দিবা ।
আদিত্য, এতিয়াও তোমাৰ চাৰিওদিশে এক কৱচ আছে । তোমাৰ পত্ৰবাহক হৈ মোৰ গৰ্ব হয় । আচ্ছা, এতিয়া মই যাওঁ ।
কিন্তু মোকেই কিয় পিতাদেউ ? মই এজন সাধাৰণ মানুহ !
মই আপোনাক কথা দিলো যে, মই আপোনাৰ ইচ্ছা পূৰণ কৰিম আৰু সেইবাবেই মই জীয়াই থাকিম ।
সেই সময়ত গৰুড়ৰ দৰে মুখাপিন্ধা বহুতো লোক আহি গন্দগোল লগাই দিলে ।

খবৰ গৈ আদিত্যৰ ওচৰ পালে ।
শ্ৰীমান, এয়া নৰেন্দ্ৰদেৱৰ বদমাচি ।
ৰামসিংহ, আমি তেওঁৰ মুখা খুলি দিব লাগিব ।
মহাৰাজৰ কক্ষত পিছাদিনা ।
গৰুড়ৰ ৰূপত যিবোৰ বন্দী কৰা হ'ল সেয়া এজন নহয় এশজন লোক ।
প্ৰজাসকলৰ সম্মুখত তেওঁক কালি ফাঁচি দিয়া হব । এই কথা ঘোষণা কৰাই দিয়া !
আপোনাৰ যি ইচ্ছা মহাৰাজ !
গোটেই ৰাজ্যতে এই কথা ঘোষণা কৰি দিয়া হ'ল ।
ৰবীন্দ্ৰদেৱ খুব চিন্তাত পৰিল ।
এতিয়া আমি কি কৰিম ?
আমি প্ৰজাৰ সম্মুখত ফাঁচি দিয়াতো বন্ধ কৰিব লাগিব ।
ক্ৰমশঃ

ৰাজনৰ্তকীৰ চিত্ৰ

বহুদিন আগৰ কথা । অবন্তী নগৰত সুহৰ্ষ নামৰ এজন ডেকা চিত্ৰকৰে বাস কৰিছিল ।

নগৰখনত এনেয়ে কত যে নিপুণ চিত্ৰকৰ আছে, তথাপিও সুহৰ্ষৰ চিত্ৰকলাকহে মানুহে ভূয়সী প্ৰশংসা কৰিছিল ।

ধনী ব্যৱসায়ী আৰু ৰাজপৰিয়ালৰ সদস্যসকলেও তেওঁৰ চিত্ৰকলাৰ প্ৰশংসাত পঞ্চমুখ হৈছিল। যদি কাৰোবাৰ চিত্ৰ আঁকি থাকাৰ সময়ত কোনো ব্যক্তিয়ে ভাল বেয়া সম্পৰ্কে মতামত দাঙি ধৰিছিল সুহৰ্ষই সেইবোৰ চুপচাপ শুনি গৈছিল । কেতিয়াবা উত্তৰ দিলেও তেওঁৰ মনত যাতে আঘাত নালাগে সেইদৰে উত্তৰ দিছিল । কাৰো মনত আঘাত লগাকৈ তেওঁ কেতিয়াও একো নকৈছিল ।

ৰাজনৰ্তকী ভাসুৰাঙ্গীয়ে সুহৰ্ষৰ চিত্ৰ নৈপুণ্যৰ কথা শুনি তেওঁৰ দ্বাৰা নিজৰ এখন চিত্ৰ তৈয়াৰ কৰি লৈছিল । তাৰপাছত তেওঁ সুহৰ্ষৰ চিত্ৰশিল্পৰ প্ৰশংসা কৰি কৈছিল, "স্ত্ৰী সৌন্দৰ্য্য তথা নাট্য কলা সম্পৰ্কে জ্ঞান থকা কিমান যে বিখ্যাত ব্যক্তি এই ৰাজধানীত আছে । সেই বিখ্যা ত ব্যক্তি সকলৰ ভিতৰত এই দেশৰ ৰজাও এজন । তেওঁলোক আটায়ে মোৰ সৌন্দৰ্য্যৰ প্ৰশংসা কৰে । তেওঁলোকে এইবুলিও কয়, গোটেই বিশ্বজুৰি এনে সৌন্দৰ্য্য আৰু কতো নাই । তুমি অঁকা চিত্ৰ দেখিহে মোৰ বিশ্বাস হৈছে মোৰ বিষয়ে তেওঁলোকে কৰা প্ৰশংসা মিছা নহয় ।"

দহ বছৰ পিছত ভাসুৰাঙ্গীয়ে পুনৰ সুহৰ্ষৰ ওচৰলৈ আহি তেওঁৰ আকৌ এখন চিত্ৰ আঁকি দিবলৈ অনুৰোধ কৰিলে । সুহৰ্ষই খুব খাটনি কৰি এমাহৰ ভিতৰতে তেওঁৰ এখন চিত্ৰ তৈয়াৰ কৰি উলিয়ালে।

ভাসুৰাঙ্গীয়ে নিজৰ সেই চিত্ৰখন দেখি ভালদৰে নিৰীক্ষণ কৰি কলে, "সুহৰ্ষ, মোৰ এই চিত্ৰখন দেখি মোৰ খুব আচৰিত লাগিছে । এইখন যে মোৰ চিত্ৰ সেইটো মোৰ বিশ্বাসেই হোৱা নাই । মোৰ এই ৰূপ দেখিয়েই নো ইমানবোৰ মানুহে মোক অপূৰ্ব সুন্দৰী বুলি কৈছিল নে ?"

তেতিয়া অতি শান্ত কোমল মাতেৰে সুহৰ্ষই কলে, "দেৱী ভাসুৰাঙ্গী, আগতে মই তোমাৰ যিখন চিত্ৰ আঁকিছিল সেই সময়ত মোৰ বয়স এতিয়াতকৈ দহ বছৰ কম আছিল । -সুমনলতা

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা ।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,

৮২, ডিফেন্স আফচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব । পুৰস্কাৰ পাওতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব !

অভিনন্দন

অক্টোবৰ সংখ্যাৰ পুৰস্কাৰ বিজয়ী
নিবেদিতা দাস
মাৰফৎ - জি.চি দাস
মিলন নগৰ,
গুৱাহাটী, অসম

বিজয়ী বাক্য





বালক কৃষ্ণ সাজিছোঁ
থিয় হব মই পাৰিছো

চান্দমামাৰ বছৰেকীয়া বৰঙণি

সাধাৰণ ডাকযোগে ভাৰতত ১২০.০০ টকা

Payment in favour of CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam

The next twelve months will be eventful...

CHANDAMAMA

will bring you

Brainrackers from your favourite Vetala

Magical mythology

Mindteasing contests to test and tease your skills

Ribtickling humour to tickle your funny bones

Fascinating feast of fables and fantasies

Indiascope, which brings you the richness of Indian heritage

Heritage puzzles and activity, special issues to mark occasions and lots more.....

Now you know why you ***must*** subscribe to Chandamama

CHANDAMAMA (Assamese) DECEMBER 2001 Regd. with RNI. No. 30278/76
Registered No. TN/Chief PMG-870/2001



Mudra:NC:4220:01